» বছৰ ১, সংখ্যা ১০

# নিউ ইণ্ডিয়া সমাচাৰ

১৬-৩০ নৱেম্বৰ, ২০২০

বিনামূলীয়া বিতৰণৰ বাবে



জীৱনৰ ৰূপান্তৰৰ অৰ্থে উদ্ভাৱন গুৰুত্বপূৰ্ণ। চৰকাৰখনে এতিয়া অটল ইন'ভেশ্যন মিছনেৰে এই ৰূপান্তৰত বিদ্যালয়ৰ শিশুৰপৰা প্ৰাপ্তবয়স্কলৈকে সকলো নাগৰিককে সামৰি লৈছে

## নতুন ভাৰতত উদ্ভাৱনৰ প্ৰাচুৰ্য্যতা

# ভ'কেল ফৰ ল'কেলৰ কথাৰ মাজতে খাদীৰ বিশ্বমুখী যাত্ৰা



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিয়ালৰপৰা দূৰত থাকি সীমান্তত পহৰা প্ৰদান কৰা সাহসী-বীৰসকলৰ অৰ্থে সংহতি প্ৰদৰ্শন কৰিবলৈ দেশবাসীক দিপাৱলীত এগছিকৈ বন্তি প্ৰজ্জ্বলনৰ আহ্বান জনাইছে আৰু দেশবাসীক ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজখনত প্ৰহৰীৰ দায়িত্বৰপৰা আঁতৰি নাহিবলৈ সোঁৱৰাই দিছে।

**ভ'কেল ফৰ ল'কেলঃ** আপোনালোকে বজাৰ কৰিবলৈ যোৱাৰ সময়ত আমাৰ 'ভ'কেল ফৰ ল'কেল' সংকল্প মনত ৰাখিব। আমি স্থানীয় সামগ্ৰীসমূহক শীৰ্ষ অগ্ৰাধিকাৰ প্ৰদানত একমত হৈছো।

**ভাৰতীয় ক্ৰীড়াঃ** বহু দেশতে মল্লাখাম্ভে জনপ্ৰিয়তা অৰ্জন কৰিছে। আমেৰিকাৰ বহু স্থানত মল্লাখাম্ভ ৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। মল্লাখাম্ভে জাৰ্মানী, পোলেণ্ড আৰু মালয়েছিয়াকে ধৰি প্ৰায় ২০ খন দেশত জনপ্ৰিয় হৈ উঠিছে। শেহতীয়াভাৱে, ইয়াৰ ৱৰ্ল্ড চেম্পিয়নশ্বিপো অনুষ্ঠিত কৰা যায় য'ত বহু দেশে অংশগ্ৰহণ কৰা দেখা গৈছে।

**সাহসী বীৰ জোৱানঃ** আমাৰ সীমান্তত দায়িত্ব পালন কৰি থকা আমাৰ সাহসী বীৰ জোৱানসকলৰ কথাও আমি অৱশ্যেই ভাবিব লাগে। তেওঁলোকক সন্মানাৰ্থে আমি ঘৰত এগচি চাকি জ্বলাব লাগে।

**ওহাকা খাদীঃ** পৰিবেশ-অনুকূল ফেব্ৰিক হিচাপে দীৰ্ঘদিন ধৰি খাদীয়ে স্বীকৃতি লাভ কৰি আহিছে তদুপৰি ই ফেশ্যনৰ বহিঃপ্ৰকাশ হৈ পৰিছে। খাদীৰ জনপ্ৰিয়তা বৃদ্ধি পোৱাই নহয়, বৰঞ্চ বিশ্বৰ বহু অংশত ইয়াক প্ৰস্তুত কৰা গৈছে। মেক্সিক'ৰ ওহাকা নামৰ অঞ্চলটোৰ বহু গাঁৱৰ লোকে খাদী প্ৰস্তুত কৰি উলিয়াইছে। মাৰ্ক ব্ৰাউনে খাদীৰ বাবে মেক্সিক'ৰ ওহাকাৰ গাঁওবাসীক চিনাক্ত কৰি উলিয়াই আৰু তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰে। আৰু এতিয়া ওহাকা খাদী এটা ব্ৰেণ্ড হৈ পৰিছে।

**তীৰ্থযাত্ৰাৰ ঐতিহ্যঃ** তীৰ্থযাত্ৰাই ভাৰতক এডাল সাৰ্বজনীন সূত্ৰৰে বান্ধি ৰাখিছে। আমাৰ দেশত জনসাধাৰণে স্নানৰ সময়ত প্ৰায়েই পৱিত্ৰ বিশ্বাসেৰে কয় বা জপ কৰে একতাৰ এই মন্ত্ৰঃ

*গংগে চে যমুনে চৈইভে গোদাবৰী সৰস্বতী।*
*নৰ্মদে সিন্ধু কাবেৰী জলে আছমিন সান্নিধ্যিম*
*কুৰু*

একেদৰে, শিখসকলৰ পৱিত্ৰ ক্ষেত্ৰসমূহৰ ভিতৰত আছে 'নান্দেদ চাহিব' আৰু 'পাটনা চাহিব' গুৰুদ্বাৰ। আমাৰ শিখ গুৰুসকলেও তেওঁলোকৰ জীৱন আৰু মহৎ কৰ্মেৰে একতাৰ উদ্দীপনাকে সমৃদ্ধ কৰিছিল।

**বাল্মিকী জয়ন্তীঃ** মই মহৰ্ষি বাল্মিকীলৈ মোৰ প্ৰণাম জনাইছো আৰু এই বিশেষ উপলক্ষত দেশবাসীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। তেওঁ কেইবা নিযুত দৰিদ্ৰ আৰু দলিতৰ বাবে অজস্ৰ আশাৰ দীপ্তি... যিয়ে তেওঁলোকৰ মাজত আশা আৰু বিশ্বাস জগাই তুলিছিল।

**চৰ্দাৰ পেটেলক স্মৰণঃ** আমি চৰ্দাৰ পেটেলৰ ব্যক্তিত্ব সন্দৰ্ভত বহু বিশাল দৃষ্টিকোণ আলোচনা কৰিছো কিন্তু আপোনালোকে জানেনে তেওঁ যে অসামান্য হাস্য বোধেৰেও মনোৰম আছিল? বাপুৱে কৈছিল যে চৰ্দাৰ পেটেলৰ এই হাস্যৰসিকতাই তেওঁক ইমানেই হঁহুৱাইছিল যে তেওঁৰ পেট বিষাই গৈছিল। এয়া মাথো এবাৰেই নহয়, দিনটোত বহুবাৰ এনে হৈছিল। আমি ঐক্যবদ্ধ ভাৰতৰ বাবে তেওঁৰ প্ৰচেষ্টাৰ অৰ্থেও তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

**পেঞ্চিল গ্ৰামঃ** সমগ্ৰ দেশখনৰ শিশুহঁতে তেওঁলোকৰ হ'মৱৰ্ক বা নোটচ যুগুত কৰি থাকোতে পুলৱামাৰ জনসাধাৰণৰ কঠোৰ শ্ৰম সংপৃক্ত হৈ থাকে! কাশ্মীৰ উপত্যকাটোৱে পেঞ্চিল শ্লেট অৰ্থাৎ কাঠৰ আৱৰণটোৰ ৰাষ্ট্ৰীয় চাহিদাৰ প্ৰায় ৯০% পূৰণ কৰিছে। ইয়াৰ এটা বৃহৎ অংশ আহে পুলৱামাৰপৰা। পুলৱামাৰ অখুক পেঞ্চিল গ্ৰাম হিচাপে জনা যায়।

**কৃষিঃ** কৃষি খণ্ডটোত নতুন সম্ভাৱনাসমূহে যুৱ চামক ইয়াৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে। প্ৰযুক্তি-নিৰ্ভৰ সেৱাই ঝাৰখণ্ড আৰু মধ্য প্ৰদেশত কৃষিজাত পণ্যৰ হ'ম ডেলিভাৰী সম্ভৱ কৰি তুলিছে। আন এটা নতুন আৰম্ভণি হিচাপে, মহাৰাষ্ট্ৰৰ এটা কোম্পানীয়ে কৃষক ৰাইজলৈ বানচ আগবঢ়াই তেওঁলোকৰ অন্তৰ জয় কৰিছে।

কিউআৰ ক'ডটো স্কেনিং কৰি মন কী বাত শুনক

https://www.youtube.com/watch?time_continue=3&v=CECeMxOxt-Q&feature=emb_logo

সম্পাদক
কুলদীপ সিং ধাতৰালিয়া,
পিডিজি, পিআইবি, নতুন দিল্লী

পৰামৰ্শকাৰী সম্পাদক
বিনোদ কুমাৰ

পৰামৰ্শকাৰী সম্পাদক
সন্তোষ কুমাৰ

সহকাৰী পৰামৰ্শকাৰী সম্পাদক
শৰৎ কুমাৰ শৰ্মা

অলংকৰণ
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

প্ৰকাশন আৰু মুদ্ৰণ
সত্যেন্দ্ৰ প্ৰকাশ,
ডিজি, বিঅ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

মুদ্ৰণঃ
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

প্ৰকাশৰ স্থান
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং. . : DELASS/2020/78827

response-nis@pib.gov.in

# নিউ ইণ্ডিয়া সমাচাৰ

বছৰ ১, সংখ্যা ১০ | ১৬-৩০ নৱেম্বৰ, ২০২০

## সূচীপত্ৰ

» 1 সম্পাদকীয় » পৃষ্ঠা 02
» 2 মেইল বক্স » পৃষ্ঠা 03
» 3 সংক্ষিপ্ত সংবাদ » পৃষ্ঠা 04-05
» 4 বিশেষ প্ৰতিবেদনঃ সংবিধান দিৱস » পৃষ্ঠা 06-12
» 5 ক'ৰোনাৰ বিৰুদ্ধে যুঁজ » পৃষ্ঠা 13
» 6 বায়ু প্ৰদূষণঃ বাৰ্ষিক পুনৰাবৃত্তি » পৃষ্ঠা 14-16
» 7 ধ্বজাবাহী আঁচনিঃ প্ৰধান মন্ত্ৰী আৱাস যোজনা » পৃষ্ঠা 17-19
» 8 প্ৰচ্ছদ লেখাঃ অটল ইন'ভেশ্যন মিছন » পৃষ্ঠা 20-25
» 09 বিজ্ঞানঃ যুৱ মনক শিক্ষিত কৰি তোলা » পৃষ্ঠা 26-28
» 10 ব্যক্তিত্বঃ চি ভি ৰমণ » পৃষ্ঠা 29
» 11 গুজৰাটত প্ৰধানমন্ত্ৰীঃ ৰাষ্ট্ৰীয় একতা দিৱস » পৃষ্ঠা 30-31
» 12 সেউজ শক্তিঃ ইন্টাৰনেশ্যনেল ছ'লাৰ এলায়েন্স » পৃষ্ঠা 32-33
» 13 কেবিনেটৰ সিদ্ধান্তসমূহ » পৃষ্ঠা 34-35
» 14 যোগাত্মক দৃষ্টিকোণঃ পৰিৱৰ্তনশীল ভাৰত » পৃষ্ঠা 36

# সম্পাদকৰ মেজৰপৰা

*সাদৰ নমস্কাৰ,*

উদ্ভাৱন হৈছে উন্নয়নৰ আধাৰ আৰু নিউ ইণ্ডিয়া সমাচাৰৰ শেহতীয়া সংখ্যাটোত আমাৰ শিক্ষা ব্যৱস্থা, স্বভাৱ-প্ৰকৃতি আৰু চিন্তা প্ৰক্ৰিয়াত উদ্ভাৱনক এটা অংশ কৰি তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০১৪ ৰপৰা গ্ৰহণ কৰা পদক্ষেপসমূহ আমাৰ পাঠক সমাজৰ আগত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। এই সংখ্যাত উক্ত বিকাশৰ যাত্ৰা সম্পৰ্কীয় বিৱৰণসমূহৰ উপৰিও ২৬ নৱেম্বৰত ভাৰতে ষষ্ঠ সংবিধান দিৱস পালন কৰিবলৈ আগবঢ়াৰ সময়ত সংবিধান প্ৰণয়নৰ আঁৰৰ কাহিনীসমূহ ইয়াত অন্তৰ্ভুক্ত কৰা গৈছে।

প্ৰচ্ছদ লেখা অটল ইন'ভেশ্যন মিছনৰ জৰিয়তে এক নিযুত শিশুক 'আধুনিক উদ্ভাৱক' (Neoteric Innovators) হিচাপে কৰ্ষণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অটল ইন'ভেশ্যন মিছনে সমগ্ৰ ভাৰতৰ বিদ্যালয়সমূহত অটল টিংকাৰিং লেবৰেটৰী স্থাপন কৰি আছে।

সংবিধান দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে সংবিধানখনৰ প্ৰতি প্ৰদৰ্শন কৰা তেখেতৰ সন্মান আলোকচিত্ৰৰে উপস্থাপন কৰা হৈছে।

বিজ্ঞান সেতু সন্দৰ্ভত নিবন্ধত চৰকাৰখনৰ বিকাশ যাত্ৰাত নতুন উদ্ভাৱনসমূহে কিদৰে সহায় কৰি আছে আৰু কেনেকৈ কৃষি সৰ্ববৃহৎ হিতাধিকাৰী হৈ উঠিছে সেয়া অন্তৰ্ভুক্ত কৰা হৈছে।

বিশেষকৈ দিল্লী এনচিআৰ অঞ্চল আৰু ইয়াৰ চুবুৰীয়া ৰাজ্যকেইখনত শীতৰ আগমণৰ লগে-লগেই খাৰিফ শস্য চপোৱাৰ পাছত পৰি ৰোৱা শস্যৰ অৱশিষ্ট (পৰালী) জ্বলাই দিয়াৰ ফলত ক্ৰমবৰ্ধমান বায়ু প্ৰদূষণৰ সমস্যা ৰোধ কৰিবলৈ চৰকাৰখনে বহু পদক্ষেপ গ্ৰহণ কৰিছে। ইন্টাৰনেশ্যনেল ছ'লাৰ এলায়েন্সে স্বচ্ছ শক্তি সন্দৰ্ভত চৰকাৰখনৰ অংগীকাৰকে প্ৰতিফলিত কৰিছে আৰু এই লক্ষ্যৰে ভাৰতে কিদৰে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সৈতে আগবাঢ়িছে সেই কথাই কয়।

ধ্বজাবাহী আঁচনি প্ৰধান মন্ত্ৰী আৱাস যোজনাই সকলোৰে বাবে ঘৰৰ অৰ্থে চৰকাৰখনৰ অংগীকাৰৰ কথা কয়। জম্মু-কাশ্মীৰ আৰু কৃষি সন্দৰ্ভত কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তই সু শাসনৰ অৰ্থে চৰকাৰখনৰ প্ৰতিশ্ৰুতিৰ কথা কয়। ভাৰতৰ ইতিবাচক কথাসমূহৰ বিৱৰণ হৈছে নিয়মীয়া শিতান। এই সংখ্যাৰ ভাৰত ৰত্ন ছিৰিজক বিজ্ঞানী ডঃ চি ভি ৰমণেৰে সমৃদ্ধ কৰা হৈছে।

আপোনালোকে ইমেইলৰে আগবঢ়াই অহা উৎসাহজনক সহাঁৰিৰ জৰিয়তে অভিভূত হৈছো, সেয়ে এতিয়া আমি আপোনালোকৰ সঁহাৰিসমূহেৰে এটা নতুন শিতান আৰম্ভ কৰিছো। আপোনাৰ মতামত আৰু পৰামৰ্শৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

অনুগ্ৰহ কৰি আপোনাৰ সহাঁৰি প্ৰেৰণ কৰকঃ

ঠিকনা ঃ ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, দ্বিতীয় মহলা, সূচনা ভৱন, নতুন দিল্লী-১১০০০৩

ই-মেইল ঃ response-nis@pib.gov.in

আপোনাৰ আশিস লৈ

K S Dhatwalia

(কে এছ ধাতৱালিয়া)



# মেইল বক্স

ভিন্ন বিষয়ত বিস্তৃত ক'ভাৰেজৰ বাবে মই নিউ ইণ্ডিয়া সমাচাৰক ধন্যবাদ জনাইছো।

আলোচনীখনৰ পৃষ্ঠাসমূহত ক্লিককে ধৰি ষ্টাইল গঠনে পঠন অতিশয় উপভোগ্য কৰি তুলিছে। সূচীপত্ৰত, পাঠকক সংশ্লিষ্ট পৃষ্ঠাটোলৈ লৈ যাবলৈ অনুগ্ৰহ কৰি হাইপাৰলিংক আগবঢ়াব।

ইমেইলত ভাষাৰ নিৰ্বাচন মোৰ বাবে বিশেষ স্পষ্ট হোৱা নাছিল। ইয়াক ইংৰাজীত পঢ়িবলৈ মই বহুবাৰ ক্লিক কৰিবলগা হৈছিল। ভাল কাম কৰি যাওঁক।

বল ত্ৰিবেদী-হুষ্টন, টেক্সাচ আমেৰিকা- baltrivedi@gmail.com

নিউ ইণ্ডিয়া সমাচাৰ আৰু ভাৰতত হোৱা গুৰুত্বপূৰ্ণ উন্নয়নৰ বতৰা লাভ কৰি পৰম সন্তোষ পাইছো। মই সদায়েই এই আলোচনীখন জাপানস্থিত আমাৰ "ডিস্ক'ভাৰ ইণ্ডিয়া ক্লাব" (DIC)ৰ সদস্যসকলেৰে শ্বেয়াৰ কৰো। ভাৰত আৰু জাপানৰ মাজত সাংস্কৃতিক আৰু মানৱিক সম্পৰ্কৰ প্ৰোৎসাহনৰ অৰ্থে সাত বছৰ পূৰ্বে ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল। তদুপৰি যদি এতিয়ালৈকে এই আলোচনীখন জাপানস্থিত জাপান ইণ্ডিয়া এছ'ছিয়েশ্যনলৈ প্ৰেৰণ কৰা হোৱা নাই, তেন্তে প্ৰেৰণ কৰিবলৈ পৰামৰ্শ জনাওঁ। তেওঁলোকৰ ৱেবচাইট হৈছেঃ https://www.japan-india.com/english

rabindermalik@hotmail.com

ই বাৰুকৈয়ে এটা ভাল কাম আৰু নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখনিৰ প্ৰবন্ধসমূহ অতিশয় আকৰ্ষণীয় আৰু আমাৰ সকলোৰে বাবে তথ্যসমৃদ্ধ। অশেষ ধন্যবাদ।

savitapal97@gmail.com

মই আলোচনীখনৰ শেহতীয়া সংখ্যাটি অৰ্থাৎ ১ ৰপৰা ১৫ নৱেম্বৰ, ২০২০ সংখ্যাটি লাভ কৰিলো। এইখনি সুন্দৰ হৈছে আৰু ইয়াত এটা সৰু কলেবৰৰ ভিতৰত সৱিশেষ বৰ্ণনা কৰা হৈছে। সকলোবোৰ ক্ষেত্ৰ সামৰি ই হৈছে সুন্দৰ প্ৰকাশন। অনুগ্ৰহ কৰি একেই উদ্দম্যেৰে আলোচনীখনৰ যাত্ৰা অক্ষুণ্ণ ৰাখিব। মই স্বদেশহিতৈষী এই আলোচনীখনৰ উত্তৰোত্তৰ কামনা কৰিলো।


ritabrata446@gmail.com

মই তেলেংগানাৰ এছ ৰামকৃষ্ণ। মই নিউ ইণ্ডিয়া সমাচাৰ শেহতীয়া সংখ্যাৰপৰা পঢ়িবলৈ আৰম্ভ কৰিছো। এই সু-কৰ্মৰ বাবে মই আপোনাক অভিনন্দন জনাইছো। আপোনাৰ প্ৰচেষ্টাত এই পষেকীয়া আলোচনীখন অপূৰ্ব হৈ উঠিছে। ইয়াক আঞ্চলিক ভাষাসমূহতো প্ৰকাশ কৰাৰ বাবে ধন্যবাদ জনালো। আগন্তুক উৎসৱৰ বতৰত আপোনালোক সকলোলৈকে মই শুভেচ্ছা জনাইছো।

siddamramakrishna@gmail.com

## দুৰ্গম এলেকাৰ পথ যোগাযোগ ব্যৱস্থাৰ বিকাশ সাধন









কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দেশৰ পশ্চিমাঞ্চল, উত্তৰাঞ্চল আৰু উত্তৰ-পূবৰ পথ যোগাযোগ ব্যৱস্থাৰ বিকাশ সাধন কৰি ২০২০ৰ ১২ অক্টোবৰত ৪৪খন প্ৰধান স্থায়ী দলং দেশবাসীৰ নামত উচৰ্গা কৰে, যিবোৰ সামৰিক দিশৰ লগতে কৌশলগত দিশতো অতি গুৰুত্বপূৰ্ণ। ৩০ৰ পৰা ৪৮৪ মিটাৰ পৰ্যন্ত দীঘল এই দলংসমূহে সাধাৰণ জনতাৰ পৰিবহণ ব্যৱস্থা সুগম কৰাৰ লগতে তেওঁলোকৰ আশা-আকাংক্ষাসমূহো পূৰণ কৰিছে। সীমান্ত পথ সংস্থা (বিআৰঅ')ই নিৰ্মাণ কৰা এই দলংসমূহৰ ভিতৰত ১০খন জম্মু আৰু কাশ্মীৰসহ সাতখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত অৱস্থিত।

প্ৰতিৰক্ষা মন্ত্ৰীয়ে কৌশলগত দিশত গুৰুত্ব থকা অৰুণাচল প্ৰদেশৰ টাৱাঙৰ নেচিফু সুৰংগৰো আধাৰশিলা স্থাপন কৰে। জ'জিলা সুৰংগৰ নিৰ্মাণকাৰ্যও চলি আছে, যিটোৱে ড্ৰাছ আৰু কাৰ্গিল হৈ শ্ৰীনগৰ আৰু লেহৰ মাজত সকলো বতৰতে ব্যৱহাৰ উপযোগী যাতায়াত ব্যৱস্থাৰ সুবিধা প্ৰদান কৰিব।

২০২০ৰ ১৫ অক্টোবৰত প্ৰথমে শিলৰ বিস্ফোৰণৰ কাম আৰম্ভ কৰা হয়। ১৪.১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সুৰংগৰ কাম সম্পূৰ্ণ হ'লে জ'জিলা পাছ অতিক্ৰম কৰিবলৈ বৰ্তমানৰ ৩.৫ ঘণ্টাৰ পৰিৱৰ্তে কেৱল ১৫ মিনিটৰ প্ৰয়োজন হ'ব।

## পানী পৰীক্ষণৰ অভিনৱ সমাধানঃ বাহনত পৰীক্ষাগাৰ



জনস্বাস্থ্যৰ বাবে পৰিস্কাৰ আৰু বিশুদ্ধ পানী যোগান ধৰাটো গুৰুত্বপূৰ্ণ, যাৰবাবে নিয়মীয়াকৈ পৰীক্ষা কৰাটো অনিবাৰ্য। সেয়েহে, জল জীৱন মিচনত পানীৰ গুণাগুণ পৰীক্ষণ আৰু নিৰীক্ষণ কৰাটো স্বাভাৱিক আৰু অবিচ্ছেদ্য উপাদান। এই লক্ষ্যত উপনীত হোৱাৰ লক্ষ্যৰে হাৰিয়ানা চৰকাৰে বিশ্লেষক, ছেন্সৰ, সূক্ষ্ম নিৰীক্ষণ সজুঁলিৰে সমৃদ্ধ পানী পৰীক্ষণৰ এক অত্যাধুনিক ভ্ৰাম্যমান পানী পৰীক্ষণ পৰীক্ষাগাৰ বাহনৰ শুভাৰম্ভ কৰিছে। হাৰিয়ানাৰ পানীত সম্পূৰ্ণ দ্ৰবীভূত গোটা পদাৰ্থযুক্ত (টিডিএছ), ফ্ল'ৰাইড, নাইট্ৰেট, লো আৰু ক্ষাৰকীয় গুণৰ সমস্যা আছে। এই পৰীক্ষাগাৰটো অৱস্থান চিনাক্তকৰণ কৰিবপৰা জিপিএছৰে সমৃদ্ধ। ই সম্পূৰ্ণ স্বয়ংক্ৰিয়, ইয়াৰ চেন্সৰভিত্তিক বিশ্লেষকক কেন্দ্ৰীয় কামাণ্ড ছফটৱেৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। এই বিশ্লেষণৰ ফলাফল লগে লগে বাহনখনত লগাই ৰখা এলইডি পেনেলত প্ৰতিফলিত হয়।

## চৰকাৰ-ছুইগিয়ে অলনাইন ব্যৱস্থাৰে সামৰি ল’ব পদপথৰ বিক্ৰেতাক



প্ৰধানমন্ত্ৰী পদপথৰ ব্যৱসায়ী আত্মনিৰ্ভৰ নিধি (পিএম স্বনিধি)ৰ অংশ হিচাপে গৃহ আৰু নগৰ পৰিক্ৰমা (এমঅ’এইচইউএ) মন্ত্ৰালয়ে ভাৰতৰ আগশাৰীৰ খাদ্য অৰ্ডাৰ তথা ডেলিভাৰী প্লেটফৰ্ম ছুইগিৰ সৈতে এক বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ জৰিয়তে পদপথৰ দোকানীসকলক ই-বাণিজ্যৰ মঞ্চলৈ অনাৰ লগতে তেওঁলোক অলনাইনযোগে হাজাৰ হাজাৰ উপভোক্তা প্ৰদান কৰিব আৰু তেওঁলোকৰ ব্যৱসায়ৰ বিকাশত সহায় কৰিব। এই প্ৰচেষ্টাৰ লক্ষ্য হৈছে ৫০লাখতকৈ অধিক পদপথৰ দোকানীক চলিত ক’ভিড-১৯ মহামাৰীৰ সময়ত ব্যৱসায় কৰাত সহায় কৰা, কিয়নো এই সংক্ৰমণ প্ৰতিৰোধৰ মূল অস্ত্ৰই হৈছে শাৰীৰিক দূৰত্ব বজাই ৰখা। ইয়াৰ আৰম্ভণি হিচাপে এমঅ’এইচইউএ আৰু ছুইগিয়ে পাঁচখন চহৰ ক্ৰমে- আহমেদাবাদ, চেন্নাই, দিল্লী, ইন্দোৰ আৰু বাৰাণসীত পৰীক্ষামূলকভাৱে ২৫০গৰাকী দোকানী এই কাৰ্যসূচীৰে সামৰি ল’ব। পদপথৰ দোকানীসকলেও পান (PAN) আৰু এফএছএছএআই পঞ্জীয়ন, প্ৰযুক্তি/সহযোগী এপৰ ব্যৱহাৰ, মেনু ডিজিটাইজেচন আৰু মূল্য নিৰূপণ, স্বাস্থ্যসন্মত বিধি আৰু পেকেজিঙৰ দৰে বিষয়ত প্ৰশিক্ষণ লাভ কৰাত সহায় হ’ব।

### চামৰা সামগ্ৰী প্ৰস্তুতকাৰীসকলৰ বাবে এপ মুকলি

চামৰা খণ্ডৰ দক্ষতা পৰিষদে (এলএছএছচি) ইয়াৰ অধীনস্থ সকলো সেৱাৰ ক্ষেত্ৰত সংহত মান নিশ্চিতিৰ একক মঞ্চ প্ৰদানৰ লক্ষ্যৰে চামৰা সামগ্ৰী প্ৰস্তুত কৰা কৰ্মচাৰীৰ বাবে দক্ষতা প্ৰামাণিকৰণ মূল্যায়ন (স্কেল) ইণ্ডিয়া এনড্ৰইড এপৰ আৰম্ভ কৰা বুলি ঘোষণা কৰিছে। এই ব্যতিক্ৰমী প্ৰচেষ্টাৰ লক্ষ্য হৈছে দক্ষতা, শিক্ষণ, মূল্যায়ন আৰু চামৰা আৰু চামৰা সামগ্ৰী প্ৰস্তুত কৰা উদ্যোগৰ কৰ্মচাৰীৰ প্ৰয়োজনীয়তা ইত্যাদি সকলোৰে একমাত্ৰ সমাধান দিয়া।

## জিকেআৰএঃ সুনিশ্চিত উপাৰ্জন, গাঁৱৰ উন্নয়ন




ক’ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত দেশৰ ৬খন ৰাজ্যৰ ১১৬খন জিলাৰ গাঁৱলৈ ঘূৰি অহা প্ৰব্ৰজিত শ্ৰমিক আৰু অন্যান্য প্ৰভাৱিত নাগৰিকসকলৰ বাবে সংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে গৰীৱ কল্যাণ ৰোজগাৰ অভিযান (জিকেআৰএ)ৰ শুভাৰম্ভ কৰা হয়। এই প্ৰকল্পৰ অধীনত ১৫ অক্টোবৰলৈকে ৩৩ কোটি মানৱদিন কৰ্মসংস্থাপনৰ বাবে ৩৩,০০০ কোটি টকা ব্যয় কৰা হয়। ইয়াৰ অধীনত প্ৰায় ১,৪০,০০০টা পানী সংৰক্ষণ আন্তঃগাঁথনি, ৪,৩১,৬৪০টা গ্ৰামীণ আৱাস, ৩৮,২৮৭টা গোঁহালি, ২৬,৪৫৯টা পুখুৰী আৰু ১৭,৯৩৫টা সমূহীয়া অনাময় চৌহদৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হয়। ইয়াৰে ভিতৰত মুঠ ৭,৮১৬টা কাম জিলা খনি পুঁজিৰ জৰিয়তে, ২,১২৩খন গাঁও পঞ্চায়তত ইণ্টাৰনেট সংযোগ আৰু ২২,৫৯২টা কাম গোটা আৰু জুলীয়া আৱৰ্জনা ব্যৱস্থাপনাৰ কামো হাতত লোৱা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে ৬৫,৩৭৪গৰাকী ব্যক্তিক দক্ষতাৰ প্ৰশিক্ষণো প্ৰদান কৰা হয়।

## চাকৰিৰ সাক্ষাৎকাৰ বিলুপ্তিকৰণ

২০১৬ চনত দেশত ২৩খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয় শাসিত অঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰুপ ‘বি’(নন-গেজেটেড) আৰু গ্ৰুপ ‘চি’ পদৰ সাক্ষাৎকাৰ বিলুপ্ত কৰা হৈছে। ২০১৫ চনৰ ১৫ আগষ্টত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাক্ষাৎকাৰ বিলুপ্ত কৰাৰ লগতে কেৱল লিখিত পৰীক্ষাৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰিবলৈ পৰামৰ্শ দিছিল। প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ তাৎক্ষণিকভাৱে অনুসৰণ কৰি কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে তিনিমাহৰ ভিতৰতে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ নিযুক্তিৰ ক্ষেত্ৰত সাক্ষাৎকাৰ বিলুপ্তিকৰণৰ কাম সম্পূৰ্ণ কৰে। ■

# সংবিধানঃ ভাৰতৰ পবিত্ৰ গ্ৰন্থ

আমি ভাৰতবাসীয়ে ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান গ্ৰহণ কৰিছিলো। এই তাৰিখটো দেশৰ বাবে গুৰুত্বপূৰ্ণ হ'লেও ২০১৫ চনতহে চৰকাৰে ২৬ নৱেম্বৰৰ দিনটো প্ৰতিবছৰে আমাৰ সংবিধানৰ মুখ্য খনিকৰ, বাবা চাহেব ভীমৰাও আম্বেদকাৰৰ ১২৫সংখ্য জন্ম বাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই 'সংবিধান দিৱস' হিচাপে উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে।




তাত্বিকভাৱে চাবলৈ হ'লে এখন সংবিধান হৈছে মৌলিক নীতিৰ এক প্ৰয়োজনীয় ব্যৱস্থা, যি দেশৰ চৰকাৰক মাৰ্গদৰ্শন কৰে। ই ইয়াৰ নাগৰিকসকলৰ অধিকাৰ আৰু মৰ্যদা সুনিশ্চিত কৰাৰ লগতে দেশৰ একতা বজাই ৰাখে। প্ৰতিখন দেশৰ বাবে সংবিধানেই হ'ল আত্মা। ভাৰতৰ বাবে ই সৰ্বাধিক গুৰুত্বপূৰ্ণ, কিয়নো ই দেশৰ ৰীতি নীতিৰ প্ৰতীক, যি আমাৰ মুক্তি যুঁজাৰুসকলক দেশৰ স্বাধীনতা যুঁজত মাৰ্গদৰ্শন কৰে। এই সংবিধান প্ৰস্তুতকৰ্তাসকলৰ জ্ঞানসমৃদ্ধ ভাৰতীয় সংবিধানে চৰকাৰৰ বিবেক ৰক্ষক হোৱাৰ লগতে দেশৰ গণতান্ত্ৰিক সাজৰ সুৰক্ষা প্ৰদান কৰে। ভাৰতীয় সংবিধান ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গ্ৰহণ কৰা হয় আৰু ইয়াৰে কেতবোৰ ব্যৱস্থা তাৎক্ষণিকভাৱে কাৰ্যকৰী হয় যদিও বাকীবোৰ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী হয়। প্ৰতি বছৰে দেশত ১৫ আগষ্ট (স্বাধীনতা দিৱস) আৰু ২৬ জানুৱাৰী (গণৰাজ্য দিৱস)ৰ ধুমধামেৰে পালন কৰা হয়। কিন্তু ২৬ নৱেম্বৰৰ দিনটো সামূহিকভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্ব দিয়া হোৱা নাছিল। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিনটোক নতুন মাত্ৰা প্ৰদান কৰি ইয়াৰ উদযাপনৰ সিদ্ধান্ত লয়। ইয়াৰ অন্তৰালত থকা উদ্দেশ্যও

অতি সহজ-সেয়া হৈছে নৱ প্ৰজন্মক সংবিধানৰ প্ৰতি সজাগ কৰাৰ লগতে তেওঁলোকক ভালদৰে বুজি পোৱাত সহজ কৰি তোলা, যাতে তেওঁলোকে এখন নতুন ভাৰত গঢ়াত বৰঙণি যোগাব পাৰে। সংবিধানৰ প্ৰধান খনিকৰ বাবা চাহেব আম্বেদকাৰৰ ১২৫সংখ্যক জন্ম বাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈকে এই সিদ্ধান্ত লোৱা হয়। নৰেন্দ্ৰ মোদীয়ে কয় যে ড০ আম্বেদকাৰে সংবিধানৰ খচৰা সমিতিৰ অধ্যক্ষ হিচাপে ভাৰতীয় সংবিধান ৰচনা কৰাত এক মৌলিক ভূমিকা পালন কৰিছিল। তেওঁ লগতে কয় যে ২৬ নৱেম্বৰৰ দিনটো উদযাপন কৰা মানে ২৬ জানুৱাৰীৰ গুৰুত্ব কমি যোৱাটোক নুবুজায়। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ দৰে এখন বৈচিত্ৰপূৰ্ণ দেশত জনসাধাৰণক সংবিধানৰ বিষয়ে সজাগ কৰি তোলাটো অতি গুৰুত্বপূৰ্ণ। ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে পালন কৰাটোৱে কেন্দ্ৰীয় চৰকাৰৰ সেই ভাৱনাকে প্ৰতিফলিত কৰে বুলি সদৰি কৰি




*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ৰ ১১ অক্টোবৰত আয়োজিত অনুষ্ঠানত প্ৰতি বছৰৰ ২৬ জানুৱাৰীৰ দিনটো সংবিধান দিৱস হিচাপে উদযাপন কৰাৰ সন্দৰ্ভত ঘোষণা কৰিছিল।*

## এক পচন্দৰ বাছনি

ভাৰতীয় সংবিধান বহু দেশৰ সংবিধানৰ সহায় লৈ বনোৱা হৈছে যদিও ইয়াত ভাৰতৰ বাবে এলানি ব্যতিক্ৰমী আইন সন্নিৱিষ্ট কৰা হৈছে। সংবিধান নিৰ্মাতাসকলে ভাৰতৰ বাবে উপযোগী হোৱাকৈ ৬০খনতকৈ অধিক দেশৰ সংবিধান অধ্যয়ণ কৰিছিল। ভাৰতৰ চৰকাৰ আইন, ১৯৩৫ৰ মৌলিক গাঁথনি অক্ষুণ্ণ ৰাখি ভাৰতীয় সংবিধানে ব্ৰিটেইন, আয়াৰলেণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ, দক্ষিণ আফ্ৰিকা, কানাডা, ফ্ৰান্স, অষ্ট্ৰেলিয়া, ৰাছিয়া, জাৰ্মানী আৰু জাপানৰ কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰে। এই ব্যৱস্থাবোৰৰ ভিতৰত যুক্তৰাষ্ট্ৰীয় আন্তঃগাঁথনি, ৰাজ্যপালৰ কাৰ্যালয়, ন্যায়পালিকা, লোকসেৱা আয়োগ, জৰুৰী অৱস্থা, প্ৰশাসনিক বিৱৰণ ভাৰত চৰকাৰ আইন, ১৯৩৫ৰ পৰা লোৱা হৈছে। প্ৰস্তাৱনাত উল্লেখিত গণৰাজ্য, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধৰ ধাৰণা ফ্ৰান্সৰ সংবিধানৰ পৰা লোৱা হৈছে। প্ৰস্তাৱনাৰ ভাষা অষ্ট্ৰেলিয়াৰ সংবিধান আৰু প্ৰস্তাৱনাৰ ধৰণ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা গ্ৰহণ কৰা হৈছে।

**কিহে ইয়াক পৃথক কৰেঃ** ভাৰতীয় সংবিধানে সকলোকে সমতা প্ৰদান কৰাৰ লগতে আইনী দৃষ্টিটো সকলো সমান। এই সংবিধানে দুৰ্বল বা পীড়িত, পিছপৰা বা বঞ্চিত প্ৰতিগৰাকী নাগৰিকৰ মৌলিক অধিকাৰ সুনিশ্চিত কৰে। ই প্ৰতিগৰাকী ব্যক্তিৰ মৌলিক অধিকাৰক সুৰক্ষা দিয়াৰ লগতে তেওঁলোকৰ স্বাৰ্থও সুৰক্ষিত কৰে।

**সংশোধনীৰ ব্যৱস্থাৱলীঃ** সংশোধনী ব্যৱস্থাই এখন সংবিধানক অধিক শিথিল কৰে। সংবিধান নিৰ্মাতাসকলে জানিছিল যে পৰিৱৰ্তিত সময়ত এই সংবিধানৰ সংশোধনৰ প্ৰয়োজন হ'ব। সেইবাবে তেওঁলোকে এক বিস্তৃত সংশোধনী পদ্ধতি প্ৰদান কৰি এই কথা সুনিশ্চিত কৰে যে শাসকসকলে ইচ্ছানুসৰি ইয়াৰ সংশোধন কৰিব নোৱাৰে। শেহতীয়াভাৱে ২০২০ৰ জানুৱাৰীসহ বৰ্তমানলৈকে এই সংবিধানখন ১০৪বাৰ সংশোধন কৰা হৈছে।



## সংবিধান সভাৰ সমিতিসমূহ

বিভিন্ন বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংবিধান সভাৰ ১৭খন পৃথক সমিতি গঠন কৰা হয়। সেই তালিকাসমূহ হৈছে এনেধৰণৰ-

| সমিতিৰ নাম | অধ্যক্ষ |
|---|---|
| পদ্ধতিৰ নিয়মক লৈ সমিতি | ৰাজেন্দ্ৰ প্ৰসাদ |
| তদৰ্থ সমিতি | ৰাজেন্দ্ৰ প্ৰসাদ |
| বিত্ত আৰু কৰ্মী সমিতি | ৰাজেন্দ্ৰ প্ৰসাদ |
| ক্ৰেডেন্সিয়েল কমিটী | আল্লাডী কৃষ্ণস্বামী আয়াৰ |
| হাউছ কমিটী | বি.. পাট্টাভী সীতাৰামায়া |
| অৰ্ডাৰ অৱ বিজিনেছ কমিটী | কে. এম. মুন্সি |
| ৰাষ্ট্ৰীয় পতাকাৰ সন্দৰ্ভত তদৰ্থক সমিতি | ৰাজেন্দ্ৰ প্ৰসাদ |
| সংবিধান সভাৰ কাম-কাজ সম্পৰ্কীয় সমিতি | জি.ভি.মালৱাংকাৰ |
| ৰাজ্যিক সমিতি | জৱাহৰলাল নেহৰু |
| মৌলিক অধিকাৰ, সংখ্যালঘু আৰু জনজাতি তথা বহিৰ্ভূত এলেকাৰ উপদেষ্টা সমিতি | বল্লভভাই পেটেল |
| সংখ্যালঘু উপ-সমিতি | এইচ. চি মুখাৰ্জী |
| মৌলিক অধিকাৰ উপ-সমিতি | জে. বি. কৃপালানী |
| উত্তৰ-পূব সীমান্ত জনজাতি এলেকা আৰু অসম বহিৰ্ভূত তথা আংশিকভাৱে বৰ্হিভূত এলেকাৰ উপ-সমিতি | গোপীনাথ বৰদলৈ |
| বহিৰ্ভূত আৰু আংশিকভাৱে বহিৰ্ভূত এলেকাশ্চঅসমক বাদ দিগ্নৰ উপ-সমিতি | এ.ভি. থাহ্লাৰ |
| কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতি | জৱাহৰলাল নেহৰু |
| কেন্দ্ৰীয় সংবিধান সমিতি | জৱাহৰলাল নেহৰু |
| খচৰা সমিতি | বি.আৰ আম্বেদকাৰ |

তেওঁ কয় যে এই ধাৰণা সময়ৰ লগে লগে বিকশিত হ'ব। স্বাধীনতাৰ পাছত যেতিয়া কোটি কোটি লোকে নতুন আশাৰে আগবাঢ়ি যোৱাৰ সপোন দেখিছিল আৰু সেই সময়ৰ প্ৰতিকূল পৰিস্থিতিটো তেওঁলোকৰ মনোভাৱ দৃঢ় আছিল, তেনে অৱস্থাত সকলোৰে গ্ৰহণযোগ্য এখন সংবিধান প্ৰদান কৰাটো সহজ কাম নাছিল। যিখন দেশত ১২টাতকৈ অধিক ধৰ্ম আছে, শতাধিক ভাষা আছে আৰু ১,৭০০তকৈ অধিক উপভাষা আছে, য'ত নগৰ আৰু চহৰৰ উপৰি বনতো নিজৰ বিশ্বাসেৰে বসবাস কৰে, এই সকলোকে একেখন মঞ্চলৈ অনাটো আৰু তেওঁলোকৰ বিশ্বাসক সন্মান জনাই এই ঐতিহাসিক দলিল প্ৰস্তুত কৰাটো ইমান সহজ কাম নহয়," ২০১৭ৰ ২৬ নৱেম্বৰত প্ৰধানমন্ত্ৰীয়ে এইদৰে কৈছিল। সংবিধানখন গ্ৰহণ আৰু কাৰ্যকৰী কৰাৰ পূৰ্বে, ভাৰতত ব্ৰিটেইনৰ সংসদত গৃহীত ভাৰতৰ চৰকাৰ আইন, ১৯৩৫ৰ অধীনত শাসন চলিছিল।

### ভাৰতৰ সংবিধান সভা

কেবিনেট মিচন প্লেনৰ পৰামৰ্শ অনুসৰি প্ৰদেশ বিধানসভাৰ সদস্যসকলে পৰোক্ষ নিৰ্বাচনৰ জৰিয়তে বাছনি কৰা ৩৮৯গৰাকী সদস্যৰে ১৯৪৬ চনৰ ৯ ডিচেম্বৰত সংবিধান সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল। ১৯৪৬ চনৰ ১১ ডিচেম্বৰত ড০ ৰাজেন্দ্ৰ প্ৰসাদক সংবিধান সভাৰ সভাপতি আৰু হৰেন্দ্ৰ চন্দ্ৰ মুখাৰ্জীক উপ-সভাপতি হিচাপে নিযুক্তি দিয়া হয়। ১৯৪৭ চনৰ ৩ জুনৰ মাউণ্টবেটেন প্লেনৰ অধীনত পাকিস্তানৰ বাবে এখন পৃথক সংবিধান সভা গঠন কৰা হয়। সেইদৰে একাংশ প্ৰদেশৰ প্ৰতিনিধি সংবিধান সভাত সদস্য হোৱাৰ পথ বন্ধ হয়।

ইয়াৰ ফলত, সভাৰ সদস্যপদ ২৯৯ লৈ হ্ৰাস কৰা হৈছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হৈছিল। আৰু সেইদিনাৰে পৰা এই সভাৰ অস্তিত্ব স্থগিত ৰখা হৈছিল, ১৯৫২ চনত নতুন সংসদ গঠন



## সংবিধান সভাৰ অধিৱেশনসমূহ

প্ৰথম অধিৱেশন — ডিচেম্বৰ ৯-২৩, ১৯৪৬
দ্বিতীয় অধিৱেশন — জানুৱাৰী ২০-২৫, ১৯৪৭
তৃতীয় অধিৱেশন — ২৮ এপ্ৰিল — ২ মে', ১৯৪৭
চতুৰ্থ অধিৱেশন — ১৪ জুলাই — ৩১ জুলাই, ১৯৪৭
পঞ্চম অধিৱেশন — ১৪ আগষ্ট — ৩০ আগষ্ট, ১৯৪৭
ষষ্ঠ অধিৱেশন — ২৭ জানুৱাৰী, ১৯৪৮
সপ্তম অধিৱেশন — ৪ নৱেম্বৰ, ১৯৪৮ — ৮ জানুৱাৰী, ১৯৪৯
অষ্টম অধিৱেশন — ১৬ মে' — ১৬ জুন, ১৯৪৯
নৱম অধিৱেশন — ৩০ জুলাই — ১৮ ছেপ্তেম্বৰ, ১৯৪৯
দশম অধিৱেশন — ৬ অক্টোবৰ — ১৭ অক্টোবৰ, ১৯৪৯
একাদশ অধিৱেশন — ১৪ নৱেম্বৰ — ২৬ নৱেম্বৰ, ১৯৪৯

## বিশ্বৰ দীৰ্ঘতম সংবিধান

ভাৰতীয় সংবিধান হৈছে বিশ্বৰ যিকোনো সাৰ্বভৌম দেশৰ ভিতৰতে আটাইতকৈ দীঘল সংবিধান। ইয়াত বৰ্তমান এটা প্ৰস্তাৱনা, ২২ টা অংশৰে ৩৯৫ টা অনুচ্ছেদ, ১২ টা অনুসূচী, চাৰিটা পৰিশিষ্ট আৰু ১০৪ টা সংশোধন আছে।

“স্বাধীনতাৰ পিছত যেতিয়া কোটি কোটি লোকে নতুন প্ৰত্যাশাৰে আগবাঢ়ি যোৱাৰ স্বপ্ন ৰচিছিল আৰু সেই সময়ত বিৰূপ পৰিস্থিতি চলি থকা স্বত্বেও তেওঁলোকৰ নতুন আশা আৰু উচ্চ স্পৃহা আছিল, আৰু সেই সময়ত ভাৰতীয় সংবিধানখনক সকলোৰে বাবে গ্ৰহণযোগ্য কৰি তোলাটো সহজ কাম নাছিল।”

২৬ নৱেম্বৰ, ২০১৭ ত কয় প্ৰধানমন্ত্ৰীয়ে

## সংবিধান সভাত মহিলা

বিশ্বৰ বহু প্ৰান্তত মহিলাসকলক মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ সময়তে ভাৰতীয় সংবিধান প্ৰস্তুত কৰা হৈছিল। মুঠ ১৫ গৰাকী মহিলা আছিল সংবিধান সভাৰ অংশ, যাৰ ভিতৰত আছে সৰোজিনী নাইডু, ৰাজকুমাৰী অমৰিত কৌৰ, হাঞ্চাবেন জিভৰাজ মেহতা, সুচেতা কৃপালানী আৰু জি. দুৰ্গাবাঈ।

নোহোৱালৈকে ইয়াক ভাৰতৰ অস্থায়ী সংসদলৈ ৰূপান্তৰিত কৰা হৈছিল।

### বিশ্বৰ দীৰ্ঘতম সংবিধানৰ প্ৰস্তুতি

১৯৪৬ চনৰ ৯ ডিচেম্বৰত নতুন দিল্লীত প্ৰথমবাৰ সংবিধান সভা অনুষ্ঠিত হৈছিল, যাক এতিয়া সংসদ গৃহৰ চেণ্ট্ৰেল হল বুলি কোৱা হয়। সংবিধান সভাই প্ৰায় তিনি বছৰ সময় লৈছিল - দুই বছৰ, এঘাৰ মাহ আৰু সোতৰ দিন – স্বাধীন ভাৰতৰ বাবে সংবিধান প্ৰস্তুত কৰাৰ ঐতিহাসিক কাম সম্পূৰ্ণ কৰিবলৈ এই সময় লোৱা হৈছিল। এই সময়ছোৱাত, মুঠ ১৬৫ দিন সামৰি এঘাৰটা অধিৱেশন অনুষ্ঠিত কৰিছিল। ১৯৪৬ চনৰ ১৩ ডিচেম্বৰত, ১৯৪৭ চনৰ ২২ জানুৱাৰীত সংবিধান সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা উদ্দেশ্য সংকল্পটো পণ্ডিত জৱাহৰলাল নেহৰুৱে আগবঢ়ায় নিয়ে। ১৯৪৭ চনৰ ১৪ আগষ্টৰ সন্ধিয়া সংবিধান সভাগৃহত সভা অনুষ্ঠিত হয় আৰু মাজনিশা স্বাধীন ভাৰতৰ বিধানসভা হিচাপে অধিকাৰ গ্ৰহণ কৰে। ১৯৪৭ চনৰ ২৯ আগষ্টত, সংবিধান সভাই ভাৰতৰ বাবে সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ বাবে ড. বি.আৰ. আম্বেদকাৰৰ অধ্যক্ষতাত এখন খচৰা সমিতি স্থাপন গঠন কৰি দিয়ে। ১৯৪৮ চনৰ ৪ জানুৱাৰীত প্ৰথম খচৰা সাজু হয়। সংবিধানৰ খচৰা আলোচনা কৰোতে, বিধানসভাই মুঠ ৭,৬৩৫ টা সংশোধনৰ ভিতৰত ২,৪৭৩ টা সংশোধন উত্থাপন কৰে, আলোচনা কৰে আৰু নিষ্পত্তি কৰে।

ভাৰতৰ সংবিধান ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গ্ৰহণ কৰা হৈছিল আৰু সদস্যসকলে ১৯৫০ চনৰ ২৪ জানুৱাৰীত ইয়াৰ সৈতে তেওঁলোকৰ স্বাক্ষৰ যোগ দিয়ে। মুঠতে, ২৮৪ জন সদস্যই প্ৰকৃততে সংবিধানত স্বাক্ষৰ কৰিছিল।

এখন হাতেলিখা নথি — : ভাৰতৰ সংবিধানৰ প্ৰথম প্ৰতিলিপিটো হাতেলিখা আছিল। কলিগ্ৰাফাৰ প্ৰেম




*২০১০ চনৰ, ২৬ নৱেম্বৰত গুজৰাটৰ তদানীন্তন মুখ্যমন্ত্ৰী তথা এতিয়াৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাতীৰ পিঠিত সংবিধানৰ প্ৰতিলিপি ৰাখি এক শোভাযাত্ৰা উলিয়াইছিল। এই সমগ্ৰ যাত্ৰাত তেওঁ শোভাযাত্ৰাৰ সমুখত থাকি খোজ কাঢ়িছিল।*

## সংবিধানৰ প্ৰেৰণাৰে উজ্জীৱিত হৈ দেশৰ নাগৰিক, প্ৰশাসন সকলোৱেই একত্ৰিত হৈ আগবাঢ়ি যাব লাগিব

২৬ নৱেম্বৰ, ২০১৭ ত প্ৰধানমন্ত্ৰীয়ে মন কী বাত কাৰ্যসূচীত কয় যে প্ৰতিজন নাগৰিকৰে কৰ্তব্য হৈছে যে তেওঁলোকে সংবিধানখনৰ প্ৰতিটো আখৰ আত্মিকতাৰে পালন কৰিব লাগিব। "নাগৰিক আৰু প্ৰশাসকসকলে আমাৰ সংবিধানৰ প্ৰেৰণাৰে উজ্জীৱিত হৈ আগবাঢ়িব লাগিব। আমাৰ সংবিধানে যি বাৰ্তা প্ৰদান কৰে সেইটো হৈছে যে কাৰো কোনো প্ৰকাৰে ক্ষতি কৰিব নালাগে।"

প্ৰধানমন্ত্ৰীয়ে কয়, "সংবিধান দিৱসত বাবাচাহেব আম্বেদকাৰক মনত ৰখাটো স্বাভাৱিক।" একেদিনাই এক পৃথক অনুষ্ঠানতো তেওঁ কয়- "সময়ৰ দাবী যে আমি সকলোকে পৰস্পৰে শক্তিশালী কৰিব লাগে। এটা প্ৰতিষ্ঠানে আনটোৰ প্ৰয়োজনীয়তা বুজিবলৈ আৰু ইয়াৰ সন্মুখীন হোৱা প্ৰত্যাহ্বানবোৰ বুজিবলৈ সক্ষম হ'ব লাগে। যেতিয়া এই তিনিটা প্ৰতিষ্ঠানে (এক্সিকিউটিভ, জুডিচিয়েৰী আৰু লেজিছলেচাৰ) সংবিধানত সন্নিৱিষ্ট কৰা তেওঁলোকৰ দায়িত্বৰ ওপৰত গুৰুত্ব দিব, কেৱল তেতিয়াহে, তেওঁলোকে নাগৰিকসকলক সঠিকভাৱে ক'ব পাৰিব যে অনুগ্ৰহ কৰি দেশৰ প্ৰতি থকা আপোনাৰ দায়িত্ব পালন কৰক আৰু মই কিয় চিন্তা কৰা দৰকাৰ তেনেধৰণৰ মানসিকতাৰ পৰিৱৰ্তে প্ৰত্যাশা অনুযায়ী সমাজ আৰু দেশৰ কথা চিন্তা কৰক।"


বেহাৰী নাৰায়ণ ৰায়জাদাই ফ্লোৰিং ইটালিক শৈলীত ইংৰাজী সংস্কৰণটো প্ৰস্তুত কৰিছিল, আনহাতে বসন্ত কৃষ্ণ বৈদ্যই হিন্দী প্ৰতিলিপিটো প্ৰস্তুত কৰিছিল। পশ্চিম বংগৰ শান্তি নিকেতনৰ কলা ভৱনৰ শিল্পী নন্দলাল বোস আৰু তেওঁৰ দলে ইলাষ্ট্ৰেশ্যনৰ কামবোৰ কৰিছিল। ভাৰতীয় সংবিধানৰ মূল হিন্দী আৰু ইংৰাজী প্ৰতিলিপিবোৰ ভাৰতীয় সংসদৰ লাইব্ৰেৰীত বিশেষ হেলিয়াম ভৰ্তি কেছবোৰত ৰখা হয়। হাতেলিখা নথিৰ পৰা, দেৰাডুন হাথীবাৰকলা অঞ্চলত অৱস্থিত ছাৰ্ভে অৱ ইণ্ডিয়া (এছ.ও.আই.)ৰ নৰ্দাৰ্ণ প্ৰিণ্টিং গ্ৰুপৰ কাৰ্য্যালয়ত লিথোগ্ৰাফি প্ৰিণ্টিং ব্যৱহাৰ কৰি ১,০০০ কপি ছপা কৰা হৈছিল। প্ৰথম ছপা প্ৰতিলিপিটো হাৰ্ডবাউণ্ড আছিল আৰু সেয়া এতিয়াও নৰ্দাৰ্ণ প্ৰিণ্টিং ডিভিজনৰ এটা আলমাৰীত সুৰক্ষিতকৈ ৰখা হৈছে।

### কিয় সংবিধানখন ২৬ জানুৱাৰীত গৃহীত কৰা হৈছিল?

১৯২৯ চনৰ ৩ৰ ডিচেম্বৰত, কংগ্ৰেছে পূৰ্ণ স্বৰাজ সংকল্প গ্ৰহণ কৰে আৰু জনসাধাৰণক প্ৰতি বছৰে ২৬ জানুৱাৰীক স্বাধীনতা দিৱস হিচাপে উদযাপন কৰিবলৈ আহ্বান জনায়। স্বাধীনতাৰ পিছত, ১৯৫০ চনৰ ২৬ জানুৱাৰীত সংবিধান বলবৎ হ'ব বুলি সিদ্ধান্ত লোৱা হৈছিল।

### সংবিধান গৃহীত হোৱাৰ ৭০ তম বৰ্ষপূৰ্তি ২০১৯ ত পালন কৰিলে দেশে

ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭০ তম বৰ্ষপূৰ্তি দেশে পালন কৰিলে সংসদ ভৱনৰ চেণ্ট্ৰেল হলত, য'ত ১৯৪৯ চনত এই সংবিধান গৃহীত হৈছিল। সংবিধান দিৱসৰ দিনা পুৱা ১১.০০ বজাত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হয়। ■



“ যিসকলৰ বাবে ভাৰত তেওঁলোকৰ ঘৰ, তেওঁলোক, অৰ্থাৎ আমাৰ ভাৰতীয় মুছলমান, খ্ৰীষ্টান, ইহুদী, পাৰ্চি, আৰু অন্যান্য সকলোৰে বাবে এয়া অত্যন্ত জৰুৰী যে এখন উমৈহতীয়া পতাকাক আমি জীৱনে মৰণে স্বীকাৰ কৰি লওঁ। ”

- মহাত্মা গান্ধী

## ভাৰতীয় ত্ৰিৰংগ

# দেশৰ গৌৰৱ আৰু পৰিচয়



এখন দেশৰ জাতীয় পতাকা কেৱল ইয়াৰ পৰিচয়ৰ অংশ নহয়, ই দেশখনৰ স্বাধীনতাৰো প্ৰতীক। ভাৰতৰ বাবে, এই পতাকাখন মানুহৰ আশা, স্নেহ আৰু শক্তিৰ প্ৰতীক। ভাৰতৰ জাতীয় পতাকাখনক ত্ৰিবৰ্ণী (তিনিটা ৰং থকা) বুলিও জনা যায়, ভাৰতীয় পতাকাখন সত্য আৰু শান্তিৰ প্ৰতীক।

যিহেতু ভাৰতে সংৰিধান দিৱস উদযাপন কৰি আছে, এনে সময়তে এই ভাৰতীয় জাতীয় পতাকাখনৰ যাত্ৰাৰ ওপৰতো লক্ষ্য ৰখাটো আমাৰ বাবে গুৰুত্বপূৰ্ণ। ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা সংগ্ৰামত এই জাতীয় পতাকাখনেই এক গুৰুত্বপূৰ্ণ অস্ত্ৰ আছিল।

ভাৰতৰ জাতীয় পতাকাখনৰ বৰ্তমান ৰূপটো ১৯৪৭ চনৰ ২২ জুলাইত সংবিধান সভাই গ্ৰহণ কৰিছিল। ই ভাৰতৰ অধিৰাজ্যৰ ৰাষ্ট্ৰীয় পতাকা হিচাপে কাম কৰিছিল ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ২৬ জানুৱাৰী, ১৯৫০ লৈ আৰু তাৰ পিছত ভাৰত গণৰাজ্যৰ বাবে। ভাৰতীয় ৰাষ্ট্ৰীয় পতাকাখনে ভাৰতীয় লোকসকলৰ আশা - আকাংক্ষাক প্ৰতিনিধিত্ব কৰে। ই ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতীক, বিগত সাতটা দশক ধৰি, সশস্ত্ৰ বাহিনীৰ সদস্যসহ বহু লোকে এই পতাকাখনক সম্পূৰ্ণ গৌৰৱেৰে উন্নীত কৰি ৰখাৰ বাবে আপোচহীনভাৱে জীৱন বলিদান দিছে।

### ভাৰতীয় ৰাষ্ট্ৰীয় পতাকা

- ভাৰতীয় পতাকাখন হৈছে আয়তাকাৰ তথা ত্ৰিবৰ্ণী এখন পতাকা, য'ত ওপৰত গেৰুৱা, মাজত শুকুলা বা বগা আৰু সমান অনুপাতত তলত শ্যামল বা সেউজীয়া ৰং আছে। ইয়াৰে গেৰুৱা ৰঙে শক্তি আৰু সাহসক প্ৰতিনিধিত্ব কৰে, বগাই শান্তি আৰু সত্য, আনহাতে সেউজীয়াই ভূমিৰ উৰ্বৰতা, বিকাশ আৰু ভূমিৰ পৱিত্ৰতাক সূচায়।
- পতাকাখনৰ প্ৰস্থৰ অনুপাত হৈছে দৈৰ্ঘ্যৰ দুই তৃতীয়াংশ

## চক্ৰ

● বগা বেগুক কেন্দ্ৰ কৰি আছে ধৰ্ম চক্ৰ নামৰ এটা ২৪-দণ্ডৰ এটা আকাশী-নীলা চক্ৰ। অশোক স্তম্ভৰ লায়ন কেপিটেলৰ পৰা লোৱা এই "আইন চক্ৰ"ই হৈছে দেশৰ প্ৰগতিৰ প্ৰতীক। ইয়াৰ ব্যাস বগা বেগুৰ প্ৰস্থৰ সৈতে প্ৰায় সমান।

## পতাকাৰ কোড

● ২৬ জানুৱাৰী, ২০০২ তাৰিখে, স্বাধীনতাৰ প্ৰায় ৫৫ বছৰৰ পিছত ভাৰতীয় পতাকাৰ কোড সংশোধন কৰা হৈছিল, যি ভাৰতৰ লোকসকলক প্ৰতিদিনে তেওঁলোকৰ ঘৰ, কাৰ্য্যালয় আৰু কাৰখানাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ অনুমতি দিয়ে আৰু সেয়া কেৱল ৰাষ্ট্ৰীয় দিনত নহয়। এতিয়া ভাৰতীয়সকলে যিকোনো স্থান আৰু যিকোনো সময়তে গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শন কৰিব পাৰে, যেতিয়ালৈকে পতাকাৰ প্ৰতি যিকোনো অসন্মান পৰিহাৰ কৰিবলৈ পতাকা বিধিৰ বিধানবোৰ কঠোৰভাৱে অনুসৰণ কৰা হয়। সুবিধাৰ বাবে, ভাৰতৰ পতাকা কোড, ২০০২ ক তিনিটা ভাগত ভাগ কৰা হৈছে: কোডৰ অংশ ১-ত ৰাষ্ট্ৰীয় পতাকাৰ সাধাৰণ বিৱৰণ আছে; অংশ ২ ত ৰাজহুৱা, ব্যক্তিগত সংগঠন, শিক্ষা প্ৰতিষ্ঠান আদি সদস্যসকলৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শনৰ বাবে অনুমতি; আৰু সংহিতাৰ তৃতীয় অংশটো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ আৰু তেওঁলোকৰ সংগঠন আৰু সংস্থাৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শনৰ সৈতে সম্পৰ্কীয়।

## ত্ৰিবৰ্ণৰ বিস্তাৰ

স্বাধীনতাৰ সংগ্ৰামৰ সময়ত প্ৰথমবাৰৰ বাবে ভাৰতীয় জাতীয় পতাকা মুকলি কৰাৰ পিছৰে পৰা ভাৰতীয় জাতীয় পতাকাখনৰ বহু পৰিৱৰ্তন হৈছে। ভাৰতীয় জাতীয় পতাকাখনৰ কিছু ঐতিহাসিক পৰিৱৰ্তন তলত উল্লেখ কৰা ধৰণৰ -

● ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয় পতাকাখন ১৯০৬ চনৰ ৭ আগষ্টত কলকাতাৰ পাৰ্চি বগান স্কোৱেৰ (গ্ৰীণ পাৰ্ক) (এতিয়া কলকাতা) ত উত্তোলন কৰা হৈছিল। এই পতাকাত ৰঙা, হালধীয়া আৰু সেউজীয়াৰ তিনিটা পথালি পটি আছিল।

● দ্বিতীয় খন পতাকা ১৯০৭ চনত পেৰিছত মাডাম কামা আৰু তেওঁৰ নিৰ্বাচিত বিপ্লৱীসকলৰ বেণ্ডে উত্তোলন কৰিছিল। এয়া প্ৰথম পতাকাৰ দৰেই আছিল। বাৰ্লিনৰ এক চছিয়াৰ্চ সন্মিলনত এই পতাকাখন প্ৰদৰ্শন কৰা হৈছিল।

● ১৯১৭ চনত ৰাজনৈতিক সংগ্ৰামে এক নিশ্চিত পৰিৱৰ্তন লোৱাৰ সময়ত তৃতীয় খন পতাকা বাচনি কৰা হৈছিল। হোম ৰুল আন্দোলনৰ সময়ত এনি বেচান্ট আৰু লোকমান্য তিলকে এইখন উত্তোলন কৰিছিল। এই পতাকাত পাঁচটা ৰঙা আৰু চাৰিটা সেউজীয়া আনুভূমিক ষ্ট্ৰাইপত বিকল্পভাৱে সজোৱা হৈছিল, সেইবোৰৰ ওপৰত সপ্তঋষি কনফিগাৰেচন চুপাৰ-ইম্পোজড কৰা হৈছিল। বাওঁফালৰ ওপৰৰ কোণত (মেৰুৰ শেষ) আছিল ইউনিয়ন জেক। এটা কোণত এক বগা ক্ৰেচেণ্ট আৰু তৰাও আছিল।

● বেজৱাড়াত অখিল ভাৰত কংগ্ৰেছ সমিতিৰ ১৯২১ চনৰ অধিবেশনত (এতিয়া বিজয়ৱাড়া) এজন অন্ধ্ৰৰ যুৱক পিংগলি ভেংকেয়াই এখন পতাকা প্ৰস্তুত কৰি গান্ধীজীলৈ লৈ যায়। ইয়াক দুটা ৰং ক্ৰমে ৰঙা আৰু সেউজীয়াৰে প্ৰস্তুত কৰাহৈছিল, যি দুটা মুখ্য সম্প্ৰদায় অৰ্থাৎ হিন্দু আৰু মুছলমানক প্ৰতিনিধিত্ব কৰে। ১৯৩১ চনত গ্ৰহণ কৰা এই পতাকাখন ভাৰতীয় ৰাষ্ট্ৰীয় সেনাৰ যুদ্ধৰ প্ৰতীক আছিল।

● ১৯৩১ বৰ্ষটো আছিল পতাকাখনৰ ইতিহাসৰ এক কীৰ্তিচিহ্ন। আমাৰ ৰাষ্ট্ৰীয় পতাকা হিচাপে ত্ৰিবৰ্ণী পতাকা গ্ৰহণ কৰিবলৈ এক আবেদন প্ৰেৰণ কৰা হৈছিল। বৰ্তমানৰ এই পতাকাখন আছিল কেন্দ্ৰত মহাত্মা গান্ধীৰ যঁতৰ (ঘূৰি থকা চকা) ৰ সৈতে গেৰুৱা, বগা আৰু সেউজীয়া ৰঙৰ সমাহাৰ। অৱশ্যে, স্পষ্ট কৰা হৈছিল যে ইয়াৰ কোনো সাম্প্ৰদায়িকতাৰ চিহ্ন নাই আৰু এনেদৰে বিবেচনা কৰিব নালাগে।

● ১৯৪৭ চনৰ ২২ জুলাইত সংবিধান সভাই ইয়াক স্বাধীন ভাৰতৰ জাতীয় পতাকা হিচাপে গ্ৰহণ কৰে। স্বাধীনতাৰ পিছত, ৰং আৰু সিবোৰৰ তাৎপৰ্য একেই থাকিল। কেৱল সম্ৰাট অশোকৰ ধৰ্ম চক্ৰতো পূৰ্বৰ যঁতৰৰ চকাৰ স্থানত অধিষ্ঠিত হ'ল।

**Source: https://knowindia.gov.in**

# সঠিক কৌশলে আনে সফলতা

## আৰোগ্য লাভ কৰা ৰোগীৰ সংখ্যা ৭৫ লাখ অতিক্ৰম


চিকিৎসালয়ত ভৰ্তি হোৱা কেতবোৰ কাৰ্যকৰী নিদানিক ব্যৱস্থাপনাৰ ওপৰত কেন্দ্ৰ, ৰাজ্য আৰু কেন্দ্ৰ শাসিত অঞ্চলৰ ঐকান্তিক প্ৰচেষ্টাই ভাৰতত COVID-19-ৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাটো নিশ্চিত কৰিছে। ই ১.৪৯ শতাংশ স্পৰ্শ কৰিছে, মাৰ্চৰ পৰা এতিয়ালৈ। চৰকাৰী আৰু ব্যক্তিগত চিকিৎসালয়ত কেয়াৰ প্ৰটোকলৰ সামগ্ৰিক মানদণ্ডৰ ওপৰত আধাৰিত কৰি কাৰ্যকৰী নিয়ন্ত্ৰণ ৰণনীতি, আগ্ৰাসী পৰীক্ষা আৰু মানবিশিষ্ট নিদানিক ব্যৱস্থাপনা প্ৰটোকলৰ সৈতে, নতুন মৃত্যুৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। ভাৰতে ২ নৱেম্বৰত ৫০০ (৪৯৭) ৰো কম মৃত্যু হোৱা বুলি তথ্য প্ৰকাশ কৰিছিল।

COVID-19 ব্যৱস্থাপনা আৰু সঁহাৰি নীতিৰ অংশ হিচাপে, কেন্দ্ৰ চৰকাৰৰ গুৰুত্ব কেৱল COVID-19 ত অন্তৰ্ভুক্ত নহয়, ইয়াৰ লগতে COVID ৰ জটিল আৰু গুৰুতৰ ৰোগীসকলক মানবিশিষ্ট নিদানিক যত্ন প্ৰদান কৰি মৃত্যু আৰু জীৱন ৰক্ষা কৰাৰ ওপৰতো কেন্দ্ৰীয় চৰকাৰে তীক্ষ্ণ গুৰুত্ব দিছে।

### ক'ৰোনা ভাইৰাছৰ পৰা আৰোগ্য লাভ উপ-ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নীৰ

প্ৰায় এমাহ আইছ'লেশ্যনত থকাৰ পিছত উপ ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু আৰু তেওঁৰ পত্নী উষা নাইডুৰে ২৬ অক্টোবৰত COVID-১৯-ৰ বাবে কৰা পৰীক্ষাত নিগেটিভ পোৱা গৈছিল। ২৯ ছেপ্টেম্বৰ, ২০২০-ত COVID-19 ধৰা পৰাৰ পিছত তেওঁলোক হোম কোৱাৰেণ্টাইনত আছিল। ■

### যেতিয়ালৈ ঔষধ নাই, তেতিয়ালৈ শিথিলতা নাই



৯১.৬৮ %

আৰোগ্যৰ হাৰ

১.৪৯%

মৃত্যুৰ হাৰ


দুই গজৰ দূৰত্ব


পৰীক্ষাগাৰ — চৰকাৰী -১১৩২| ব্যক্তিগত-৯০৫

এই পৰ্যন্ত সম্পন্ন মুঠ পৰীক্ষা ১১,০৭,৪৩,১০৩

আৰোগ্য লাভ কৰা ৰোগী- ৭৫,৪৪,৭৯৮

| চিকিৎসাধীন ৰোগী | মুঠ ৰোগী |
|---|---|
| ৫,৬১,৯০৮ | ৮১,০৬,৭০৬ |

মুঠ ৰোগীৰ তুলনাত অক্টোবৰত সংক্ৰমণ আৰু মৃত্যুৰ হাৰ হ্ৰাস হৈছে। অক্টোবৰত, সংক্ৰমণৰ সংখ্যা ৭১.৬১% হ্ৰাস পাইছে, আনহাতে মৃত্যুৰ সংখ্যা ৭০.৫৭% হ্ৰাস পাইছে। (তথ্য ১ নৱেম্বৰলৈ উল্লেখ কৰা হৈছে, উৎস — স্বাস্থ্য মন্ত্ৰালয়)

### প্ৰভাৱশালী পদক্ষেপবোৰৰ পৰ্যালোচনা আয়ুষ মন্ত্ৰালয়ৰ

আয়ুষ মন্ত্ৰালয়ৰ সচিব বৈদ্য ৰাজেশ কোটেছাৰ অধ্যক্ষতাত অলপতে শেহতীয়া মাহকেইটাত মন্ত্ৰালয়ে কৰা বিভিন্ন প্ৰভাৱশালী হস্তক্ষেপ পুনৰীক্ষণ কৰাৰ বাবে এক উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হৈ যায় আৰু যিয়ে **COVID-19** প্ৰতিৰোধ আৰু ব্যৱস্থাপনাত যথেষ্ট অৱদান আগবঢ়াইছে। ভিডিঅ' কনফাৰেন্সিঙৰ যোগেৰে অনুষ্ঠিত সভাত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰ শাসিত এলেকাৰ আৰ্চনি আৰু স্বাস্থ্য বিভাগৰ মুখ্য সচিব আৰু সচিবসকলে অংশগ্ৰহণ কৰে। কোটেছাই শেহতীয়াকৈ মুকলি কৰা ৰাষ্ট্ৰীয় আয়ুৰ্বেদ আৰু কোভিড-১৯ ৰ ব্যৱস্থাপনাৰ বাবে যোগ প্ৰটোকল, ৰাষ্ট্ৰীয় আয়ুস মিছন (এনএএম)ৰ অধীনত অনুমোদিত আয়ুস স্বাস্থ্য সুস্থতা কেন্দ্ৰসমূহৰ কাৰ্যকৰীকৰণ ত্বৰিত কৰাৰ প্ৰয়োজনীয়তা আৰু এনএএম-ৰ অধীনত ৰাজ্য/কেন্দ্ৰৰ স্তৰত ব্যয় আৰু পুঁজিৰ প্ৰবাহ উন্নত কৰাৰ জৰুৰী প্ৰয়োজনীয়তা মূল্যায়ন কৰে।

# নিৰ্মল বায়ুৰ অন্বেষণত

বায়ু প্ৰদূষণে যে কেৱল মানুহ, জীৱ-জন্তু আৰু তৰু-তৃণকে বিপদাপন্ন কৰে এনে নহয়, বৰঞ্চ শিল, মাটি, ভৱন আদিৰ দৰে নিৰ্জীৱ বস্তু-পাতিকো ক্ষতিগ্ৰস্ত কৰে। ১৯৯৬ চনত উচ্চতম ন্যায়ালয়ে 'তাজ ট্ৰেপেজিয়াম'-ৰ ওপৰত পৰা বায়ু প্ৰদূষণৰ ক্ষতিকাৰক প্ৰভাৱ সন্দৰ্ভত প্ৰদান কৰা ৰায় এই ক্ষেত্ৰৰ উৎকৃষ্ট উদাহৰণ। বায়ু প্ৰদূষণৰ অশুভ পৰিণতি নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে নিৰ্দিষ্ট, সমূহীয়া আৰু সমন্বিত কাৰ্যক্ৰম গ্ৰহণ কৰিছে।



'বিশ্ব স্বাস্থ্য সংস্থা' (ডব্লিউএইচঅ)ই আগবঢ়োৱা তথ্য মতে, সমগ্ৰ পৃথিৱীতে প্ৰতিবছৰে ৩৮ কোটিৰো অধিক লোকে প্ৰাণ হেৰুৱাবলগীয়া হয় এই বায়ু প্ৰদূষণৰ বাবেই। পৃথিৱীৰ ৯০%তকৈয়ো অধিক শিশুক প্ৰদূষিত বায়ু সেৱন কৰাৰ বাবে বাধ্য কৰি অহা হৈছে। পৃথিৱীৰ সবাতোকৈ অধিক প্ৰদূষিত ১৪ খন মহানগৰী আছে ভাৰতত। দিৱালী আৰু শীতৰ আগমণৰ সময়ছোৱাত উত্তৰ ভাৰতৰ বিভিন্ন ঠাই প্ৰদূষণৰ ডাঠ আস্বাদনে ঢাকি ৰাখে। ক'ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিত এইবেলি বায়ু প্ৰদূষণে অধিক ভয়াবহ ৰূপ ধাৰণ কৰাৰ আশংকা কৰা হৈছে। অৱশ্যে, ইমানৰ পিচতো কিন্তু কেতবোৰ কথাৰ বাবে আনন্দিত হোৱাৰো অৱকাশ সৃষ্টি হৈছে। সকলো সমস্যা মুহূৰ্ততে নোহোৱা কৰাৰ বাবে কোনো যাদুদণ্ড নাই বোলা কথাত গুৰুত্ব দিয়ো কিন্তু বায়ু প্ৰদূষণৰ বিৰুদ্ধে যুঁজাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে

"

"প্ৰদূষণৰ সম্পৰ্কে অৱগত হোৱাৰ লগতে ইয়াৰ সমাধানসূত্ৰ আৱিষ্কাৰৰ ক্ষেত্ৰত ভাৰত জড়িত হৈ আহিছে। ইয়াৰ নিয়ন্ত্ৰণৰ বাবে আমি 'স্বচ্ছ ভাৰত অভিযান'ৰ পৰা, ধোঁৱামুক্ত ৰন্ধন গেছ, এলইডি অভিযান, চিএনজি-ভিত্তিক পৰিবহণ ব্যৱস্থাৰ প্ৰচলন অথবা বিদ্যুত সঞ্চালিত পৰিবহণলৈ সকলো পদক্ষেপেই গ্ৰহণ কৰিছো। পেট্ৰোলে সৃষ্টি কৰা প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ বাবে 'ইথানল'ৰ ব্যৱহাৰ বৃদ্ধি কৰাত গুৰুত্ব প্ৰদান কৰিছো। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু জন সাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰে দেশৰ ১০০খন মহানগৰীৰ সামগ্ৰিক প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ বাবে আমি এক সংহত পদক্ষেপ গ্ৰহণ কৰিছো"।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



### পাঞ্জাৱৰ কৃষকক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা

২০১৮ চনৰ অক্টোবৰ মাহৰ 'মন কী বাত'-ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাঞ্জাৱৰ খেতিয়ক গুৰবচন সিঙক প্ৰশংসা কৰিছিল। গুৰবচন সিঙে তেওঁৰ পুত্ৰৰ বিয়া বন্দোবস্ত কৰাৰ সময়ত কইনাৰ পিতৃ-মাতৃৰ পৰা তেওঁলোকৰ পথাৰৰ 'পাৰালি' (শস্য কটাৰ পিচৰ অৱশিষ্ট) নোপোৰাৰ প্ৰতিশ্ৰুতি আদায় কৰি লৈছিল। তেওঁ যি চৰ্ত আৰোপ কৰিছিল সিয়ে সমাজৰ সিদ্ধান্তৰ প্ৰকৃত শক্তিকে প্ৰতিফলিত



“ভাল বায়ু দিন’ৰ সংখ্যা ২০১৬ চনৰ ১০৬ দিনৰ বিপৰীতে ২০২০ চনত ২১৮দিন হয়হি, আৰু ‘অৱনমিত বায়ু দিন’ৰ সংখ্যা ২০১৬ চনৰ ১ জানুৱাৰীৰ পৰা ৩০ ছেপ্টেম্বৰৰ মাজৰ সময়ছোৱাৰ ১৫৬ দিনৰ বিপৰীতে ২০২০ চনত কমি আহি হয়হি ৫৬ দিন”



২০২০ চনৰ ১৮ অক্টোবৰত ফেচবুকত পোণপটীয়াকৈ সম্প্ৰচাৰিত হোৱা এক অনুষ্ঠানত ‘পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ’ৰ মন্ত্ৰী শ্ৰী প্ৰকাশ জাভড়েকাৰ

### যান-বাহন সৃষ্ট প্ৰদূষণৰ নিয়ন্ত্ৰণ

- পেট্ৰলৰ সৈতে ‘ইথানল’ মিহলোৱাৰ পদক্ষেপক উৎসাহিত কৰিছে চৰকাৰে। চৰকাৰখনে ২০২২ চনৰ ভিতৰত ১০% আৰু ২০৩০ চনৰ ভিতৰত ২০% ‘ইথানল’ মিহলোৱাৰ লক্ষ্যও নিৰ্দ্ধাৰণ কৰিছে।
- ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা বলবৎ হোৱাকৈ চৰকাৰে যান-বাহণৰ প্ৰদূষণৰ মান নিৰ্দ্ধাৰণ কৰাৰ বাবে ‘ভাৰত মানক-IV’ৰ পিচত এতিয়া চৰকাৰে ‘ভাৰত মানক-VI’ ব্যৱহাৰৰ পদক্ষেপ গ্ৰহণ কৰে। এই পদক্ষেপৰ ফলত দেশত যান-বাহণ সৃষ্ট প্ৰদূষণৰ মান ৭০% পৰ্যন্ত হ্ৰাস পাব।

### পুছা অণুজীৱ পাচক কেপছুল

শস্যৰ অৱশিষ্ট পোৰা সমস্যাৰ সমাধানৰ উদ্দেশ্যে নতুন দিল্লীস্থিত ‘ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান’-য়ে এক ‘অণুজীৱ পাচক কেপছুল’ বিকশিত কৰি উলিয়াইছে। ৫ টকা মূল্যৰ এনেকুৱা চাৰিটা কেপছুল ২৫ লিটাৰ পানীত মিহলাই প্ৰস্তুত কৰা মিশ্ৰণৰে এক হেক্টৰ পথাৰত থকা শস্যৰ অৱশিষ্ট নষ্ট কৰিব পৰা যায়।

কৰিছিল। ‘মন কী বাত’-ৰ একেটা খণ্ডত প্ৰধানমন্ত্ৰীয়ে পাঞ্জাৱৰ নভাৰ সমীপৱৰ্তী এখন গাঁও কল্লাৰ মাজ্ৰাকো প্ৰশংসা কৰিছিল। তেওঁ কৈছিল, সেই অঞ্চলৰ খেতিয়কসকলে প্ৰয়োজনীয় প্ৰযুক্তি ব্যৱহাৰ কৰি শস্যৰ অৱশিষ্টসমূহ পুৰি নেপেলাই বৰঞ্চ হালবাই সেইসমূহ বালিৰে মিহলাইহে পেলোৱাৰ ব্যৱস্থা কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে অভিমত প্ৰকাশ কৰি কৈছিল যে, যিসকলে পৰিৱেশতন্ত্ৰক নিৰ্মল কৰি ৰখাৰ বাবে তেওঁলোকৰ উত্তমখিনি দিয়াৰ প্ৰয়াস কৰি আহিছে তেওঁলোকে প্ৰকৃত উত্তৰাধিকাৰীৰ দায়িত্ব পালন কৰি এক সুস্থ জীৱনশৈলী যাপন কৰাৰ ভাৰতীয় পৰম্পৰাক আগুৱাই নিয়াৰ দায়িত্ব পালন কৰিছে। “এটোপাল দুটোপাল পানীৰে যেনেকৈ এখন বিশাল সাগৰ হয়, সেইদৰেই একোটা ক্ষুদ্ৰ ইতিবাচক পদক্ষেপেই এক সুস্থ বাতাৱৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে”।

## ‘বায়ু-মান সূচকাংক’ প্ৰদৰ্শক ‘মোবাইল এপ’

**সমীৰ :** ৰাইজক বায়ুৰ মান সম্পৰ্কীয় তথ্য অৱগত কৰাৰ উদ্দেশ্যে ২০১৭ চনৰ অক্টোবৰত ‘সমীৰ’ শীৰ্ষক ‘এপ’-টো মুকলি কৰা হৈছিল। ‘এপ’-টোত বায়ু প্ৰদূষণ সৃষ্টিকাৰী কৰ্ম-কাণ্ড সন্দৰ্ভত অভিযোগ পঞ্জীয়ণৰো সুবিধা সন্নিলিত কৰা হৈছে। এডোখৰ কেন্দ্ৰীয় ঠাইৰ পৰা বায়ু-মানৰ তথ্য সংগ্ৰহ আৰু ইয়াৰ প্ৰচাৰৰ দিহা কৰা হয়। ই ‘কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে’ প্ৰকাশ কৰা ‘ৰাষ্ট্ৰীয় বায়ু সূচকাংক’ (একিউআই)ৰ প্ৰতিঘণ্টাৰ শেহতীয়া তথ্যৰ উপৰি বায়ু-মানৰ স্থিতি যথা সময়ত সংশ্লিষ্ট সকলো পক্ষলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

**ছফৰ :** ৭২ ঘণ্টাৰ আগতেই বায়ু মান আৰু বতৰৰ আগলি বতৰা দিব পৰা আৰু গৱেষণা সম্পৰ্কীয় এক সংহত সতৰ্কীকৰণ পদ্ধতি হিচাপে ‘ছফৰ’-ৰ শুভাৰম্ভ কৰা হৈছিল। দিল্লী, পুনে, মুম্বাই আৰু আহমেদাবাদৰ পৰা ‘ছফৰ’ৰ কাম-কাজ পৰিচালনা কৰা হয়।

## বায়ু মান উন্নতকৰণৰ বাবে কৰ্ম-পৰিকল্পনা

- ২০১৭ চনক ভিত্তি বছৰ হিচাপে লৈ ২০২৪ চন পৰ্যন্ত পিএম-১০ আৰু পিএম-২.৫ৰ গাঢ়তা ২০-৩০% হ্ৰাস কৰাৰ লক্ষ্যৰে সমগ্ৰ দেশত বিস্তৃত পৰিসৰত বায়ু প্ৰদূষণ নিয়ন্ত্ৰিত কৰাৰ বাবে দীৰ্ঘ কালীন, সময়-নিৰ্দ্ধাৰিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰণ কৌশল হিচাপে কেন্দ্ৰীয় চৰকাৰে ‘ৰাষ্ট্ৰীয় নিৰ্মল বায়ু কাৰ্যক্ৰম’ ঘোষণা কৰিছিল।
- ২০১১-২০১৫ৰ সময় কালৰ ব্যাপক বায়ু মান আৰু ‘ডব্লিউএইচঅ’-ৰ ২০১৪-২০১৮ চনৰ প্ৰতিবেদনৰ আধাৰত দেশৰ, সৰহ সংখ্যকেই ভাৰত-গংগীয় উপত্যকাৰ ১০২খন মহানগৰী চিনাক্ত কৰা হৈছিল। তৃণমূল পৰ্যায়ত ৰূপায়ণ কৰিব পৰাকৈ, এইসমূহ মহানগৰীৰ প্ৰতিখনৰ বাবে যুগুতোৱা কৰ্ম-পৰকল্পনালৈ অনুমোদন জনোৱা হৈছিল।
- কেন্দ্ৰীয় চৰকাৰে সময়সূচী আৰু ৰূপায়ণ সংস্থা নিৰ্দ্ধাৰণ কৰি ২০১৮ চনত ৰাষ্ট্ৰীয় ৰাজধানী এলেকা (এনচিআৰ)ত বায়ু প্ৰদূষণৰ নিবাৰণ, নিয়ন্ত্ৰণ আৰু প্ৰশমিত কৰাৰ বাবে এক বিস্তৃত কৰ্ম পৰিকল্পনা অধিসূচিত কৰিছিল
- ‘এনচিআৰ’-ৰ বায়ু প্ৰদূষণ নিবাৰণ, নিয়ন্ত্ৰণ আৰু প্ৰশমণ কৰাৰ বাবে ২০১৭ চনৰ ১২ জানুৱাৰীত এক ‘পৰ্যায়ক্ৰমিক প্ৰতিক্ৰিয়াশীল কৰ্ম পৰিকল্পনা’ অধিসূচিত কৰা হৈছিল। এই পৰিকল্পনাৰ আধাৰত ‘সামান্যৰ পৰা শোচনীয়’, ‘অধিক শোচনীয়’, ‘সাংঘাটিক’ আৰু ‘অতি সাংঘাটিক’ অথবা ‘জৰুৰীকালীন’ এই চাৰিটা পৰ্যায়ৰ ‘বায়ু-মান সূচকাংক’ নিৰূপণৰ বাবে পৰ্যায়ক্ৰমিক জোখ আৰু ৰূপায়ণ সংস্থা চিনাক্ত কৰা হৈছিল।

## শস্যৰ অৱশিষ্টৰ দহন ৰোধৰ পদক্ষেপ

- শস্যৰ অৱশিষ্টৰ প্ৰবন্ধনৰ বাবে চৰকাৰে ৰাজ্যসমূহলৈ ১,৭ ০০ কোটি টকাৰ পুঁজিৰ আৱণ্টন দিয়ে। শস্যৰ অৱশিষ্ট নষ্ট কৰিব পৰা যন্ত্ৰ ক্ৰয়ৰ ক্ষেত্ৰত সম্প্ৰতি চৰকাৰে সমবায়সমূহলৈ ৮০% আৰু ব্যক্তিগত ভাবে কিনিব খোজা সকলৈ ৫০% ৰাজসাহায্য দিয়াৰ ব্যৱস্থা কৰিছে
- উত্তৰ প্ৰদেশ, হাৰিয়াণা আৰু ৰাজস্থানৰ অতিকে স্পৰ্শকাতৰ ঠাইসমূহ চিনাক্ত কৰাৰ লগতে এইবোৰ ঠাইৰ ক্ষেত্ৰত অধিক সচেতনতা প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়ে
- ৰাজ্যিক কৰ্ম পৰিকল্পনাসমূহ ইতিমধ্যে যুগুতাই উলিওৱাৰ লগতে ইয়াৰ আলোচনা সম্পূৰ্ণ কৰা হৈছে আৰু অচিৰেই ইয়াৰ ৰূপায়ণ কৰা হ'ব

এই সংকটৰ পৰা পৰিত্ৰাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰসমূহৰ লগতে নাগৰিক সমাজে সমন্বিত ভাবে কাম কৰিলে বায়ু প্ৰদূষণ নিয়ন্ত্ৰিত কৰিব পৰা যাব। শীত কালত উত্তৰ ভাৰতত, বিশেষকৈ দিল্লীত হোৱা বায়ু প্ৰদূষণৰ আধিক্য ঘটে বতৰ আৰু ভৌগলিক কাৰকৰ লগতে মানৱ সৃষ্ট কাৰকৰ বাবেই। ২০২০ চনৰ ২৯ ছেপ্টেম্বৰত ‘পৰিৱেশ, বন, আৰু জলবায়ু পৰিৱৰ্তন বিভাগ’ৰ মন্ত্ৰী প্ৰকাশ জাভড়েকাৰ কৈছিল : “বায়ু প্ৰদূষণ প্ৰশমিত কৰাৰ বাবে কোনো যাদু নাই। ইয়াৰ বাবে বতৰ আৰু ভৌগলিক কাৰকসমূহৰ লগতে ২-৩ মাহ ধৰি মানুহে সৃষ্টি কৰা কাৰকেই জগৰীয়া। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰ, দিল্লী আৰু ইয়াৰ চুবুৰীয়া ৰাজ্যসমূহৰ লগতে নাগৰিকসকলে একত্ৰিত হৈ কাম কৰিব লাগিব। এয়া দৰাচলতেই অংশিদাৰিত্বপূৰ্ণ দায়িত্ববদ্ধতা”। ■

# ২০২২ৰ ভিতৰত প্ৰতিগৰাকী গৃহহীনৰ বাবে একোটা ঘৰ

অন্ন, বস্ত্ৰৰ পিচত নিজাববীয়াকৈ এটা ঘৰৰ সপোন প্ৰতিগৰাকী ব্যক্তিয়েই সদায়ে পুহি ৰাখে। পিচে, হ'লে কি হ'ব, ভাৰতৰ চহৰ-নগৰসমূহৰ লগতে গ্ৰাম্যাঞ্চলসমূহৰো বৃহৎ সংখ্যক লোকৰ মূৰৰ ওপৰত এখন চালৰ অভাৱ লৈয়ে জীৱন অতিবাহিত কৰিবলগীয়া হৈ আহিছে। এই কথাৰ প্ৰতি দৃষ্টি ৰাখিয়েই চৰকাৰে গৃহহীনসকলৰ দুদৰ্শা আঁতৰোৱাৰ উদ্দেশ্যে 'প্ৰধানমন্ত্ৰী আবাস যোজনা' (পিএমএওৱাই) ৰূপায়ণৰ ব্যৱস্থা কৰিছে।



প্ৰতিগৰাকী ব্যক্তিৰ বাবে আটাইতকৈ বুনিয়াদী প্ৰয়োজনীয়তাসমূহৰ ভিতৰত এটা নিজৰ ঘৰৰ প্ৰয়োজনীয়তাও অন্যতম। পিচে, ল'ৰা-ছোৱালীৰ শিক্ষা, পৰিয়ালৰ স্বাস্থ্য আৰু দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ চাকনৈয়াত পৰি সমাজৰ বহুতেই ঘৰৰ সপোন বাস্তৱায়িত কৰিবগৈ নোৱাৰে। বিগত সময়ত ৰূপায়িত চৰকাৰী আবাসগৃহৰ আঁচনিসমূহ বিভিন্ন কাৰণত সফল হোৱা নাছিল। ইয়াৰ অন্যতম কাৰণ আছিল আঁচনিসমূহৰ স্বচ্ছতাহীনতা। 'প্ৰধানমন্ত্ৰী আবাস যোজনা' ঘোষণা কৰা হৈছিল ২০১৫ চনত। দুৰ্দশাপীড়িত ব্যক্তিসকলক এক সন্মানজনক জীৱন অতিবাহিত কৰাৰ সুযোগ দিয়াৰ

"এটা সুন্দৰ জীৱন অতিবাহিত কৰিব পৰা সকলো সা-সুবিধা সম্বলিত ঠাইডোখৰৰ নামেই জানো ঘৰ নহয়; য'ত পৰিয়ালৰ বাবে সুখ, পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ বাবে সপোন বিজড়িত হৈ থাকে। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ মূল উপজীব্যও এয়াই। প্ৰতিগৰাকী দৰিদ্ৰ লোকক তেওঁলোকৰ নিজৰ বুলিব পৰা একোটা সপোনৰ ঘৰ প্ৰদান কৰি আমি ৭৫ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব বিচাৰিছো"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

# প্ৰধানমন্ত্ৰী আবাস যোজনা-গ্ৰামীণ

| লক্ষ্য | পঞ্জীয়ণ | অনুমোদন | নিৰ্মাণ সম্পূৰ্ণ | পুঁজিৰ হস্তান্তৰ |
|---|---|---|---|---|
| ২,২৬,৯৮,২৮৮ | ১,৮৪,৭৫,৩৮০ | ১,৭১,০০,৮৪৮ | ১,১৮,২১,৫৯৫ | ১,৬৫,৮৬১ কোটি টকা |

আৰ্থ-সামাজিক আৰু বৰ্ণ সমীক্ষা (এছইচিচি)ৰ মাপক ব্যৱহাৰ কৰি নিৰ্বাচিত কৰা হিতাধিকাৰীসকলৰ তালিকা গাঁওসভাসমূহৰ পৰ্যালোচনাৰ আধাৰত চূড়ান্ত কৰা হৈছে। 'প্ৰধানমন্ত্ৰী আবাস যোজনা-গ্ৰামীণ'ক 'স্বচ্ছ ভাৰত মিছন-গ্ৰামীণ'ৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ অন্য আঁচনিসমূহৰে সংযোজিত কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ জৰিয়তে 'এমজিএনআৰইজিএ'-ৰ সহযোগত শৌচাগাৰ নিৰ্মাণৰ বাবে ১২,০০০ টকা পৰ্যন্ত সহযোগিতা পুঁজি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

### 'পিএমজিওৱাই- গ্ৰামীণ'ৰ বাবে অৰ্হতা

- যিসমূহ পৰিয়ালৰ নিজা ঘৰ নাই অথবা নিজা ঘৰ আছে যদিও সেয়া কেৱল দুটা কোঠাৰ আৰু যদি কেচামাটিৰে নিৰ্মিত হয়
- ২৫ বছৰৰ উৰ্দ্ধৰ কোনো প্ৰাপ্তবয়স্ক শিক্ষিত সদস্য নথকা পৰিয়ালসমূহ
- ১৬ বছৰ পৰা ৫৯ বছৰৰ ভিতৰৰ কোনো পুৰুষ সদস্য নথকা পৰিয়ালসমূহ
- প্ৰতিবন্ধী সদস্য থকা অথবা শাৰিৰীক ভাবে সুস্থ কোনো প্ৰাপ্তবয়স্ক সদস্য নথকা পৰিয়ালসমূহ
- অস্থায়ী কাম-কাজ কৰি জীৱিকা নিৰ্বাহ কৰা ভূমিহীন লোকসকল
- অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু সংখ্যালঘূসকল



- কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ ৬০:৪০ অংশীদাৰিত্বৰে নিৰ্মিত হ'ব লগা এইসমূহ ঘৰৰ ক্ষেত্ৰত ভৈয়াম অঞ্চলত ১.২০ লাখ টকা পৰ্যন্ত সহযোগিতা আগবঢ়োৱা হয়
- হিমালয়ান ৰাজ্যসমূহৰ লগতে উত্তৰ-পূৰ্বাঞ্চল আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰত এই অনুপাত ৯০:১০, অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰে মুঠ খৰছৰ ৯০ ভাগ বহণ কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰে ১০ ভাগ ব্যয় বহণ কৰিব। সেই অনুসৰি প্ৰতিটো ঘৰৰ বাবদ ১.৩০ লাখ টকা পৰ্যন্ত সহযগিতা পুঁজি আগবঢ়াব
- লাডাখকে ধৰি দেশৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত নিৰ্মাণ কৰা আবসগৃহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১০০% ধন ব্যয় কৰিব

### অৰ্হতাযোগ্য নহ'ব

- দুচকীয়া, তিনিচকীয়া অথবা চাৰিচকীয়া যান-বাহনৰ মালিক, কৃষি-পথাৰৰ উপকৰণ, আনকি মাছ মৰাৰ বাবে ব্যৱহৃত নাওঁ থকা সকলো এই আঁচনিৰ হিতাধিকাৰীৰ বাবে বিবেচিত নহ'ব
- ৫০,০০০ টকা বা অধিক ধন ব্যয় কৰিব পৰা 'কিষাণ কাৰ্ড' থকা ব্যক্তিসকল
- মাহেকত ১০,০০০ টকাৰ অধিক দৰ্মহা পোৱা কোনো চৰকাৰী চাকৰিয়াল থকা পৰিয়ালসমূহ
- পেছাদাৰী অথবা আয়কৰ পৰিশোধ কৰা কোনো সদস্য থকা পৰিয়ালসমূহ
- নিজাকৈ 'লেণ্ডলাইন টেলিফোন' অথবা 'ৰেফ্ৰিজাৰেটৰ' থকা পৰিয়ালসমূহ

উদ্দেশ্যে সম্পূৰ্ণ স্বচ্ছতাৰে এই আঁচনি ঘোষণা কৰা হৈছিল। বিগত ছটা বছৰত চৰকাৰে দেশৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ কৰা ২.২৫ কোটি ঘৰ হস্তান্তৰিত কৰিছে। চহৰ আৰু গাঁৱৰ বাবে আঁচনিখনত পৃথক ব্যৱস্থা ৰখা হৈছে। 'পিএমএওৱাই' (চহৰীয়া) অভিযানৰ জৰিয়তে ২০২২ চনৰ ভিতৰত দেশৰ চহৰাঞ্চলত বসবাস কৰা প্ৰতিগৰাকী গৃহহীন ব্যক্তিক ঘৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। একেদৰেই 'পিএমএওৱাই' (গ্ৰামীণ)ৰ জৰিয়তে গাঁৱত বসবাস কৰা সকলক ঘৰ প্ৰদান কৰা হ'ব। আঁচনিখনে কেৱল দুখীয়া, প্ৰয়োজন থকা আৰু পিচপৰা শ্ৰেণীসমূহকে সামৰি লোৱা নাই, বৰঞ্চ মধ্যবিত্তীয়সকলকো সামৰি লৈছে।

# প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)

২৫ জুন, ২০১৫ তাৰিখে মুকলি কৰা হৈছিল, এই আঁচনিয়ে ৩০ বৰ্গ মিটাৰ ঘৰৰ সুবিধা প্ৰদান কৰিছে।

কামৰ ক্ষীপ্ৰতা কিমান হৈছে এয়া ইয়াৰ পৰাই অনুধাৱন কৰিব পাৰি যে ২০২২ চনৰ ভিতৰত ১.১২ কোটি ঘৰৰ পিএমএৱাই (নগৰ) আঁচনিৰ অধীনত প্ৰয়োজনীয়তা আছিল আৰু এই পৰ্যন্ত ১.০৭ কোটি ঘৰৰ বাবে অনুমোদন জনোৱা হৈছে। ৬৭ লক্ষাধিক ঘৰ নিৰ্মীয়মান অৱস্থাত আছে আৰু ৩৫ লাখ ঘৰ ইতিমধ্যেই হস্তান্তৰ কৰা হৈছে। কেন্দ্ৰ অনুমোদিত তথা নিৰীক্ষণ সমিতিয়ে চলিত বৰ্ষৰ আগষ্ট মাহত ১০ লক্ষাধিক ঘৰৰ বাবে অনুমোদন প্ৰদান কৰিছে। এই আঁচনিত কেন্দ্ৰীয় চৰকাৰৰ সাহায্য হ'ল ১.৭২ লাখ কোটি টকা। এই পৰ্যন্ত ৭৬,৭৫৩ কোটি টকা আৱণ্টিত কৰা হৈছে। এই আঁচনিত মুঠ বিনিয়োগৰ পৰিমাণ হ'ল ৬.৪৯ লাখ কোটি টকা।

## পিএমএৱাই-ইউৰ বাবে যোগ্যতাৰ চৰ্ত

- ৩ লাখ টকা পৰ্যন্ত বাৰ্ষিক উপাৰ্জন কৰা আৰ্থিকভাৱে দুৰ্বল অংশ (ইডব্লিউএছ)
- ৩ লাখ টকাৰ পৰা ৬ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰা নিম্ন উপাৰ্জনৰ গোট (এলআইজি)
- ১২ লাখ টকাতকৈ কম আৰু ২.৩৫ লাখ ক্ৰেডিট লিংক সাহায্যৰ বাবে যোগ্য মধ্য উপাৰ্জন গোট (এমআইজি)
- ১৮ লাখ টকাতকৈ কম আৰু ২.৩৫ লাখ ক্ৰেডিট লিংক সাহায্যৰ বাবে যোগ্য মধ্য উপাৰ্জন গোট (এমআইজি)

## ঘৰ নিৰ্মাণত সাহায্য

ঘৰসমূহ পানী, নৰ্দমা আৰু টয়লেটৰ সুবিধাৰ সৈতে নিৰ্মাণ কৰা হয়। ইডব্লিউএছ আৰু এলআইজিৰ অন্তৰ্ভুক্ত লোকসকলে ১ লাখ টকাৰ পৰা ২.৩০ লাখ টকালৈ সুতত সাহায্য লাভ কৰে। নিজৰ ঘৰৰ পুনৰ নিৰ্মাণৰ বাবে ১.৫ লাখ টকা প্ৰদান কৰা হ'ব।

## ব্যয়সাধ্য ভাড়া ঘৰ আঁচনি (এআৰএইচএছ)

চহৰত থকা লোকসকলে প্ৰায়েই শিক্ষা আৰু চাকৰিৰ সংক্ৰান্তত অন্য চহৰলৈ অস্থায়ীভাৱে চলাচল কৰিবলগীয়া হয়। পিএমএৱাই-ইউৰ অংশ হিচাপে ব্যয়সাধ্য ভাড়াঘৰ কমপ্লেক্সে দুটা বেডৰুমৰ সৈতে তেওঁলোকক সকাহ দিবলৈ আগবাঢ়ি আহিছে। এই ঘৰসমূহ প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে ২০২২ চনৰ মাৰ্চ মাহৰ ভিতৰত উপলব্ধ হ'ব। ভাড়া নগৰ স্থানীয় নিগমৰ দ্বাৰা স্থানীয় বজাৰ সৰ্বেক্ষণৰ ভিত্তিত অথবা অপাৰেটৰ অথবা সংস্থাই নিজে নিৰ্ধাৰণ কৰিব। ভাড়াসমূহ দুবছৰত ৮ শতাংশকৈ সংশোধিত কৰিব পৰা হ'ব।

## কোন উপকৃত হ'ব

এই আঁচনিয়ে প্ৰব্ৰজিত শ্ৰমিক, নগৰৰ দুখীয়া লোকসকল, ৰিক্সাচালক, হকাৰ, শিক্ষা আৰু স্বাস্থ্য বিভাগত কৰ্মৰত লোকসকল আৰু ইডব্লিউএছ আৰু এলআইজি গোটৰ অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলক উপকৃত কৰিব। যিসকল লোকে এখন চহৰত এই আঁচনিৰ সুবিধা লাভ কৰিছে, তেওঁলোকে অন্য চহৰলৈ প্ৰব্ৰজিত হ'লেও এই সুবিধা লাভ কৰিব।

## মহিলা সৱলীকৰণ

পূৰ্বৰ অন্যান্য গৃহ নিৰ্মাণ আঁচনিৰ পৰিৱৰ্তে পিএমএৱাইয়ে ইডব্লিউএছ আৰু এলআইজি গোটৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰিছে। এই আঁচনিৰ অধীনত পৰিয়ালৰ মহিলাক ঘৰৰ মালিকীস্বত্ব অথবা সহ-মালিকীস্বত্ব প্ৰদান কৰা হৈছে।

## দুৰ্নীতিৰ কোনো অৱকাশ নাই

- হিতাধিকাৰী নিৰ্বাচন, ঘৰ নিৰ্মাণ আৰু ঘৰ স্থানান্তৰৰ সমগ্ৰ প্ৰক্ৰিয়াটো নিকা হৈছে।
- নিৰ্মাণ কৰ্মত তীক্ষ্ণ নজৰ দিয়া হৈছে। নিৰ্মাণ কৰ্মৰ অগ্ৰগতি সাপেক্ষে পুঁজি মুকলি কৰা হৈছে।


## ডিজিটেল প্লেটফৰ্মঃ

**PMAY-G: www.payg.nic.in.**

**PMAY-U: www.pmaymiss.gov.in**


'ডিজিটেল প্ৰযুক্তি'ৰে পৰ্যালোচনা কৰাৰ ব্যৱস্থা কৰি চৰকাৰে আঁচনিখনক স্বচ্ছতা প্ৰদান কৰিছে। গ্ৰাম্যাঞ্চলত নিৰ্মিত পকা ঘৰৰ বাবে ২০১১ চনৰ লোক পিয়লক ভিত্তি হিচাপে লৈ হিতাধিকাৰী নিৰ্বাচন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে মধ্য প্ৰদেশত অনুষ্ঠিত 'গৃহ-প্ৰৱেশ' শীৰ্ষক এক কাৰ্যক্ৰমত 'পিএমজিওৱাই' আঁচনিৰ ১.৭৫ লাখ আবাসগৃহ হিতাধিকাৰীসকললৈ হস্তান্তৰিত কৰাৰ লগতে তেওঁলোকৰ সৈতে বাৰ্তালাপতো মিলিত হৈছিল। ■

# নতুন ভাৰতৰ বাবে Innovation ডেউকা



চকাৰ আৱিষ্কাৰৰ লগে লগে মানৱতাৰ ইতিহাসত উদ্ভাৱনৰ প্ৰক্ৰিয়াও বোধহয় আৰম্ভ হৈছিল। উদ্ভাৱনে প্ৰাক-ঐতিহাসিক সময়ৰ পৰা সমগ্ৰ বিশ্বতে ডিজিটেল যুগলৈ মানুহৰ জীৱন পৰিৱৰ্তিত কৰিছে। এই গৌৰৱময় গাঁথাত ভাৰতেও অৱদান আগবঢ়াইছে আৰু সামাজিক সমস্যাসমূহৰ সমাধান কৰাৰ দিশত উদ্ভাৱনীমূলক পথৰ সন্ধান কৰিছে। অৰ্থনীতি আৰু বিকাশৰ বাবে চাৰিটা কাৰক অতিশয় গুৰুত্বপূৰ্ণ-বিজ্ঞান আৰু প্ৰযুক্তি, সাধাৰণ সমাজ, উদ্যোগ আৰু চৰকাৰ। উদ্ভাৱনৰ সৈতে ভাৰতে এই কাৰকসমূহৰ মাজত সাঁকোৰ সৃষ্টি কৰাই নহয় বৰঞ্চ সাফল্যৰ নতুন কাহিনীৰ সাক্ষীৰ ৰূপতো অৱতীৰ্ণ হৈছে। ২০২৪-২৫ৰ ভিতৰত ৫ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতিৰ দেশলৈ ৰূপান্তৰিত হোৱাৰ অন্তৰালত উদ্ভাৱনেও ভাৰতত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই লক্ষ্য সিদ্ধিৰ বাবে ২০১৬ চনত অটল উদ্ভাৱন অভিযান (এআইএম) মুকলি কৰা হৈছিল।







## কাহিনী-১

আদিত্য ৰাজপুত আহমেদাবাদৰ এখন বিদ্যালয়ৰ দশম শ্ৰেণীত অধ্যয়ন কৰি আছিল। তেওঁৰ এজন শিক্ষক এদিনাখন এটা দুচকীয়া বাহনৰ দুৰ্ঘটনাত পতিত হ'ল যাৰ কোনো চালন অনুজ্ঞাপত্ৰও নাছিল। আদিত্যই তেওঁৰ বন্ধু বিমল মহেশ্বৰী, লেখ পেটেল আৰু মাধিশ পাৰিকৰ সৈতে এনে এক উপায় সন্ধানত নামি পৰিল যাৰ দ্বাৰা চালন অনুজ্ঞাপত্ৰ নোহোৱাকৈ যাতে মানুহক বাহন চলোৱাৰ পৰা বিৰত কৰিব পাৰি। তেওঁ এটা স্মাৰ্ট লক উদ্ভাৱন কৰি উলিয়ালে। এই প্ৰট'টাইপত বাহনৰ গৰাকীৰ এখন কাৰ্যৰত চালন অনুজ্ঞাপত্ৰৰ প্ৰয়োজন হয়। এই প্ৰণালীটো ব্যৱহাৰকাৰীৰ ফোনত থকা এটা এপৰ সৈতে সংযোজিত হৈ থাকে আৰু যদি কোনো কৰ্তৃত্বহীন লোকে ইয়াক ষ্টাৰ্ট কৰিবলৈ ব্যৱহাৰ কৰে তেন্তে গৰাকীজনে ইয়াৰ সংকেত লাভ কৰে।

## কাহিনী-২

সমগ্ৰ বিশ্বতে হৃদৰোগ মানুহৰ মৃত্যুৰ এক প্ৰধান কাৰণ হিচাপে বিবেচিত হৈছে। অধিকাংশ হৃদৰোগীয়ে সময়মতে চিকিৎসা লাভ নকৰাৰ বাবেই মৃত্যু মুখত পৰিবলগীয়া হয়। আহমেদাবাদৰ মনিনগৰৰ বেষ্ট হাইস্কুলৰ দুজন শিক্ষাৰ্থী বিমল আৰু ৰোনিতে এটা বেগুৰ দৰে ঘড়ী প্ৰস্তুত কৰি উলিয়াইছে যিয়ে ইচিজি পৰীক্ষণ কৰে আৰু হাৰ্ট এটেকৰ বিষয়ে ৩০ মিনিট পূৰ্বেই সংকেত প্ৰদান কৰে। তাৰোপৰি নিকটৱৰ্তী চিকিৎসালয় আৰু ৰোগীৰ আত্মীয়ক স্বয়ংক্ৰিয়ভাৱে অৱগত কৰাৰ লগতে তেওঁলোকে দুটা জীৱনদায়িনী ঔষধো মুকলি কৰিছে।

তৰুণ মন কৌতুহলেৰে পৰিপূৰ্ণ হয় আৰু উদ্ভাৱনৰ বাবে যথেষ্ট সম্ভাৱনাশীলো হয়। কিন্তু ২০১৬ চনলৈ প্লেটফ'ৰ্মৰ অভাৱত শিশুসকলৰ উদ্ভাৱনৰ কাহিনী নুশুনাকৈ আছিল। তৰুণ মনৰ সম্ভাৱনীয়তাসমূহ অনুধাৱন কৰি চৰকাৰে অটল উদ্ভাৱন অভিযান মুকলি কৰিছিল যিয়ে কৌতুহলী মনক এক প্লেটফ'ৰ্ম প্ৰদান কৰাই নহয় আনকি শিক্ষাৰ্থীসকলকো বিভিন্ন চিন্তা কৰাৰ বাবে আগ্ৰহী কৰিছে। এই প্ৰয়াসসমূহ এতিয়া ফলৱৰ্তী হৈছে কিয়নো বিশ্বজনীন উদ্ভাৱন সূচাংক ২০২০ত ভাৰতে ৪৮ সংখ্যক স্থান লাভ কৰিছে। ২০১৫ চনত ভাৰত ৮১ সংখ্যক স্থানত আছিল।

# ভাৰতঃ বিকাশৰ নতুন ইঞ্জিন

*এই দিশসমূহ অনুধাৱন কৰি বিজ্ঞান আৰু উদ্ভাৱনক সংযোগ কৰিব পৰা এক সাঁকোৰ সৃষ্টিৰ আৱশ্যক য'ত উদ্ভাৱন আৰু উদ্যমিতা সংবৰ্ধিত হ'ব পাৰে আৰু নতুন ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে বিকাশৰ বাবে প্ৰয়োজন হোৱা চাৰিটা স্তম্ভক ঐক্যবদ্ধভাৱে আগুৱাই নিব পৰা হয়।*

## অটল উদ্ভাৱন অভিযান




## অটল টিংকাৰিং লেব

(বিদ্যালয় পৰ্যায়ত উদ্ভাৱন)

| ১০,০০০ বিদ্যালয়ৰ লক্ষ্য | ৫৪০০ স্থাপন কৰা হৈছে, বাকীসমূহ মাৰ্চ ২০২১ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব |
|---|---|

**প্ৰতিখন বিদ্যালয়লৈ ২০ লাখ টকাৰ সাহায্য প্ৰদান কৰা হৈছে**

- ভাৰতৰ 'নিয়টেৰিক ইনভেটৰ' হিচাপে এক লাখ শিশুক গঢ়ি তোলাৰ দূৰদৃষ্টিৰ সৈতে এআইএমে ভাৰতৰ বিদ্যালয়সমূহত অটল টিংকাৰিং গৱেষণাগাৰ (এটিএল) স্থাপন কৰিছে
- ইয়াৰ উদ্দেশ্য আছিল শিশুসকলৰ মনৰ কৌতুহল, সৃজনীশীলতা আৰু কল্পনা শক্তি বৃদ্ধি কৰি তোলা আৰু ডিজাইন মাইণ্ডছেট, কম্পিউটেচনেল থিংকিং, এডাপ্টিভ লাৰ্ণিং, ফিজিকেল কম্পিউটিং ইত্যাদি বিষয়ত দক্ষতা বৃদ্ধি কৰা
- এটিএলে তৰুণসকলৰ চিন্তাধাৰাক স্ব-নিৰ্ভৰশীল আৰু উদ্ভাৱন দক্ষতা শিক্ষণৰ জৰিয়তে কৰ্মস্থলী প্ৰদান কৰিছে। ইয়াৰ অধীনত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিত বিষয়ক ধাৰণা ব্যৱহাৰ কৰি সৰঞ্জামৰ সৈতে কাম কৰাৰ অৱকাশ প্ৰদান কৰা হৈছে।
- এআইএমে এটিএলৰ বাবে প্ৰতিখন বিদ্যালয়লৈ ২০ লাখ টকাৰ সাহায্য প্ৰদান কৰিছে
- ইয়াত এবাৰত স্থাপন কৰাৰ বাবে ১০ লাখ টকাৰ অনুদান আগবঢ়োৱা হয় আৰু প্ৰতিখন এটিএললৈ ৫ বছৰৰ সৰ্বাধিক সময়ৰ বাবে কাৰ্যকৰী ব্যয় হিচাপে ১০ লাখ টকা প্ৰদান কৰা হয়
- জুলাই মাহলৈ সমগ্ৰ দেশতে ৬৬০খন জিলাত ৫১০০ত কৈও অধিক এটিএল স্থাপন কৰা হৈছে আৰু ইয়াৰ দ্বাৰা ২ মিলিয়ন শিক্ষাৰ্থীক সামৰি লোৱা হৈছে
- মাৰ্চ ২০২১ৰ ভিতৰত ১০,০০০খন বিদ্যালয় সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে

## অটল ইনকিউবিচেন চেণ্টাৰ (এআইচি)

(উদ্যমিতাৰ বাবে পৰিবেশতন্ত্ৰৰ সৃষ্টি)

অসম কৃষি বিশ্ববিদ্যালয়, বিএইচইউৰ বানাস্থলী বিশ্ববিদ্যালয় আৰু অন্যান্য ব্যক্তিগত প্ৰতিষ্ঠানকে ধৰি ১০১টা কেন্দ্ৰ স্থাপন কৰা হৈছে



- বিশ্ববিদ্যালয়, এনজিঅ', এছএমই আৰু কৰ্প'ৰেট ঔদ্যোগিক পৰ্যায়ত এআইএমে বিশ্বমানৰ এআইচি স্থাপন কৰিছে যিয়ে দেশৰ প্ৰতিটো খণ্ড/ৰাজ্যত বহনক্ষম ষ্টাৰ্ট-আপৰ বাবে সফল বিকাশক সক্ৰিয় কৰি তুলিছে
- নিৰ্মাণ, পৰিবহণ, শক্তি, স্বাস্থ্য, শিক্ষা, কৃষি, পানী আৰু অনাময় ইত্যাদিৰ দৰে ক্ষেত্ৰসমূহত বিশ্বমানৰ ইনকিউবেচন সুবিধা সৃষ্টি কৰাৰ বাবে এআইচিসমূহ স্থাপন কৰা হৈছিল
- এআইএমে এআইচি স্থাপনৰ বাবে সৰ্বাধিক ৫ বছৰৰ বাবে মূলধন আৰু কাৰ্যকৰী ব্যয়ৰ বাবে ১০ কোটি টকাৰ অনুদান প্ৰদান কৰিব
- আবেদনকাৰীয়ে এআইচিৰ বাবে অতি কমেও ১০,০০০ বৰ্গ ফুট ৰেডী-টু-ইউজ, বিল্ট-আপ স্থান প্ৰদান কৰিব লাগিব
- মহিলা নেতৃত্বাধীন ইনকিউবেটৰ আৰু উদ্যমী ষ্টাৰ্ট-আপসমূহক এআইএমৰ দ্বাৰা উৎসাহিত কৰা হৈছে। এই পৰ্যন্ত এআইএমে ৬৮টা ইনকিউবেচন কেন্দ্ৰ স্থাপন কৰিছে

## অটল সামাজিক উদ্ভাৱন কেন্দ্ৰ

- এই অভিযানৰ জৰিয়তে দেশত সামাজিক উদ্ভাৱনৰ পদক্ষেপক সমৰ্থন জনোৱা হৈছে
- এই কাৰ্যসূচীৰ জৰিয়তে সমাজৰ সেৱাৰ বাবে সমাধানচালিত ডিজাইনৰ জৰিয়তে উদ্ভাৱনৰ সত্বাক নিৰ্দেশায়িত কৰিবলৈ উৎসাহিত কৰা হৈছে
- ই দেশৰ বঞ্চিত অংশক গুৰুত্ব প্ৰদান কৰিছে য'ত বৰ্তমানে অনুনাদশীল ষ্টাৰ্ট-আপ আৰু উদ্ভাৱন পৰিবেশতন্ত্ৰৰ অভাৱ হৈছে
- প্ৰস্তাৱিত গুৰুত্বপূৰ্ণ ক্ষেত্ৰত টায়াৰ-১/মেট্ৰ' চহৰসমূহ, টায়াৰ-২ আৰু টায়াৰ-৩ চহৰ, স্মাৰ্ট চহৰ, প্ৰত্যাশী জিলা, উত্তৰ পূৰ্বাঞ্চল, জম্মু-কাশ্মীৰ আৰু ভাৰতৰ গ্ৰামাঞ্চল তথা জনজাতি এলেকাৰ ভিতৰৰ স্থানসমূহ অন্তৰ্ভুক্ত কৰা হৈছে
- ই অনন্য আৰু উদ্দীপক সমাধান আগবঢ়ায় যিয়ে শিক্ষাৰ্থী, গৱেষক অথবা যিকোনো ব্যক্তিগত/গোটক কোনো সমাধান সূত্ৰ সন্ধান কৰিবলৈ উৎসাহিত কৰে।



## অটল নতুন ভাৰত প্ৰত্যাহ্বান (এএনআইচি)



- এআইএমৰ প্ৰাথমিক লক্ষ্য হ'ল ভাৰতৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত উদ্ভাৱনক সমৰ্থন প্ৰদান কৰা
- স্বাস্থ্য, গৃহ, স্বাস্থ্যবিধি, শক্তি আৰু পানীৰ দৰে খণ্ডসমূহত উদ্ভাৱনী সমাধানসমূহ যিয়ে প্ৰত্যক্ষভাৱে সমাজৰ সকলো অংশৰ জীৱিকাত প্ৰভাৱ পেলাব পাৰে
- পাঁচটা ভিন্ন মন্ত্ৰালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ সহযোগিতাত মুঠ ২৪টা প্ৰত্যাহ্বান মুকলি কৰা হৈছে
- ইয়াৰ অধীনত উদ্ভাৱনসমূহ ছমাহৰ ভিতৰত বজাৰত মুকলি কৰিব লাগিব

**গৱেষণাৰ আদিৰ বাবে ৫০ লাখ টকা আৱণ্টিত কৰা হৈছে যাক ১ৰ পৰা ১.৫ বছৰৰ ভিতৰত প্ৰদান কৰিব লাগিব**



### পৰিৱৰ্তনৰ মেণ্টৰ

**(প্ৰতিভাৰ বিশ্বমানৰ প্ৰশিক্ষণ)**

- এই কাৰ্যসূচী হ'ল নেতৃত্বক জড়িত কৰিব পৰা এক কৌশলগত ৰাষ্ট্ৰ-নিৰ্মাণ পদক্ষেপ যিয়ে শিক্ষাৰ্থীসকলক এআইএম কাৰ্যসূচীৰ অধীনত সহস্ৰাধিক অটল টিংকাৰিং লেব, ষ্টাৰ্ট-আপ আৰু ইনকিউবেটৰক দিশ প্ৰদান কৰিব পাৰে।
- যিসকল লোকে প্ৰতি সপ্তাহত এটা বা ততোধিক লেবত বা ষ্টাৰ্ট-আপ/ইনকিউবেটৰৰ সৈতে ১ৰ পৰা ২ ঘণ্টা সময় ব্যয় কৰিব পাৰে আৰু তেওঁলোকৰ অভিজ্ঞ কৰি তুলিব পাৰে, শিক্ষণ তথা ভৱিষ্যতৰ দক্ষতাসমূহ অভ্যাস কৰাব পাৰে, উদ্ভাৱন আৰু উদ্যমিতাৰ সম্ভাৱনা অনুধাৱন কৰিব পাৰে, তেওঁলোকক মেণ্টৰ হিচাপে নিয়োগ কৰা হয়
- এই লেবসমূহ স্বাভাৱিকতে অ-ব্যৱস্থাপক ধৰণৰ হয় আৰু মেণ্টৰসমূহে নিৰ্দেশকৰ পৰিৱৰ্তে সমৰ্থকৰ ভূমিকাহে পালন কৰে।

### এআইএম কি?

অটল উদ্ভাৱন অভিযান (এআইএম) হ'ল চৰকাৰৰ এক ধ্বজাবাহী পদক্ষেপ যিয়ে দেশত উদ্ভাৱন আৰু উদ্যমিতাৰ সংস্কৃতিক সমৰ্থন কৰে। নিটি আয়োগৰ দ্বাৰা স্থাপিত এআইএমৰ উদ্দেশ্য হ'ল নতুন কাৰ্যসূচী আৰু নীতি বিকশিত কৰা যাতে এইসমূহে অৰ্থনীতিৰ বিভিন্ন খণ্ডত উদ্ভাৱনৰ গতি বৃদ্ধি কৰিব পাৰে, বিভিন্ন ষ্টেকহ'ল্ডাৰৰ বাবে নানা সুযোগৰ সৃষ্টি কৰিব পাৰে, সজাগতা সৃষ্টি কৰিব পাৰে আৰু দেশত উদ্ভাৱনৰ পৰিৱেশতন্ত্ৰৰ এক ভেঁটিৰ সৃষ্টি কৰিব পাৰে।

### এআইএমৰ অন্তৰালৰ চিন্তাধাৰা

প্ৰাক্তন প্ৰধানমন্ত্ৰী স্বৰ্গীয় লাল বাহাদুৰ শাস্ত্ৰীয়ে আমাক জয় জোৱান, জয় কিষাণৰ শ্ল'গান দিছিল। পিছলৈ প্ৰাক্তন প্ৰধানমন্ত্ৰী স্বৰ্গীয় অটল বিহাৰী বাজপেয়ীয়ে ইয়াত জয় বিজ্ঞান সংযোজিত কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰু এখোজ আগুৱাই গৈ

- **যোগ্য আবেদনকাৰীঃ** ইউজিচি আৰু এআইচিটিই অনুমোদিত বিশ্ববিদ্যালয়সমূহ, মহাবিদ্যালয়সমূহ; স্বেচ্ছামূলক আৰু অন্যান্য সংস্থা যাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰসাৰণ আৰু সজাগত প্ৰদানত উন্নত অভিজ্ঞতা আছে; আইটিআই আৰু অন্যান্য কাৰিকৰী ডিপ্ল'মা মহাবিদ্যালয়সমূহৰ দৰে শৈক্ষিক প্ৰতিষ্ঠানসমূহ।
- **বিত্তপোষণৰ প্ৰক্ৰিয়াঃ** কেন্দ্ৰসমূহ পিপিপি পদ্ধতিত অথবা পিএছইউ বা অন্যান্য সংস্থাসমূহৰ সাহায্যত স্থাপন কৰা হ'ব। এআইএম স্থাপনৰ বাবে অনুদানৰ সৰ্বাধিক পৰিমাণ হ'ল ২.৫ কোটি টকা।

ইয়াত জয় অনুসন্ধান সংযোজিত কৰে। ই এক শ্ল'গান নহয়, ই হ'ল চৰকাৰৰ বীক্ষণ। এআইএমক উদ্ভাৱনৰ ভেঁটি হিচাপে বিবেচনা কৰা হৈছে যিয়ে কেন্দ্ৰ, ৰাজ্য আৰু ক্ষেত্ৰীয় উদ্ভাৱনৰ আঁচনিসমূহৰ মাজত উদ্ভাৱন নীতিৰ এক সংৰেখাৰ ভূমিকা পালন কৰে আৰু ই উচ্চতৰ মাধ্যমিক বিদ্যালয়, বিজ্ঞান, অভিযান্ত্ৰিক আৰু উচ্চ শৈক্ষিক প্ৰতিষ্ঠান, এছএমই/এমএছএমই, উদ্যোগ আৰু এনজিঅ' পৰ্যায়ত উদ্ভাৱন আৰু উদ্যমিতাৰ এক পৰিৱেশতন্ত্ৰৰ সৃষ্টি কৰে।




"মানুহৰ আচৰণ সদায় পৰিৱৰ্তন হৈ থাকে। ই প্ৰতিটো কালতেই সলনি হয় আৰু নিজকে গঢ় দি লয়। যদি উদ্ভাৱন বন্ধ হয়, জীৱন বন্ধ হোৱাৰ উপক্ৰম হয়। চিস্টেমসমূহ হৈ পৰিব জীৱনহীন আৰু যেতিয়া চিস্টেমসমূহ জীৱনহীন হৈ পৰে, জীৱন সুখদায়ক হব নোৱাৰে। সেয়েহে, উদ্ভাৱন প্ৰতিখন সমাজৰ বাবে আৰু সকলো বয়সৰ বাবে প্ৰয়োজনীয়। আমি উদ্ভাৱনৰ এক পৰিৱেশ সৃষ্টি কৰিব লাগিব।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## অটল উদ্ভাৱন অভিযানৰ উদ্দেশ্য

অটল উদ্ভাৱন অভিযানৰ দীৰ্ঘম্যাদী লক্ষ্যৰ ভিতৰত আছেপ্ৰতিষ্ঠান আৰু ক্ষুদ্ৰ ব্যৱসায় উদ্ভাৱন গৱেষণা (এছবিআইআৰ)ৰ প্ৰচাৰ আৰু SME/MSME/ষ্টাৰ্টআপৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত উন্নয়ন আৰু দেশৰ মুখ্য গৱেষণা প্ৰতিষ্ঠানত যেনে চি.এছ.আই.আৰ. (বৈজ্ঞানিক ঔদ্যোগিক গৱেষণা কাউন্সিল), ভাৰতীয় কৃষি গৱেষণা পৰিষদ (আইচিএআৰ) আৰু ৰাষ্ট্ৰীয় আৰ্থ-সামাজিক প্ৰয়োজনীয়তাৰ সৈতে সংৰেখিত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ(ICMR)ত বিজ্ঞান আৰু প্ৰযুক্তিৰ উদ্ভাৱনসমূহ পুনৰুজ্জীৱিত কৰা

## আত্মনিৰ্ভৰ ভাৰত উত্থান-অটল নতুন ভাৰত প্ৰত্যাহ্বান (এএনআইচি):

প্ৰয়োগ কৰাত অৰিহনা যোগোৱাৰ বাবে ভাৰতীয় এমএছএমই আৰু ষ্টাৰ্টআপৰ ব্যৱহাৰিক গৱেষণা আৰু উদ্ভাৱনত সহায় কৰিবলৈ আত্মনিৰ্ভৰ ভাৰত উত্থান-অটল নতুন ভাৰত প্ৰত্যাহ্বান (এএনআইচি) কাৰ্য্যসূচী ২০২০ চনৰ ছেপ্টেম্বৰত নিটি আয়োগৰ দ্বাৰা আৰম্ভ কৰা হৈছে। এই ৰাষ্ট্ৰীয় উদ্যোগৰ লক্ষ্য হৈছে গৱেষণাৰ প্ৰসাৰ আৰু ভাৰতীয় ষ্টাৰ্টআপ আৰু এমএছএমইৰ উদ্ভাৱন আৰু প্ৰতিযোগিতা বৃদ্ধি কৰা

আত্মনিৰ্ভৰ ভাৰত ARISE-ANIC কাৰ্য্যসূচীৰ উদ্দেশ্য হৈছে উদ্ভাৱনী সামগ্ৰী আৰু সমাধানসমূহক এক স্থিৰ ধাৰা প্ৰদান কৰা যত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগসমূহ সম্ভাৱ্য প্ৰথম ক্ৰেতা হ'ব। কাৰ্য্যসূচীটো ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO), চাৰি মন্ত্ৰালয় - প্ৰতিৰক্ষা মন্ত্ৰালয়; খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়; আৰু গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয় আৰু খণ্ডীয় সমস্যাৰ উদ্ভাৱনী সমস্যাৰ সমাধান সহজসাধ্য কৰাৰ বাবে সংশ্লিষ্ট উদ্যোগসমূহৰ দ্বাৰা পৰিচালিত হব। আত্মনিৰ্ভৰ ভাৰত ARISE-ANIC কাৰ্য্যসূচী ভাৰতীয় MSME খণ্ডৰ বিকাশ দ্ৰুত কৰিবলৈ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ "মেক ইন ইণ্ডিয়া", "ষ্টাৰ্টআপ ইণ্ডিয়া", "আত্মনিৰ্ভৰ ভাৰত" উদ্যোগৰ সৈতে একে শাৰীতে আছে।

## এআইএম-ছিৰিয়াছ উদ্ভাৱন মহোৎসৱ

ভাৰত আৰু ৰাছিয়াৰ শিক্ষাৰ্থীৰ মাজত উদ্ভাৱনী সহযোগিতা ৰক্ষা কৰিবলৈ ভাৰতৰ অটল উদ্ভাৱন অভিযান (AIM) আৰু ৰাছিয়ান ফেডাৰেচনৰ এছআইআৰআইইউএছ এডুকেশ্যনেল ফাউণ্ডেচনৰ মাজত ২০১৮ চনত এক বুজাবুজিৰ চুক্তিপত্ৰৰ বিনিময় হয়। তেতিয়াৰ পৰা সহযোগী উদ্ভাৱনৰ উদ্যম, অটল টিংকাৰিং লেবৰেটৰী আৰু এছআইআৰআইইউএছ এডুকেশ্যনেল ফাউণ্ডেচনৰ যুৱ উদ্ভাৱকসকলক প্ৰচাৰ কৰাৰ বাবে এই এআইএম-এছআইআৰআইইউএছ উদ্ভাৱন মহোৎসৱ অনুষ্ঠিত কৰা হৈছে।

**২০১৮:** অক্টোবৰত আইআইটি-দিল্লীৰ ডিজাইন বিভাগত ৪দিনীয়া

**অটল সামূহিক উদ্ভাৱন কেন্দ্ৰ:** সমূহীয়া কেন্দ্ৰিক উদ্ভাৱন আৰু টায়াৰ-২ আৰু টায়াৰ-৩ চহৰসমূহকে ধৰি দেশৰ অসংৰক্ষিত/সংৰক্ষণৰ অধীনৰ অঞ্চলসমূহৰ উদ্ভাৱন আৰু ধাৰণাক উৎসাহিত কৰিবলৈ

# ২০৩০ চনৰ ভিতৰত উদ্ভাৱনী আৰু উদ্যোগী ভাৰত

২০৩০ চনৰ ভিতৰত ভাৰতক এখন উচ্চদক্ষতাপূৰ্ণ, অভিনৱ আৰু উদ্যোগশীল দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ বাবে মাৰ্চ ২০২১ৰ ভিতৰত ১০,০০০ বিদ্যালয়ত অটল টিংকাৰিং লেব গঢ়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ ভিতৰত এই অনন্য লেব এতিয়ালৈকে ৫,৪০০ৰো অধিক বিদ্যালয়ত স্থাপন কৰা হৈছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০ লাখ টকা প্ৰদান কৰিছে। ইয়াৰ সফলতা এই কথাৰ পৰা অনুমান কৰিব পাৰি যে ২০ লাখৰো অধিক শিক্ষাৰ্থীয়ে আজি এই লেব ব্যৱহাৰ কৰিছে আৰু প্ৰায় আঢ়ৈ লাখ শিশুৱে ইয়াৰ জৰিয়তে কিছুমান উদ্ভাৱন নাইবা আদি-আৰ্হি নিৰ্মাণ কৰিছে।

**এটিএল সামূহিক দিৱস**



ডঃ বি আৰ আম্বেদকাৰৰ জন্মবাৰ্ষিকী স্মৰণ কৰিবলৈ ১৪ এপ্ৰিলৰ দিনটো বিদ্যালয়ত উদযাপন কৰা হয় য'ত অটল টিংকাৰিং লেব উপলব্ধ নহয়। উদ্ভাৱন আৰু মেৰামতিৰ বাবে অটল টিংকাৰিং লেব নথকা ওচৰৰ বিদ্যালয়, এনজিঅ সমূহ আৰু স্থানীয় লোকসকলক উদ্ভাৱন আৰু মেৰামতিৰ ওপৰত মুকলি অধিৱেশনৰ আয়োজন কৰি অটল টিংকাৰিং লেব-এ তেওঁলোকৰ দুৱাৰ মুকলি ৰাখে।

**আনবস্ক টিংকাৰিং**



অটল টিংকাৰিং লেবসমূহৰ বাবে এয়া এক শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী। নিৰ্বাচিত স্কুল শিক্ষকক অটল টিংকাৰিং লেবৰ দৰ্শন আৰু শেহতীয়া প্ৰযুক্তিবিদ্যাৰ সৰঞ্জামৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। এতিয়ালৈকে ৫০,০০০ৰ অধিক শিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে।

**টিংকাৰ ফেষ্ট**



ই প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীৰ স্কুলৰ শিশুৰ বাবে সৃষ্টিশীলতা আৰু উদ্ভাৱনৰ এক উৎসৱ। ই এটা দুদিনৰ অনুষ্ঠান য'ত বিদ্যাৰ্থীসকলে প্ৰতিযোগিতা, প্ৰদৰ্শনী, কৰ্মশালা আৰু প্ৰখ্যাত বক্তাৰ আলোচনাত অংশ লয়।

**টিংকাৰিং মাৰাথন**



ইয়ে এটা সমস্যা চিনাক্ত কৰা আৰু উদ্ভাৱনী সমাধান বিকাশৰ ওপৰত গুৰুত্ব দিয়ে যি ২০২২ৰ ভিতৰত এক নতুন ভাৰত গঢ়াৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ সৈতে সংৰেখিত। ই দেশৰ অটল টিংকাৰিং লেব থকা বিদ্যালয়ৰ বাবে মুকলি যিয়ে এক বিভিন্নতা অনাৰ আকাংক্ষা কৰে আৰু এক উদ্ভাৱন হাব ফাউণ্ডেচন হোৱাত বিদ্যালয়ৰ সফলতাত অৰিহণা যোগায়।


আৱাসিক উদ্ভাৱনী উৎসাহদান শিবিৰলৈ অহা সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী অটল টিংকাৰিং লেবসমূহৰ পৰা ১০গৰাকী ৰাছিয়ান উদ্ভাৱক আৰু ১০ ভাৰতীয় শিক্ষাৰ্থী উদ্ভাৱকৰ প্ৰতিনিধি দল প্ৰত্যক্ষ কৰে এআইএম-চিৰিয়াছ উদ্ভাৱন মহোৎসৱে। পাঁচটা দলে পাঁচটা ভিন্ন স্থানৰ প্ৰত্যাহ্বানসমূহ -মহাকাশ প্ৰযুক্তিবিদ্যা, স্বাস্থ্যসেৱা, স্মাৰ্ট চলাচল, পৰিষ্কাৰ শক্তি আৰু কৃষি প্ৰযুক্তিৰ ওপৰত বক্তব্য ৰাখে। সেইসমূহ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভলাডিমিৰ পুটিনৰ আগত প্ৰদৰ্শন কৰা হয়।

**২০১৯:** ভাৰতৰ পৰা ২৫ জন শিক্ষাৰ্থী আৰু ৫ জন শিক্ষকৰ এটা প্ৰতিনিধি দলে ৭দিনীয়া গৱেষণামূলক কাৰ্যসূচীৰ বাবে ৰাছিয়া, ছচিৰ ছিৰিয়াছ কেন্দ্ৰ পৰিদৰ্শন কৰে। দলসমূহে ডিচেম্বৰ, ২০১৯ত ৰিমট আৰ্থ ছেন্সিং, জৈৱিক আৰু আনুবংশিক গৱেষণা, পৰিষ্কাৰ শক্তি, ডাটা এনালাইটিকছ আৰু ফ্ৰণ্টিয়াৰ প্ৰযুক্তি, আৰু ড্ৰন আৰু ৰবটিকচৰ দৰে আঠটা পৃথক উদ্ভাৱন সৃষ্টি কৰিছিল।

**২০২০:** ভাৰতৰ আত্মনিৰ্ভৰ ভাৰত আৰু ৰাছিয়াৰ বৃহৎ প্ৰত্যাহ্বানৰ পৰা অনুপ্ৰাণিত হৈ এআইএম আৰু চিৰিয়াছ-এ স্কুল শিক্ষাৰ্থীসকলৰ বাবে বিশ্বৰ প্ৰথমটো ইণ্ডো-ৰাছিয়া দ্বি-পাক্ষিক যুৱ উদ্ভাৱন কাৰ্যসূচী প্ৰস্তুত কৰি উলিয়াইছিল। ৭ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈকে অনুষ্ঠিত এই দুসপ্তাহৰ সহযোগী কাৰ্য্যসূচীত ৪৮ জন শিক্ষাৰ্থী, বহু জন শিক্ষাবিদ আৰু পৰামৰ্শদাতাই আঠটা ভাৰ্চুৱেল সামগ্ৰী আৰু ম'বাইল এপ্লিকেচন সৃষ্টি কৰিছে
যি কভিড-১৯ৰ পাছৰ কালৰ নতুন গোলকীয় প্ৰত্যাহ্বানসমূহ সমাধান কৰিব। এই বছৰৰ কহৰ্ট নিৰ্বাচন কৰা হৈছে ছিৰিয়াচ চেণ্টাৰৰ সৰ্বশ্ৰেষ্ঠ ৰুছ শিক্ষাৰ্থীসকলৰ পুলৰ পৰা আৰু সৰ্বশ্ৰেষ্ঠ ভাৰতীয় শিক্ষাৰ্থীৰ পৰা আৰু অটল টিংকাৰিং লেব মাৰাথন ২০১৯ৰ শীৰ্ষ ১৫০টা দলৰ পৰা অটল টিংকাৰিং লেব ভাৰপ্ৰাপ্ত হৈ আছে। ■

# বিজ্ঞান সেঁতু: উন্নয়নৰ বাবে উদ্ভাৱন

**স্বনির্ভৰযোগ্য হ'বলৈ ভাৰতে বিজ্ঞানৰ জৰিয়তে তেওঁলোকক এক নতুন আৰু পৃথক দৃষ্টিকোণ প্ৰদান কৰিবলৈ কৃষি আৰু এমএছএমই সহ কেইবাটাও খণ্ডৰ মাজত সেঁতু গঢ়িছে।**






প্ৰতিটো খণ্ডৰ বাবে উদ্ভাৱন গুৰুত্বপূৰ্ণ। ভাৰত ইয়াৰ পদ্ধতিত এক পৰম্পৰাগত দেশ, এতিয়া ইয়াৰ দৃষ্টিভংগী সলনি হৈ আছে । বৰ্তমান চৰকাৰে অনুভৱ কৰে যে দেশখনক অৰ্থনৈতিক শক্তি হিচাপে গঢ়িবলৈ হলে উৎসাহজনক উদ্ভাৱনক সম্পূৰ্ণ গুৰুত্ব দিব লাগিব। সেয়েহে ই আক্ৰমণাত্মকভাৱে বিদ্যালয় আৰু কলেজত শিক্ষাৰ্থীসকলৰ মাজত এক অভিনৱ মনৰ বিকাশ কৰা এক কাৰ্য্যসূচী অনুসৰণ কৰি আছে। খাদ্য আৰু কৃষি সংস্থাৰ ৭৫ বছৰ উপলক্ষ্যে এটা অনুষ্ঠানত ১৬ অক্টোবৰ, ২০২০ত প্ৰধান মন্ত্ৰী মোদীয়ে কৈছিল যে ভাল প্ৰকাৰৰ বীজবোৰে উন্নত কৰে শস্যৰ পুষ্টিৰ মূল্য। বিজ্ঞানে এনেবোৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

প্ৰধান মন্ত্ৰীয়ে ২০১৪ চনত ভাৰতীয় বিজ্ঞানীসকলক নিজকে সক্ৰিয়ভাৱে কলেজত শিক্ষাদান জড়িত হবলৈ আহ্বান জনোৱাৰ পাছত বিজ্ঞান সেঁতু কাৰ্য্যসূচী আৰম্ভ কৰা হৈছিল। এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি নেচনেল ইনষ্টিটিউট অৱ ইমিউনলজিয়ে নিজকে স্নাতক কলেজৰ সৈতে সংযোগ কৰিবলৈ, নীতিৰ সৈতে কাম কৰিবলৈ, দিল্লী বিশ্ববিদ্যালয়ৰ ভালেসংখ্যক কলেজৰ সৈতে অনানুষ্ঠানিক আলোচনাৰ পৰিসৰ আৰু প্ৰণালী বাস্তৱায়নৰ বাবে এক বিতং কাৰ্য্যসূচী প্ৰস্তুত কৰে। এই কাৰ্যসূচীৰ নাম বিজ্ঞান সেঁতু ৰখা হৈছিল। এতিয়ালৈকে, দিল্লী বিশ্ববিদ্যালয়ৰ দহখন কলেজে এই কাৰ্য্যসূচীৰ অংশীদাৰ হ'বলৈ সন্মত হৈছে।

উচ্চ শিক্ষাত শিক্ষা সমলৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই ধাৰণাটো গ্ৰহণ কৰা হৈছিল। ভাৰতত বিভিন্ন ধৰণৰ শৈক্ষিক ক্ষেত্ৰত উচ্চ বৃত্তি অৰ্হতাসম্পন্ন হাজাৰ হাজাৰ বিজ্ঞানীৰ সৈতে শ শ ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠান আছে।। প্ৰাক-পি.এইচ.ডি. পাঠ্যক্ৰমৰ বাহিৰে প্ৰণালীবদ্ধ শিক্ষাদানৰ প্ৰতিশ্ৰুতিৰ দ্বাৰা ৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানবোৰত কম আছিল, আৰু স্নাতক স্তৰত কোনো নাছিল।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক কেৰিয়াৰ হিচাপে গ্ৰহণ কৰিবৰ বাবে অধিক উজ্জ্বল যুৱ মনক উৎসাহিত কৰি ৰাষ্ট্ৰীয় লক্ষ্যত অৱদান আগবঢ়াবলৈ কাৰ্য্যসূচীটো আৰম্ভ কৰা হৈছিল।

### এখন অধিক পুষ্টিকৰ ভাৰতীয় থালি



প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খাদ্য আৰু কৃষি সংস্থাৰ ৭৫ বছৰীয়া উদযাপনৰ সময়ত খাদ্য পুষ্টিত উদ্ভাৱনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ কৈছিল যে ঘেঁহুসহ বিভিন্ন শস্যৰ ১৭ টা নতুন প্ৰকাৰৰ বীজ আৰু ভাৰতত খেতিয়কসকলৰ বাবে ধান পৰ্যাপ্ত পৰিমাণে ৰখা হৈছে। তেওঁ প্ৰায়ে কৈছিল শস্যৰ সচৰাচৰ প্ৰকাৰত পুষ্টিকৰ পদাৰ্থ বা ক্ষুদ্ৰ-পুষ্টিৰ অভাৱ ঘটে। এই শস্যবোৰৰ উন্নত প্ৰকাৰসমূহ এই অভাৱসমূহৰ পৰা মুক্ত আৰু অধিক পুষ্টিকৰ । বছৰ বছৰ ধৰি এইধৰণৰ বীজৰ বিকাশৰ ওপৰত দেশত বহুতো মহান কাম আৰু গৱেষণা হৈ আহিছে।


এতিয়া প্ৰটিন, লো, জিংক আদি পুষ্টিকৰ পদাৰ্থ সমৃদ্ধ শস্য দেশত উপলব্ধ হৈছে। মোটা শস্যৰ উৎপাদন - মিলেট যেনে ৰাগি, জোৱাৰ, বজৰা, কোডো, ঝাংগোৰা, বাৰি, কোটকি আদি বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে আৰু মানুহে এই শস্যবোৰ যাতে তেওঁলোকৰ খাদ্য তালিকাত ভিতৰত অন্তৰ্ভুক্ত কৰে। ভাৰতেও ২০২৩ চনক বাজৰা (কণী ধান)ৰ আন্তৰ্জাতিক বছৰ হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ কৰিছে ।

### গৱেষণা কিয় গুৰুত্বপূৰ্ণ

কৃষি গৱেষণাৰ ক্ষেত্ৰখনত বিভিন্ন উদ্ভাৱন আৰু প্ৰচেষ্টাই বিশ্বত সাধাৰণভাৱে আৰু ভাৰতত বিশেষভাৱে সেউজ বিপ্লৱৰ সূচনা কৰিছিল, তাৰ দ্বাৰা কেৱল লাখ লাখ অনাহাৰে হোৱা মৃত্যু প্ৰতিৰোধ কৰাই নহয়, বৰঞ্চ অজস্ৰ লোকক দৰিদ্ৰতাৰ অভাৱৰ পৰা ওলাই অহাত সহায় কৰিছিল। কিন্তু, ক্ষুধা জয় কৰা আৰু পুষ্টিহীনতা দূৰ কৰাৰ গোলকীয় এজেণ্ডা অন্ত হোৱাৰ পৰা বহু দূৰত। পুষ্টিহীনতাই প্ৰায় দুই বিলিয়ন লোকক প্ৰভাৱিত কৰে আৰু ইয়াৰ হিচাপত শিশুসকলৰ মাজত প্ৰায় ৪৫ শতাংশৰ মৃত্যু ঘটে। এই বিষয়টোও ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়ন

## আত্মনিৰ্ভৰ ভাৰতৰ বাবে বিজ্ঞান-সমাজ-সেঁতু

আত্ম নিৰ্ভৰ ভাৰতৰ লক্ষ্য পূৰণ কৰিবলৈ, সমাধান কেন্দ্ৰিক বিজ্ঞান আৰু প্ৰযুক্তি (এছ এণ্ড টি) হস্তক্ষেপবোৰ সংকল্পৰ অভাৱ ঘটা সমস্যাসমূহ চিনাক্ত কৰাৰ বাবে বটম-আপ দৃষ্টিভংগী প্ৰয়োজনীয় আৰু উন্নত জীৱনৰ মানদণ্ডৰ বাবে স্থানীয়ভাৱে চালিত উদ্যোগ আৰু সেৱাবোৰ বিকশিত আৰু উদগনি দিবৰ বাবে চিনাক্ত কৰা বিষয়বোৰৰ সমাধানৰ বাবে টপ-ডাউন দৃষ্টিভংগী জৰুৰী। আত্মনিৰ্ভৰ ভাৰতৰ বাবে বিজ্ঞান-সমাজ-সেঁতু স্পৰ্শ নকৰাসকলক স্পৰ্শ কৰাৰ উদ্দেশ্যেৰে আৰম্ভ কৰা হৈছিল। প্ৰযুক্তিৰ কাৰ্যকৰী সংৰেখনেৰে, স্থানীয় স্তৰত জ্ঞান, দক্ষতা আৰু সম্পদেৰে কাৰ্য্যসূচীটোৰ লক্ষ্য হৈছে আত্মনিৰ্ভৰ ভাৰতৰ 'সামাজিক আন্তঃগাঁথনি' আৰু 'প্ৰযুক্তি চালিত প্ৰণালী' শক্তিশালী কৰা।




### আত্মনিৰ্ভৰ ভাৰতৰ বাবে বিজ্ঞান-সমাজ-সেঁতুৰ উদ্দেশ্য

- এনজিঅ/'চিবিঅ' আৰু সম্প্ৰদায়সমূহৰ এছ এণ্ড টি ক্ষমতা উন্নত কৰা
- উদ্ভাৱনৰ সৈতে জ্ঞান সংগঠনবোৰক সামাজিকভাৱে প্ৰয়োজনীয় আৰু প্ৰাসংগিক কৰি তোলা আৰু উপযুক্ত আৰু সুলভ প্ৰযুক্তি প্ৰদান কৰিবলৈ এছ এণ্ড টি আৰু এনজিঅৰ সৈতে সংযোগ কৰা।
- বিকশিত কৰাৰ বাবে নতুন ধাৰণা আৰু সহযোগী চিনাক্ত কৰা দেশীয় প্ৰযুক্তি আৰু কাৰ্যকৰী বিতৰণ প্ৰণালীৰ প্ৰতি নিৰ্দেশিত বীজ আঁচনি
- তৃণমূল পৰ্যায়ৰ উদ্ভাৱন কেন্দ্ৰ সৃষ্টি কৰা আৰু গ্ৰাম্য লেণ্ডস্কেপত আৰ্থ-সামাজিক পুনৰবিকাশৰ বাবে ব্যৱহাৰযোগ্য ব্যৱসায়িক মডেল গঢ়া

লক্ষ্যত আলোচনা কৰা হৈছিল। ভাৰতে শিশু, গৰ্ভৱতী মহিলা আৰু স্তন্যপান কৰোৱা মাতৃৰ পুষ্টিৰ গ্ৰহণ উন্নত কৰিবলৈ পোষণ অভিযান আৰম্ভ কৰিছিল।

### কিদৰে ৰূপান্তৰৰ আৰম্ভণি হৈছিল

অপুষ্টিৰ বিৰুদ্ধে ভাৰতৰ যুঁজখনে সন্মুখীন হয় কম বয়সত গৰ্ভধাৰণৰ প্ৰত্যাহ্বান, শিক্ষা আৰু জ্ঞানৰ অভাৱ, খোৱা পানীৰ অভাৱ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ। এই সকলোবোৰৰ মাজতে প্ৰধান মন্ত্ৰীয়ে গুজৰাটৰ মুখ্য মন্ত্ৰী হৈ থকা কালৰ অভিজ্ঞতাৰে ২০১৪ চনত সমগ্ৰ দেশত আৰম্ভ কৰিছিল পুষ্টিহীনতাৰ বিৰুদ্ধে যুঁজ। চৰকাৰে এইক্ষেত্ৰত ১১ কোটি শৌচাগাৰ নিৰ্মাণ কৰি, পুষ্টিৰ ওপৰত গুৰুত্ব দি, সকলোৰে বাবে পানী টেপৰ ব্যৱস্থা কৰি আৰু এটকাত চেনিটেৰী পেড প্ৰদান কৰি কাম কৰিবলৈ আৰম্ভ কৰিলে। এতিয়া, শস্যৰ পুষ্টিৰ মূল্য উন্নত কৰিবলৈ বিভিন্নধৰণৰ ভাল প্ৰকাৰৰ শস্য- বায়োফৰ্টিফাইড প্ৰকাৰৰ ওপৰত বিশেষ মনোযোগ দিয়া হৈছে। আনহাতে ২০১৪ চনৰ আগতে কৃষকৰ ওচৰলৈ গ'ল কেৱল এক প্ৰকাৰৰ জৈৱ-নিৰ্ভৰযোগ্য বীজ, এতিয়া তেওঁলোকৰ বাবে উপলব্ধ ৭০ টা জৈৱ-নিৰ্ভৰযোগ্য বিভিন্ন শস্যৰ প্ৰকাৰ ।

### প্ৰধান মন্ত্ৰীৰ ভাষণৰ প্ৰধান দিশসমূহ

- বছৰ বছৰ ধৰি এফএঅ'-এ ভাৰতকে ধৰি বিশ্বত কৃষি উৎপাদন বৃদ্ধি কৰা, ভোক নিবাৰণ কৰা আৰু পুষ্টি উন্নত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিছে।
- এফএঅ'-ৰ বিশ্ব খাদ্য কাৰ্য্যসূচীয়ে এই বছৰৰ শান্তিৰ নোবেল বঁটাও লাভ কৰাটো এক মুখ্য প্ৰাপ্তি। আমি সকলোৰে জানো যে যেতিয়া বিশ্ব ফুড প্ৰ'গ্ৰাম আৰম্ভ কৰাৰ সময়ত ডঃ বিনয় ৰঞ্জন সেন এফএঅ'-১ সঞ্চালক প্ৰধান আছিল।
- যেতিয়া ভাৰতে আন্তৰ্জাতিক যোগ দিৱসৰ প্ৰস্তাৱ দিছিল, ভাৰতে শূন্য বাজেটৰ সৈতে বিশ্বৰ সকলো দেশলৈ সামগ্ৰিক সুস্থতা বিস্তাৰ কৰিব বিচাৰিছিল।
- ক'ৰনা সংকটৰ বিগত কেইটামান মাহত, ভাৰতে প্ৰায় ৮০ কোটি দৰিদ্ৰ লোকলৈ বিনামূলীয়া ৰেচন প্ৰদান কৰি আহিছে।
- ২০১৪ চনলৈকে, খাদ্য সুৰক্ষা আইন বলবৎ আছিল কেৱল ১১ খন ৰাজ্যত আৰু ইয়াক ২০১৪ চনৰ পিছতহে সমগ্ৰ দেশত কাৰ্যকৰীভাৱে ৰূপায়ণ কৰা হৈছিল। ■

## এতিয়া হিমালয়ত উৎপাদিত থলুৱা 'হিং' উপভোগ কৰক



Asafoetida, যাক সাধাৰণতে হিং বুলি জনা যায়, ভাৰতৰ এবিধ উন্নত সুগন্ধি মচলা। প্ৰতি বছৰে, ভাৰতে প্ৰায় ১০০ মিলিয়ন ডলাৰ ব্যয় কৰি আফগানিস্তান, ইৰান আৰু উজবেকিস্তানৰ পৰা ১,২০০ টন কেঁচা Asafoetida, আমদানি কৰে। এতিয়া, চিএছআইআৰ কনষ্টিটিৱেণ্ট গৱেষণাগাৰৰ প্ৰচেষ্টাৰ সৈতে, পালমপুৰৰ ইনষ্টিটিউট অৱ হিমালয়ান বায়োৰিচৰ্চ টেকনলজীয়ে ইয়াৰ কৃষি-কাৰ্যত ঐতিহাসিক অগ্ৰগতি লাভ কৰিছে। হিমাচল প্ৰদেশৰ প্ৰত্যন্ত লাহাউল উপত্যকাৰ কৃষকসকলে অঞ্চলটোৰ কৃষিভূমিৰ সুযোগ গ্ৰহণ কৰি ইয়াৰ খেতি আৰম্ভ কৰিছে। CSSIR-IHBTয়ে ইয়াৰ বীজ আনি ইয়াৰ কৃষি প্ৰযুক্তি বিকাশ কৰে। ভাৰতত Ferula asa-foetida ৰোপণ সামগ্ৰীৰ অভাৱ এই শস্যৰ খেতি কৰাৰ প্ৰধান অন্তৰায়।

### ভাৰত আৰু খাদ্য আৰু কৃষি সংস্থা

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা (এফএঅ) এটা বিশেষ সংস্থা যিয়ে ক্ষুধা নিবাৰণ, পুষ্টি আৰু খাদ্য সুৰক্ষা উন্নত কৰাৰ বাবে আন্তৰ্জাতিক প্ৰচেষ্টাত নেতৃত্ব প্ৰদান কৰে আৰু ই ১৯৪৫ চনৰ অক্টোবৰ মাহত স্থাপন হৈছিল। এফএঅ-ৰ সৈতে ভাৰতৰ এক বিশেষ সম্পৰ্ক আছিল। ভাৰতীয় কূটনীতিবিদ আৰু ১৯৫৬ চনৰ নৱেম্বৰ আৰু ১৯৬৭ চনৰ ডিচেম্বৰলৈকে ভাৰতীয় অসামৰিক বিষয়া বিনয় ৰঞ্জন সেন আছিল ইয়াৰ সঞ্চালক প্ৰধান। খাদ্য আৰু কৃষি সংস্থাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষ্যে আৰু খাদ্য আৰু কৃষি সংস্থাৰ সেৱাৰ উদ্যমৰ বাবে ভাৰতৰ ১৩০ কোটিতকৈ অধিক লোকৰ হৈ সন্মান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৬ অক্টোবৰ, ২০২০ত স্মাৰক মুদ্ৰা মুকলি কৰে।



# পোহৰ আৰু ধ্বনিৰ গুৰু

১৯৩০ চনটো ভাৰতীয় বিজ্ঞানৰ বাবে এক বিশেষ সময় কিয়নো সেই বৰ্ষটোত চি ভি ৰমণে প্ৰথমগৰাকী ভাৰতীয় হিচাপে পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা লাভ কৰিছিল

**জন্মঃ ৭ নৱেম্বৰ, ১৮৮৮, মৃত্যুঃ ২১ নৱেম্বৰ, ১৯৭০**

চি ভি ৰমণৰ তিৰুচিৰাপল্লীৰ এক সাধাৰণ পৰিয়ালত জন্ম হৈছিল। ৰমণে ১১ বছৰ বয়সতে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু ১৬ বছৰ বয়সতে পদাৰ্থ বিজ্ঞানত সোণৰ পদকৰ সৈতে স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰিছিল। কিশোৰাৱস্থাতেই ৰমণে ১৯০৬ চনত তেওঁৰ প্ৰথমটো বৈজ্ঞানিক প্ৰবন্ধ পোহৰৰ বিচ্ছুৰণ সন্দৰ্ভত ব্ৰিটিছ জাৰ্ণেল 'ফিল'ছ'ফিকেল মেগাজিন'ত প্ৰকাশ কৰিছিল। তেওঁ পৰৱৰ্তী প্ৰবন্ধ তৰলৰ পৃষ্ঠতানে

> যেতিয়া পোহৰৰ এক ৰশ্মি কোনো ৰাসায়নিক যৌগৰ স্বচ্ছ পৃষ্ঠৰ মাজেৰে পাৰ হৈ যায় তেতিয়া পোহৰৰ এক সামান্য অংশ বিচ্ছুৰিত হয়। এই বিচ্ছুৰিত পোহৰৰ ক্ষুদ্ৰ অংশৰ তৰংগ দৈৰ্ঘ আছে যি সেই প্ৰথম পোহৰতকৈ ভিন্ন হয়। ইয়াকেই ৰমণ প্ৰভাৱ বুলি কোৱা হয়।

বিজ্ঞানী ৰেইলে'ক ইমানেই প্ৰভাৱান্বিত কৰিছিল যে তেওঁ ৰমণক "প্ৰফেচৰ" হিচাপে সম্বোধন কৰিছিল।

১৯০৭ চনত ৰমণে পৰীক্ষাত শীৰ্ষ স্থান লাভ কৰি ভাৰতীয় বিত্ত সেৱাত এছিছটেণ্ট একাউণ্টেণ্ট জেনেৰেল হিচাপে যোগদান কৰে। কিন্তু কেৰিয়াৰৰ পৰিৱৰ্তন আৰু দেশত গৱেষণাৰ অপৰ্যাপ্ত সুবিধাই তেওঁৰ অন্তৰৰ বিজ্ঞানীজনক মযিমূৰ কৰিব নোৱাৰিলে আৰু আজৰি সময়ত তেওঁ ইণ্ডিয়ান এছ'চিয়েছন ফ'ৰ দা কাল্টিভেচন অব্ ছায়েন্সত গৱেষণা আৰম্ভ কৰি দিলে। ১৯১৭ চনত ৰমণে চাকৰি ত্যাগ কৰি ইউনিভাৰ্ছিটী অব্ কলকত্তাত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে যোগদান কৰিলে।

১৯২১ চনত তেওঁ এখন বৈজ্ঞানিক সমাৰোহত অংশগ্ৰহণ কৰাৰ বাবে ইংলেণ্ড ভ্ৰমণ কৰে। ইতিমধ্যেই তেওঁ বিশ্বত খ্যাতি লাভ কৰে। ঘৰলৈ ওভতাৰ পথত তেওঁ জাহাজৰ ডেকৰ পৰা সাগৰৰ নীলা পানী প্ৰত্যক্ষ কৰে যাক ৰেইলে'য়ে ব্যাখ্যা হিচাপে আগবঢ়ায়। ১৯৩০ চনত তেওঁ ৰমণ বিচ্ছুৰণৰ সূত্ৰৰ বাবে ন'বেল বঁটা লাভ কৰে। ৰমণ প্ৰভাৱ এনে এক গুৰুত্বপূৰ্ণ ব্যাখ্যা যাক তৰল, গেছ আৰু গোটা পদাৰ্থৰ সংমিশ্ৰণৰ বিশ্লেষণ কৰাৰ বাবে ব্যৱহাৰ কৰা হয় আৰু ইয়াক ১৯৯৮ চনত আমেৰিকান কেমিকেল ছ'চাইটিয়ে নেচনেল হিষ্ট'ৰিক কেমিকেল লেণ্ডমাৰ্ক হিচাপে আখ্যা দিছিল। চন্দ্ৰপৃষ্ঠত চন্দ্ৰযান-ৰয়ে পানীৰ আৱিষ্কাৰ কৰাৰ ক্ষেত্ৰত ৰমণ বিচ্ছুৰণ ব্যাখ্যাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ৰমণে বিভিন্ন ভায়'লিন আৰু তেনে ধৰণৰ বাদ্যযন্ত্ৰসমূহত সাংগীতিক ধ্বনিৰ পদাৰ্থ বিজ্ঞান সম্বন্ধীয় ব্যাখ্যাও আগবঢ়াইছিল। ১৯৫৪ চনত তেওঁক ভাৰতৰত্ন বঁটাৰে সন্মানিত কৰা হৈছিল। ২৮ ফেব্ৰুৱাৰী ১৯২৮ চনত ৰমন প্ৰভাৱ আৱিষ্কাৰ কৰা বাবে প্ৰতিবছৰে দেশত সেইদিনা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে পালন কৰা হয়। ■

> "যেতিয়া ন'বেল বঁটাৰ বিষয়ে ঘোষণা কৰা হৈছিল তেতিয়া মই ইয়াক ব্যক্তিগত বিজয় হিচাপে গণ্য কৰিছিলো, মই আৰু মোৰ সহযোগীসকলৰ সাফল্য হিচাপে ..ৰজা গুস্তাভৰ পৰা এই বঁটা গ্ৰহণ কৰি মই নিজকে ধন্য মানিছিলো; যদিও এয়া আৱেগৰ এক প্ৰবল মুহূৰ্ত আছিল, মই নিজকে চম্ভালি ল'বলৈ সক্ষম হৈছিলো
> - চি ভি ৰমণ"

# নতুন ভাৰতৰ মন্ত্ৰঃ ন্যুনতম চৰকাৰ, সৰ্বাধিক শাসন

**চৰ্দাৰ পেটেলে ভাৰতক একতাৰ ডোলেৰে বান্ধি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, সেয়ে তেওঁক "ভাৰতৰ ঐক্যতাৰ সূত্ৰধাৰ" বুলি কোৱা হয়। ২০১৪ চনৰে পৰা ভাৰতত ৩১ অক্টোবৰ তাৰিখে পেটেলৰ জন্ম বাৰ্ষিকীত 'ৰাষ্ট্ৰীয় একতা দিৱস' হিচাপে পালন কৰি অহা হৈছে।**



চৰ্দাৰ বল্লভ ভাই পেটেল কেৱল ভাৰতৰ প্ৰথমগৰাকী গৃহ মন্ত্ৰীয়েই নাছিল, তেওঁ "ভাৰতৰ ঐক্যতাৰ সূত্ৰধাৰো" আছিল। তেওঁৰ ১৪৫তম জন্ম বাৰ্ষিকীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনায় আৰু "গৰ্ভানেন্স ইন ইণ্ডিয়া@১০০"ৰ মন্ত্ৰ প্ৰদান কৰে, অৰ্থাৎ ভাৰতে যেতিয়া স্বাধীনতাৰ শততম বৰ্ষ পালন কৰিব তেতিয়া এয়া "ন্যূনতম চৰকাৰ, সৰ্বাধিক শাসন" হোৱা উচিত।

ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া প্ৰশিক্ষাৰ্থীসকলক ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে ৩১ অক্টোবৰ, ২০২০ তাৰিখে তেওঁলোকক চৰ্দাৰ পেটেলৰ দেশবাসীক সেৱা কৰাৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনাই ইয়াক এজন অসামৰিক সেৱা বিষয়াৰ সৰ্বোচ্চ কৰ্তব্য বুলি অভিহিত কৰে।

## প্ৰধানমন্ত্ৰীৰ ভাষণৰ মূল কিয়দাংশ

- ভাৰতে এক ভাৰত শ্ৰেষ্ঠ ভাৰত; আত্মনিৰ্ভৰ ভাৰত আৰু নবীন ভাৰত নিৰ্মাণৰ দিশত অগ্ৰসৰ হৈছে
- পূৰ্বতে যি হোৱা নাছিল, এতিয়া মানৱ সম্পদৰ প্ৰশিক্ষণৰ আধুনিক অভিগমনক গুৰুত্ব প্ৰদান কৰা হৈছে
- চৰকাৰ অকলে চলাব নোৱাৰি। জনসাধাৰণৰ বাবে প্ৰণয়ন কৰা নীতিসমূহত জনসাধাৰণক জড়িত কৰাটো অতিশয় আৱশ্যক। চৰকাৰ চলোৱাৰ প্ৰকৃত চালিকা শক্তি হ'ল জনসাধাৰণ।
- আজি ১৩০ কোটি ভাৰতীয়ই ঐক্যৱদ্ধভাৱে এনে এক ৰাষ্ট্ৰ নিৰ্মাণ কৰিছে যি শক্তিশালী হোৱাৰ লগতে সামৰ্থৱানো হৈছে, য'ত সমতা আৰু সুযোগৰো সৃষ্টি হৈছে
- একমাত্ৰ কেৱল এখন আত্মনিৰ্ভৰশীল দেশেহে ইয়াৰ উন্নতিৰ লগতে নিৰাপত্তাৰ দিশতো আত্মবিশ্বাসী হ'ব পাৰে। দেশখন প্ৰতিৰক্ষাকে ধৰি বিভিন্ন ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ দিশত আগবাঢ়িছে
- ভাৰতৰ ঐক্যতা এনে এক শক্তি যিয়ে আনক দমাই ৰাখিব পাৰে। কিছুমান লোকে এই বৈচিত্ৰতাক দুৰ্বলতা বুলি ভাবে। ভাৰতে তেনেধৰণৰ শক্তিক চিনাক্ত কৰাটো প্ৰয়োজন আৰু সাৱধান হোৱাটো আৱশ্যক
- ভাৰতে সীমান্তত সহস্ৰাধিক কিলোমিটাৰৰ পথ, ডজন সংখ্যক দলং আৰু বহু সুৰংগ নিৰ্মাণ কৰিছে। আজি ভাৰতে নিজৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰাৰ বাবে সম্পূৰ্ণ প্ৰস্তুত হৈ উঠিছে
- বিকাশৰ বাধাসমূহ পিছলৈ থেলি এতিয়া কাশ্মীৰ বিকাশৰ নতুন পথত অগ্ৰসৰ হৈছে। দেশখনে অখণ্ডতাৰ এক নতুন আয়তন সৃষ্টি কৰিছে
- শান্তি, ভ্ৰাতৃত্ববোধ আৰু পাৰস্পৰিক সন্মানেই হ'ল মানৱতাৰ প্ৰকৃত পৰিচয়। সন্ত্ৰাসবাদ-হিংসাৰ পৰা কোনো কল্যাণ হ'ব নোৱাৰে
- ভাৰতে কেতিয়াও পুলৱামাৰ আক্ৰমণৰ কথা পাহৰিব নোৱাৰে। ঘটনাটো সন্দৰ্ভত প্ৰদান কৰা বিবৃতিবোৰ দেশবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। চুবুৰীয়া দেশখনে সংসদত কৰা শেহতীয়া বিবৃতিসমূহৰ দ্বাৰাও এই সত্যই প্ৰকাশ পাইছে। জ্ঞাতসাৰেই হওক অথবা অজ্ঞাতসাৰেই হওক, নিজৰ স্বাৰ্থৰ বাবে দেশবিৰোধী শক্তিসমূহৰ সৈতে হাত মিলাই আপুনি কেতিয়াও দেশ অথবা দলৰ বাবে কাম কৰিব নোৱাৰিব।

## ষ্টেচু অৱ্ ইউনিটীৰ চৌপাশে নতুন বিকাশ

**আৰোগ্য বনত** ১৭ একৰ ভূমি জোৰা ৩৮০ টা ভিন্ন প্ৰজাতিৰ ৫ লাখ উদ্ভিদ আছে

**আৰোগ্য কুটিৰত** আছে পৰম্পৰাগত চিকিৎসা সুবিধা যাক কোৱা হয় শান্তিগিৰি কল্যাণ কেন্দ্ৰ য'ত আয়ুৰ্বেদ, সিদ্ধ, যোগ আৰু পঞ্চকৰ্মভিত্তিক স্বাস্থ্য সেৱা প্ৰদান কৰা হয়

**একতা মলত** ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ধৰণৰ হস্ততাঁত আৰু পৰম্পৰাগত সামগ্ৰী প্ৰদৰ্শিত কৰা হৈছে। ই ৩৫,০০০ বৰ্গ ফুট এলেকা জুৰি বিস্তৃত হৈ আছে

**শিশু পুষ্টি উদ্যান** বিশ্বৰ প্ৰথমখন প্ৰযুক্তিচালিত পুষ্টি উদ্যান আৰু ই ৩৫,০০০ বৰ্গ ফুট এলেকা জুৰি বিস্তৃত হৈ আছে

**জাংগল ছাফাৰী** হ'ল ষ্টেট-অৱ-আৰ্ট প্ৰাণীবিদ্যা উদ্যান যি ৩৭৫ একৰ ভূমি জুৰি বিস্তৃত হৈ আছে আৰু ই ২৯ৰ পৰা ১৮০ মিটাৰ পৰিসৰত সাতটা বিভিন্ন পৰ্যায়ত উপলব্ধ। ইয়াত ১১০০ত কৈও অধিক চৰাই আৰু জন্তু আৰু ৫ লাখ উদ্ভিদ আছে।

**ইউনিটী গ্ল' গাৰ্ডেন** এক অনন্য থীম উদ্যান যি ৩.৬১ একৰ ভূমি জুৰি বিস্তৃত হৈ আছে। ইয়াৰ বিভিন্ন ধৰণৰ অপ্টিকেল সামগ্ৰী উপলব্ধ আছে।

**কেকটাছ গাৰ্ডেন** এক স্থাপত্য সেউজগৃহ য'ত ১৭ খন দেশৰ ৪৫০ টা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰজাতি আছে। ইয়াত ১.৯ লাখ কেকটাছ উদ্ভিদকে ধৰি ৬ লাখ উদ্ভিদ ২৫ একৰ ভূমি জুৰি আছে


**ছী-প্লেন সেৱাই** কেৱাড়িয়াৰ ষ্টেচু অৱ্ ইউনিটীৰ সৈতে আহমেদাবাদৰ সবৰমতী ৰিভাৰফ্ৰণ্টক সংযোজিত কৰিছে। ছী প্লেনৰ পানীৰ ওপৰতে লেণ্ড আৰু টেক অফ কৰাৰ ক্ষমতা আছে আৰু সেয়েহে ইয়াক লেণ্ডিং ষ্ট্ৰীপছ অথবা ৰাণৱে'ৰ প্ৰয়োজন নহয়। ■

Scan the QR code to hear the Prime Minister's full address on National Integration Day

Scan the QR code to hear the PM's dialogue with the officers of the Administrative Services

## গ্ৰেণ্ড চেলেঞ্জেজ বাৰ্ষিক অধিৱেশন, ২০২০





প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ ভাষণ শুনিবলৈ কিউআৰ কোড স্কেন কৰক

বিজ্ঞান আৰু উদ্ভাৱনে মানৱ জীৱনৰ প্ৰায় প্ৰতিটো দিশ স্পৰ্শ কৰিছে আৰু ক'ভিড-১৯ৰ সময়ত ই অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। গ্ৰেণ্ড চেলেঞ্জ বাৰ্ষিক অধিৱেশন, ২০২০ত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভৱিষ্যতৰ সমাজ বিজ্ঞান আৰু উদ্ভাৱনৰ দ্বাৰা চালিত হ'ব বুলি স্পষ্ট অভিমত প্ৰকাশ কৰে। এই বৈঠকখন ভাৰতত কায়িকভাৱে অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও মহামাৰীৰ ফলত ইয়াক ভাৰ্চুৱেলী অনুষ্ঠিত কৰিবলগীয়া হ'ল। "প্ৰযুক্তিৰ ইমানেই শক্তি যে এই বিশ্বজনীন মহামাৰীয়েও আমাক পৃথক কৰিব পৰা নাই। এই কাৰ্যসূচী নিৰ্ধাৰিত সূচীমতেই প্ৰণয়ন হৈছে... ইয়াত উদ্ভাৱনক আকোঁৱালি লোৱাৰ প্ৰতিশ্ৰুতি প্ৰদৰ্শিত হৈছে", প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

### গ্ৰেণ্ড চেলেঞ্জেছ বাৰ্ষিক অধিৱেশন, ২০২০ কি?

চলিত বৰ্ষৰ বাৰ্ষিক অধিৱেশনখন ১৯ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ অনুষ্ঠিত হয়। ইয়াত ৪০খন দেশৰ প্ৰায় ১৬০০ নীতি-নিৰ্ধাৰক আৰু বৈজ্ঞানিক নেতৃত্বই অংশগ্ৰহণ কৰে আৰু বিশ্বজনীন সমস্যা সমাধানৰ বাবে সমবেত হয়। "বিশ্বৰ বাবে ভাৰত"ক উদ্ভাসিত কৰি ক'ভিড-১৯ৰ সমস্যাক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।



## সৌৰ শক্তি

# ঘড়ীৰ কাঁটা উভটি চলিছে

**জীৱাশ্ম ইন্ধনে মানৱতাৰ 'ঘৰ'ক বিপদৰ মুখলৈ ঠেলি দিয়াৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণে সূৰ্যলৈ ঘূৰি চাবলৈ বাধ্য হৈছে যি পৃথিৱীৰ প্ৰাথমিক আৰু অনন্য শক্তিৰ ভাণ্ডাৰ। সেউজ অথবা পুনৰ নৱীকৰণ শক্তিয়ে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। পুনৰ নৱীকৰণ শক্তি অধিক কম খৰচী; অধিক সহজলভ্য আৰু গ্ৰীডত সংযোগ কৰাৰ সহজ উপায় সন্ধান কৰিবলৈ দেশসমূহে গৱেষণা আৰু উদ্ভাৱন কৰাটো আৱশ্যক।**

এই আচৰণক সুন্দৰকৈ প্ৰতিফলিত কৰিছেঃ "মাতা ভূমি, পুত্ৰম পৃথিব্যাহ" অৰ্থাৎ "এই পৃথিৱী আমাৰ ভাৰতত প্ৰকৃতিক মাতৃ জ্ঞান কৰা হয় আৰু এই দেশত শতিকাজুৰি মানৱতাকো প্ৰকৃতিৰ অংশ হিচাপে জ্ঞান কৰি অহা হৈছে। অথৰ্ব বেদ শুক্তত ভাৰতীয়ৰ মাতৃ আৰু আমি ইয়াৰ পুত্ৰ"।

ভাৰতীয় পৰম্পৰা অনুসৰি সুৰ্যক সকলো শক্তিৰ ভাণ্ডাৰ হিচাপে গণ্য কৰা হয়। সৌৰ শক্তিয়ে বিশ্বক শক্তিৰ ক্ষেত্ৰত স্বাৱলম্বী কৰি তুলিব পাৰে আৰু পৰিবেশ পৰিষ্কাৰ কৰি ৰখাতো সহায় কৰিব পাৰে। সেয়ে বিশ্ববাসীয়ে আজি পুনৰ সুৰ্যলৈ ঘূৰি চাইছে। এই পৰিপ্ৰেক্ষিতত ভাৰত আৰু ফ্ৰান্সে ২০১৫ চনত আন্তৰ্জাতিক সৌৰ সহযোগিতা (আইএছএ) মুকলি কৰিছিল। জনসাধাৰণৰ জীৱনত সৌৰ শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ই অধিক কম খৰচী, সহজসাধ্য আৰু গ্ৰীডৰ সৈতে সহজে সংযোগ কৰা প্ৰক্ৰিয়াত সহায় কৰিব।

এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশবাসীয়ে পৰম্পৰাগত শক্তি অধিক স্বচ্ছ কৰি তুলিব পাৰে আৰু পুনৰ নৱীকৰণ শক্তিৰ নতুন উৎস সন্ধান কৰিব পাৰে। "আমাৰ ভৱিষ্যতৰ বাবে এয়া হ'ল বিশ্বজনীয় দায়িত্ব। আমাৰ উদ্ভাৱন পদক্ষেপ ৰাজহুৱা উদ্দেশ্যৰ বাবে হ'ব লাগে, কেৱল ই বজাৰমুখী নহৈ বুদ্ধিদীপ্ত সম্পত্তিও হ'ব লাগে", প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত এইদৰে কৈছিল। আজি সৌৰ শক্তিৰ দ্বাৰা বিশ্বত উৎপাদিত বিদ্যুতৰ ২.৮ শতাংশ সামৰি লোৱা হৈছে আৰু এই গতি অব্যাহত থাকিলে ২০৩০ চনত ই বিদ্যুতৰ প্ৰধান উৎস হিচাপে বিবেচিত হ'ব।

### পুনৰবাৰ আইএছএ অধ্যক্ষ হিচাপে নিৰ্বাচিত হ'ল ভাৰত

দ্বিতীয়বাৰলৈ ভাৰত দুবছৰৰ বাবে আইএছএৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ফ্ৰান্স আইএছএৰ সহ-অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ১৪ অক্টোবৰ তাৰিখে ভাৰ্চুৱেলী অনুষ্ঠিত হোৱা এই সমাৰোহত ৫৩খন দেশ আৰু প্ৰত্যাশী সদস্য দেশসমূহে অংশগ্ৰহণ কৰে।

### ৪৮ খন দেশৰ পৰা ৬৮খন.. এই সংখ্যা আৰু বৃদ্ধি হ'বলৈ ধৰিছে

২০১৮ চনৰ অক্টোবৰ মাহত অনুষ্ঠিত প্ৰথমখন আইএছএৰ সমাৰোহত ৪০ খন দেশে অংশগ্ৰহণ কৰিছিল। কিন্তু প্ৰধানমন্ত্ৰীয়ে

> "আমি সদায়েই বিশ্বাস কৰো যে প্ৰকৃতি কেৱল মানুহৰ বাবে নহয় কিন্তু প্ৰকৃতি অবিহনে আমি জীয়াই থাকিব নোৱাৰো। সেয়ে প্ৰকৃতিক আমি ধ্বংসৰ পৰিৱৰ্তে পৰিপুষ্ট কৰিব লাগে। যেতিয়া প্ৰকৃতিৰ ভাৰসাম্যতা অটুট থাকিব তেতিয়াহে আমাৰ জীৱন আৰু বিশ্বৰ মাজত ভাৰসাম্যতা বৰ্তি থাকিব।"

৩০ নৱেম্বৰ ২০১৫ তাৰিখে পেৰিচৰ ইণ্ডিয়া পেভিলিয়ন এট চিঅ'পি ২১ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে ভাষণ দিয়ে।



কৈছিল যে এই সংস্থা সৌৰ শক্তিৰ বিকল্পসমূহৰ দিশত অগ্ৰসৰ হোৱা উচিত আৰু ই ১০০ অথবা ১২৫ খন দেশৰ মাজতে আৱদ্ধ নাথাকি সমগ্ৰ বিশ্বই ইয়াৰ দ্বাৰা উপকৃত হোৱাটো আৱশ্যক। আইএছএত এতিয়া ৬৮খন সদস্য দেশ আছে আৰু ২০ খন দেশে ইয়াৰ সদস্য হোৱাৰ প্ৰক্ৰিয়াত ব্যস্ত আছে।

### অ-জীৱাশ্ম ইন্ধনৰ জৰিয়তে ১৭৫ গিগাৱাট বিদ্যুৎ

ভাৰতে ২০৩০ চনৰ ভিতৰত অ-জীৱাশ্ম ইন্ধনৰ জৰিয়তে ৪০ শতাংশ বিদ্যুৎ প্ৰস্তুত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰতে যোৱা চাৰি বছৰত পুনৰ নৱীকৰণ শক্তি প্ৰস্তুতিৰ ক্ষমতা ৭২ গিগাৱাটলৈ বৃদ্ধি কৰিছে। সৌৰ শক্তিৰ ক্ষমতাও ৯ গুণলৈ বৃদ্ধি পাইছে। শেহতীয়াকৈ ভাৰতত নন-হাইড্ৰ' পুনৰ নৱীকৰণ শক্তি মুঠ বিদ্যুৎ শক্তিৰ ২০ শতাংশ পৰ্যন্ত উৎপাদন হৈছে। এতিয়া ভাৰতে ২০২২ চনৰ ভিতৰত ১৭৫ গিগাৱাট শক্তি উৎপাদনৰ দিশত অগ্ৰসৰ হৈছে। ■

## আইএছএ কি ?

আন্তৰ্জাতিক সৌৰ সহযোগিতা হ'ল কৰ্কট আৰু মকৰ পৰিমণ্ডলৰ মাজৰ সৌৰ শক্তি সমৃদ্ধ দেশসমূহৰ মাজত সম্পূৰ্ণভাৱে অথবা আংশিকভাৱে হোৱা এক সহযোগিতা। আইএছএ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ফ্ৰেংকইছ হলাণ্ডে যুটীয়াভাৱে ৩০ নৱেম্বৰ, ২০১৫ তাৰিখে পেৰিচত জলবায়ু সংক্ৰান্তীয় ৰাষ্ট্ৰসংঘৰ একবিংশতম পাৰ্টীজ (চিঅ'পি ২১) সন্মিলনত মুকলি কৰিছিল। আইএছএ পৰিকাঠামো চুক্তি ১৫ নৱেম্বৰ, ২০১৬ তাৰিখে চিঅ'পি-২২ত মৰক্ক'ৰ মাৰাকেচত স্বাক্ষৰৰ বাবে মুকলি কৰা হৈছিল।

**বীক্ষণ, অভিযান আৰু উদ্দেশ্যঃ** আইএছএৰ বীক্ষণ আৰু অভিযান কৰ্কট আৰু মকৰ পৰিমণ্ডলৰ মাজৰ সৌৰ শক্তি সমৃদ্ধ দেশসমূহৰ মাজত সম্পূৰ্ণভাৱে অথবা আংশিকভাৱে হোৱা এক সহযোগিতাৰ ওপৰত নিৰ্ভৰশীল। আইএছএৰ সদস্য দেশসমূহৰ মাজত সৌৰ শক্তি সুৰক্ষিত, সহজসাধ্য, ব্যয়সাধ্য আৰু বহনক্ষম কৰি তোলাৰ বাবে বিশ্বজনীন ষ্টেকহ'ল্ডাৰ, দ্বিপাক্ষিক আৰু বহুপক্ষীয় সংস্থাসমূহ, উদ্যোগসমূহে ইতিবাচক সঁহাৰি জনোৱাটো আৱশ্যক। আইএছএৰ উদ্দেশ্য হ'ল আন্তৰ্জাতিক সংস্থা আৰু ব্যক্তিগতখণ্ডক ম'বিলাইজ কৰি গ্ৰামীণ আৰু বিকেন্দ্ৰীকৃত প্ৰণালীক সমৰ্থন প্ৰদান কৰোৱা আৰু ব্যয়সাধ্য বিত্তপোষণৰ জৰিয়তে দ্বীপপুঞ্জ আৰু গাঁওসমূহত সৌৰ মিনিগ্ৰীড, ৰুফটফ ইনষ্টলেচন আৰু সৌৰ ই-মবিলিটী প্ৰযুক্তি স্থাপনৰ দিশত আগ্ৰহী কৰোৱা।

### আইএছএয়ে প্ৰণয়ন কৰা কাৰ্যসূচীসমূহ

- সৌৰ শক্তিৰ বিভিন্ন দিশ সামৰি লোৱা ছয়টা কাৰ্যসূচী আৰু দুটা প্ৰকল্পৰ কাম চলি আছে
- আইএছএৰ সদস্য দেশসমূহৰ বাবে প্ৰয়োজনীয় পোহৰ, জলসিঞ্চন, খোৱা পানী আৰু উৎপাদনশীল শক্তিৰ বাবে প্ৰয়োজনীয় সৌৰ শক্তি প্ৰণালীৰ বাবে ৫ বিলিয়ন ডলাৰতকৈও অধিক শক্তিযুক্ত পাইপলাইন বিকশিত কৰা হৈছে
- ২২খন দেশৰ বাবে ২,৭০,০০০ সৌৰ পাম্প, ১১ খন দেশৰ বাবে ১ গিগাৱাটৰ সৌৰ ৰুফটপ আৰু ৯ খন দেশৰ বাবে ১০ গিগাৱাটৰ সৌৰ মিনিগ্ৰীডৰ চাহিদা লাভ কৰিছে আইএছএয়ে
- ২০৩০ চনৰ ভিতৰত ই ১ ট্ৰিলিয়ন ডলাৰ একত্ৰিত কৰা ৰোডমেপৰ পৰিকাঠামো প্ৰস্তুত কৰিছে

# জনসাধাৰণক অধিক সবলীকৰণ

*শেহতীয়া কেবিনেট সিদ্ধান্তসমূহে জম্মু আৰু কাশ্মীৰৰ জনসাধাৰণৰ বাবে কেৱল স্ব-শাসনকে এক বাস্তৱতা ৰূপে প্ৰতিপন্ন নকৰে, বৰং কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক বোনাচ দিয়া আৰু তৈল বিপণন কোম্পানীসমূহৰ বাবে ইথানল সংগ্ৰহৰ দৰে সিদ্ধান্তই অৰ্থনীতিক উৰ্ধগতি প্ৰদান কৰিবলৈ বজাৰলৈ অধিক তাৰল্যৰ প্ৰবাহত সহায় কৰিব।*

**সিদ্ধান্ত ঃ** তিনিস্তৰীয় স্থানীয় স্ব-শাসন প্ৰৱৰ্তন কৰিব পৰাকৈ জম্মু এণ্ড কাশ্মীৰ পঞ্চায়তীৰাজ এক্ট, ১৯৮৯ গ্ৰহণত অনুমোদন জনায়।

**লাভালাভ ঃ** এই পদক্ষেপে জম্মু আৰু কাশ্মীৰত তৃণমূল পৰ্যায়ৰ তিনিওটা স্তৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিব। দেশৰ অন্য অংশৰ দৰে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ জনসাধাৰণৰ দ্বাৰা ই পোনপটীয়াকৈ নিৰ্বাচিত হ'ব। পঞ্চায়ত, ব্লক আৰু জিলা পৰ্যায়ৰ তিনিওটা স্তৰত জম্মু আৰু কাশ্মীৰত আগতীয়াকৈ নিৰ্বাচন হ'ব। প্ৰাক-৩৭০ সময়ছোৱাত জম্মু আৰু কাশ্মীৰত তিনি স্তৰীয় পদ্ধতি নাছিল। সেয়ে তাত জনসাধাৰণে তেওঁলোকৰ স্থানীয় প্ৰতিনিধি নিৰ্বাচন কৰাৰ সুযোগ পোৱা নাছিল।

**সিদ্ধান্ত ঃ** ৩০ লাখতকৈ অধিক চৰকাৰী কৰ্মচাৰীৰ বাবে ৩,৭৩৭ কোটি টকাৰ বোনাচ অনুমোদন।

**লাভালাভ ঃ** ৰে'লৱে, পোষ্ট, ডিফেঞ্চ, ইপিএফঅ', ইএছআইচি ইত্যাদিৰ দৰে বাণিজ্যিক প্ৰতিষ্ঠানৰ ১৬.৯৭ লাখ নন-গেজেটেড কৰ্মচাৰীক ২০১৯-২০ বৰ্ষৰ বাবে প্ৰডাক্টিভিটী লিংড বোনাচ (পিএলবি) প্ৰদান কৰা হ'ব। এই ধনৰাশিৰ পৰিমাণ হ'ব ২,৭৯১ কোটি টকা। চৰকাৰৰ ৯৪৬ কোটি টকা ব্যয়েৰে ১৩.৭০ লাখ নন-গেজেটেড কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক নন-পিএলবি অথবা এড-হক বোনাচ প্ৰদান কৰা হ'ব। ৩,৭৩৭ কোটি টকাৰ মুঠ বিত্তীয় ব্যয়ৰ এই সিদ্ধান্তই, মুঠ ৩০.৬৭ লাখ কৰ্মচাৰীক লাভবান্বিত কৰিব।

**সিদ্ধান্ত ঃ** তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ক্ষেত্ৰখনত দ্বিপাক্ষিক সহযোগিতাৰ ওপৰত জাপানৰ সৈতে এমঅ'চিত মন্ত্ৰীসভাই অনুমোদন দিয়ে।

**লাভালাভ ঃ** এই এমঅ'চিয়ে সংযোগৰ ক্ষেত্ৰখনত দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক বুজাপৰা শক্তিশালী কৰিব। যিহেতু জাপান 'স্পেচিয়েল ষ্ট্ৰেটেজিক এণ্ড গ্ল'বেল পাৰ্টনাৰশ্বিপ'ৰ এক গুৰুত্বপূৰ্ণ অংশীদাৰ, ই ভাৰতৰ বাবে এক কৌশলপূৰ্ণ প্ৰচেষ্টা হিচাপে পৰিগণিত হ'ব। ফাইভ জি নেটৱৰ্ক, টেলিকম ছিকিউৰিটী, ছাবমেৰিণ কেবোল, ষ্টেণ্ডাৰ্ড চাৰ্টিফিকেচন অফ কমিউনিকেচন ইকুইপমেণ্ট, শেহতীয়া ৱায়েৰলেছ টেকনলজি আৰু আইচিটিৰ ব্যৱহাৰ, আইচিটিসমূহৰ সক্ষমতা নিৰ্মাণ, ৰাজহুৱা সুৰক্ষা আৰু দুৰ্যোগ সাহায্য, আৰ্টিফিচিয়েল ইন্টেলিজেঞ্চ/ব্লক চেইন, স্পেকট্ৰাম চেইন, স্পেকট্ৰাম মেনেজমেণ্ট, মাল্টিলেটাৰেল প্লেটফৰ্মত সহযোগিতা ইত্যাদিৰ দৰে বিভিন্ন ক্ষেত্ৰত এই এমঅ'চিয়ে দুয়োখন দেশৰ মাজত সহযোগিতাত সহায় কৰিব।



**সিদ্ধান্ত:** ৰাজহুৱা খণ্ডৰ অইল মাৰ্কেটিং কোম্পানীৰ পৰা ইথানল আহৰণৰ প্ৰক্ৰিয়াত অনুমোদন

**লাভালাভ:** এই সিদ্ধান্তই কুঁহিয়াৰ খেতিয়ক আৰু ইথানল উৎপাদকসকলক লাভান্বিত কৰিব। চেনীৰ পৰা উৎপাদিত ইথানলৰ নতুন মূল্য প্ৰতি লিটাৰত ৬২.৬৫ টকা নিৰ্ধাৰণ কৰা হৈছে। 'বি' গধূৰ গুড়ৰ পৰা উৎপাদিত ইথানলৰ মূল্য প্ৰতি লিটাৰত ৫৭.৬১ টকা ধাৰ্য কৰা হৈছে। 'চি' গধূৰ গুড়ৰ পৰা উৎপাদিত ইথানলৰ মূল্য প্ৰতি লিটাৰত ৪৫.৬৯ টকা ধাৰ্য কৰা হৈছে। ২০১৪ চনত ৩৮ কোটি লিটাৰ ইথানল অইল কোম্পানীসমূহক যোগান ধৰিছিল আৰু যোৱা বছৰ এই পৰিমাণ ১৯৫ কোটি লিটাৰলৈ বৃদ্ধি পায়। ইথানলে কৃষকৰ আয় বৃদ্ধি কৰাৰ লগতে বায়ু প্ৰদূষণ ৰোধত সহায় কৰে আৰু বিদেশী বিনিময়ত ৰাহি কৰে।

**সিদ্ধান্ত ঃ** ২০২০-২১ বৰ্ষৰ বাবে জম্মু আৰু কাশ্মীৰত আপেল সংগ্ৰহৰ বাবে মাৰ্কেট ইন্টাৰভেন্সন স্কীমৰ সম্প্ৰসাৰণ।

**লাভালাভ ঃ** লাভালাভ: চলিত ঋতুত অৰ্থাৎ ২০২০-২১ত যোৱাবাৰৰ একেই চৰ্তত এই আঁচনিৰ অধীনত চৰকাৰে ১২ লাখ

**সিদ্ধান্ত ঃ** অনুমোদিত মৰাপাটৰ সামগ্ৰীৰ ক্ষেত্ৰত মেণ্ডেটৰী পেকেজিঙৰ বাবে নৰ্মছৰ সম্প্ৰসাৰণ।



**লাভালাভ ঃ** সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে খাদ্য শস্যৰ ১০০ শতাংশ আৰু চেনীৰ ২০ শতাংশ বাধ্যতামূলকভাৱে ভিন্ন মৰাপাটৰ মোনাত টোপোলা কৰিব লাগিব। এই সিদ্ধান্তই মৰাপাটৰ উদ্যোগৰ বিবিধতা সৃষ্টিত এক গতি শক্তি প্ৰদান কৰিব। তদুপৰি, এই সিদ্ধান্তৰ জৰিয়তে বাধ্যতামূলক কৰা হৈছে যে আৰম্ভণিতে খাদ্য শস্য টোপোলা কৰিবলৈ মৰাপাটৰ মোনাৰ ১০ শতাংশ জিইএম প'ৰ্টেলত ৰিভাৰ্ছ অকচনৰ জৰিয়তে দিব লাগিব। ই দাম সন্ধানৰ একোটা খণ্ডত ক্ৰমান্বয়ে পথ প্ৰদৰ্শন কৰিব। ই মৰাপাটৰ কৃষকসকলক অধিক উপাৰ্জন কৰাতো সহায় কৰিব।

মেট্ৰিক টন আপেল সংগ্ৰহ কৰিব। এই আপেল সংগ্ৰহ কৃষকৰ পৰা পোনপটীয়াকৈ কেন্দ্ৰীয় সংগ্ৰহকাৰী সংস্থাই অৰ্থাৎ নেচনেল এগ্ৰিকালচাৰেল ক'অপাৰেটিভ মাৰ্কেটিং ফেডাৰেচন লিমিটেড



(এনএএফইডি)য়ে ৰাজ্যিক স্বীকৃত সংস্থা যেনে ডাইৰেক্টৰেট অফ প্লেনিং এণ্ড মাৰ্কেটিং, ডিপাৰ্টমেণ্ট অফ হৰ্টিকালচাৰ আৰু জম্মু এণ্ড কাশ্মীৰ হৰ্টিকালচাৰ প্ৰছেছিং এণ্ড মাৰ্কেটিং কৰ্প'ৰেচনৰ জৰিয়তে কৰিব।

এই কামৰ বাবে ২,৫০০ কোটি টকাৰ চৰকাৰী গেৰাণ্টী ব্যৱহাৰ কৰিবলৈও চৰকাৰে এন এ এফ ই ডি অনুমতি দিছে। এই কামত হ'ব পৰা যিকোনো লোকচান ৫০ঃ৫০ হিচাপে কেন্দ্ৰীয় চৰকাৰ আৰু জম্মু আৰু কাশ্মীৰৰ চৰকাৰে বহন কৰিব।

**সিদ্ধান্ত ঃ** এক্সটাৰ্নেলী এইডেড ডেম ৰিহেবিলিটেচন আৰু ইম্প্ৰ'ভমেণ্ট প্ৰজেক্ট (ডিআৰআইপি)-স্তৰ ২ত মন্ত্ৰীসভাই অনুমোদন দিয়ে।

**লাভালাভ ঃ** ১০,২১১ কোটি টকাৰ এই প্ৰকল্প এপ্ৰিল ২০২১ৰ পৰা ৰূপায়ণ কৰা হ'ব আৰু মাৰ্চ ২০৩১ত সম্পূৰ্ণ কৰা হ'ব। ই সমগ্ৰ দেশতে ৭৩৬টা নিৰ্বাচিত বান্ধৰ সুৰক্ষা আৰু কাম-কাজ উন্নত কৰিব। ৪১১টা নতুন বান্ধ নিৰ্মাণ কৰি থকাৰ লগতে ভাৰতত ৫,৩৩৪টা বান্ধ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনৰ পিছতে ভাৰত তৃতীয়খন দেশ। বিদ্যুৎ উৎপাদন, জলসিঞ্চন আৰু খোৱা পানীৰ ক্ষেত্ৰত বান্ধে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**সিদ্ধান্ত ঃ** স্বাস্থ্য আৰু ঔষধৰ ক্ষেত্ৰখনত সহযোগিতাৰ বাবে ভাৰত আৰু কম্বোডিয়াৰ মাজত বুজাবুজিৰ চুক্তি (এমঅ'ইউ)।

**লাভালাভ ঃ** এই বুজাবুজিৰ চুক্তিয়ে দুয়োখন দেশৰ মাজত স্বাস্থ্য খণ্ডত যুটীয়া তৎপৰতা আৰু প্ৰযুক্তিৰ জৰিয়তে সহযোগিতাক উৎসাহিত কৰিব।

**সিদ্ধান্ত ঃ** আইচিএআই, ভাৰত আৰু চিপিএ, পাপুৱা নিউ গিনিৰ দ্বাৰা বুজাবুজিৰ চুক্তি স্বাক্ষৰিত।

**লাভালাভ ঃ** কৰ্প'ৰেট গভাৰ্ণেঞ্চ, প্ৰযুক্তিগত গৱেষণাৰ দৰে ক্ষেত্ৰত সম্ভৱপৰ সহযোগিতা স্থাপন কৰিবলৈ ইনষ্টিটিউট অফ চাৰ্টাৰ্ড একাউণ্টেণ্ট অফ ইণ্ডিয়া (আইচিএআই) আৰু চাৰ্টিফাইড প্ৰেক্টাইজিং একাউণ্টেণ্টছ, পাপুৱা নিউ গিনি (চিপিএ পিএনজি)য়ে একেলগে কাম কৰিব আৰু কণ্টিনিৰিং প্ৰফেচনেল ডেভেলপমেণ্ট তথা অন্য পাৰস্পৰিক স্বাৰ্থ জড়িত হৈ থকা বিষয়ত পৰামৰ্শ দিব। ■

October 21 October 29

Scan QR code to hear the full address on cabinet decisions.

যোগাত্মক দৃষ্টিকোণ | পৰিৱৰ্তনশীল ভাৰত

# শিশুৰ বাবে এক নতুন প্ৰভাত

**নাৰিকলৰ পাতৰ পৰা নলী তৈয়াৰ আৰু এগৰাকী স্কুল শিক্ষয়িত্ৰীয়ে অৰুণাচল প্ৰদেশত আৰম্ভ কৰা এটা ষ্ট্ৰীট লাইব্ৰেৰী হৈছে প্ৰসাৰিত চিন্তাৰ উজ্জ্বল উদাহৰণ।**

## ইটানগৰত ষ্ট্ৰীট লাইব্ৰেৰী



অৰুণাচল প্ৰদেশৰ নিৰজুলি টাউনৰ ৩০ বছৰীয়া স্কুল শিক্ষয়িত্ৰী ঙুৰাং মীনাই এটা আশ্চৰ্যজনক ষ্ট্ৰীট লাইব্ৰেৰী স্থাপন কৰিছে। নিজৰ ঠাইখনত ব'ৰ্ড পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ দুখজনক পৰিণতি দেখি মীনাৰ মনলৈ এই অভিনৱ চিন্তাটো আহে। ছ'চিয়েল মিডিয়াৰ জৰিয়তে তেওঁ মিজোৰামত এটা ষ্ট্ৰীট লাইব্ৰেৰী থকাৰ কথা জানিব পাৰে, যি শিশুৰ মনোযোগ আকৰ্ষণ কৰিছে, তেনে এটা লাইব্ৰেৰী নিৰজুলি টাউনতো স্থাপন কৰাৰ কথা তেওঁ ভাবে। অনাখৰী মাতৃ আৰু মেট্ৰিক পাছ পিতৃৰ ঔৰষত জন্ম হোৱা মীনাই এই কথা জানিছিল যে নিজৰ ব্যক্তিত্ব গঠনত পঢ়াশুনাই কেনে প্ৰভাৱ পেলাইছে। সেয়ে শিশুহঁতক স্মাৰ্ট ফোনৰ জগতখনৰ পৰা উলিয়াই আনি ছপা শব্দৰ মাজলৈ আনিবলৈ পথ প্ৰদৰ্শন কৰাৰ সিদ্ধান্ত লয়। কিতাপ আৰু বুকছেলফৰ বাবে ২০,০০০ টকা খৰচ কৰি তেওঁ ষ্ট্ৰীট লাইব্ৰেৰী আৰম্ভ কৰে। তেওঁৰ ষ্ট্ৰীট লাইব্ৰেৰীয়ে শিশুৰ লগতে প্ৰাপ্ত বয়স্ক লোককো আকৰ্ষণ কৰে। ইয়াৰ আগতে গ্ৰন্থপ্ৰেমীসকল চৰকাৰী লাইব্ৰেৰীলৈ যাবলগীয়া হৈছিল। এতিয়া যিসকলে গ্ৰন্থ ক্ৰয় কৰিব নোৱাৰে তেনে লোকেও সহজেই এই লাইব্ৰেৰীত পঢ়িব পৰা হোৱাত এটা অধ্যয়ন সংস্কৃতি গঢ় লৈ উঠিছে।

## নাৰিকলৰ পাতৰ পৰা বনোৱা নলী বিশ্বজনীন ব্ৰেণ্ড হৈ পৰিছে



অভাৱেই আৱিষ্কাৰৰ মূল বোলা কথাষাৰ যেন প্ৰতিফলিত হৈছে, বেংগালুৰুৰ প্ৰফেছৰ ছাজি ভাৰ্গেজে নাৰিকলৰ পাতৰ পৰা নলী তৈয়াৰ কৰিছে। নাৰিকলৰ পানী, ক'ল্ড ড্ৰিংক ইত্যাদি খাওঁতে ব্যৱহৃত পষ্টিকৰ নলীৰ সলনি ইয়াক ব্যৱহাৰ কৰিব পাৰি আৰু ই অৰ্গেনিক হোৱাৰ লগতে বীজাণু ৰহিত আৰু পৰিৱেশ অনুকূল। এই জৈৱিক নলীৰ বাবেই এতিয়া ভাৰ্গেজ বিশ্বজুৰি প্ৰশংসিত হৈছে। পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা অৰ্ডাৰ আহিয়েই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এবাৰ ব্যৱহাৰ হোৱা প্লাষ্টিকৰ ব্যৱহাৰক নিৰুৎসাহিত কৰাৰ কথা কৈ আছে। প্ৰফেছৰ ভাৰ্গেজৰ আৱিষ্কাৰে তেওঁৰ এই আন্দোলনকে কেৱল শক্তিশালী কৰা নাই, বৰং উপকূলীয় অঞ্চলবিলাকত, বিশেষকৈ মহিলাৰ বাবে কৰ্ম সংস্থাপনো সৃষ্টি কৰিছে।

RNI No. : DELASS/2020/78827
November: 16-30, 2020

# NEW INDIA SAMACHAR FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95/2020-22 posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 13-17 advance Fortnightly **(Publishing Date November 05, 2020, Pages-40)**



“ আমাৰ সংবিধানে প্ৰতিজন নাগৰিকৰ অধিকাৰ আৰু মৰ্যদা ৰক্ষা কৰিছে যি আমাৰ সংবিধানৰ নিৰ্মাতাসকলৰ দূৰদৰ্শিতাৰ প্ৰতি সংকল্পবদ্ধতা নিশ্চিত কৰিছে। মই প্ৰাৰ্থনা জনাওঁ যে 'সংবিধান দিৱস'এ সাংবিধানিক আদৰ্শ আৰু প্ৰমূল্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত আমাৰ দায়বদ্ধতাক পুনৰ শক্তিশালী কৰিব আৰু এনেকৈয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি অৰিহণা আগবঢ়াই যাম। এয়া আছিল আমাৰ সংবিধান নিৰ্মাতাসকলৰ সপোন। ”

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

Assamese

**Editor: Kuldeep Singh Dhatwalia**, PDG, PIB, New Delhi | **Published & Printed by: Satyendra Prakash**, DG, BOC on behalf of Bureau of Outreach and Communication | **Published from Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003** | **Printed at** VIBA Press Pvt Ltd. C-66/3, Okhla Ind Area Phase-II, New Delhi 20